# কথা ভক্তি ৰত্নাকৰ

শ্ৰীমন্ত শঙ্কৰদেৱৰ মূল সংস্কৃত
ভক্তি- ৰত্নাকৰ শ্ৰীৰামচৰণ ঠাকুৰৰ অনুদিত
অসমীয়া পদ্য ভক্তিৰত্নাকৰৰ আধাৰত ৰচিত
কঠিন শব্দাৰ্থ, প্ৰাসঙ্গিক টোকা সম্বলিত

বিপিন চুতীয়া

Katha Bhakti Ratnakar- This is the most saered devotional book of Aka sarana Nam-Dharma written by srimanta sankardev in sanskrit language. The book was transtaded by Ramcharan Thakur in Assamese verse and Written in prose by Sri Bipin Chutia, M.A,B.T Retiered principal (National and stste awardee teacher), and published by sri Naba kalita,Kiran prakashan, Dhemaji.

Published in 2010.
Price- Rs

কথা- ভক্তি ৰত্নাকৰ
মূল বিষয়-বস্তু
শব্দাৰ্থ, টোকা সম্বলিত

শঙ্কৰদেৱৰ সংস্কৃত ভক্তি-ৰত্নাকৰ
আৰু
ৰামচৰণ ঠাকুৰৰ অনুবাদৰ আধাৰত ৰচিত

বিপিন চুতীয়া

# ভক্তি- ৰত্নাকৰ গ্ৰন্থৰ গুৰুত্ব

.... সমস্ত নিগম শাস্ত্ৰৰ সাৰ-সংগ্ৰহ....
.... ভক্তি-তত্ত্বৰ মূল কথা....
...... ভক্তি-তত্ত্বৰ ব্যাকৰণ স্বৰূপ......
...... ভক্তিৰত্নাৱলী, ভক্তিপ্ৰেমাৱলীৰ উৰ্দ্ধত
"ইটো ভক্তি-ৰত্নাকৰ সমস্ত শাস্ত্ৰৰ সাৰ
জানি আন তেজিয়া সমস্ত।
সদায়ে ইহাকে মাত্ৰ শ্ৰবন কীৰ্ত্তন কৰা
গুচিবে সংশয় আছে য'ত"

সকলো শাস্ত্ৰত ভক্তিতত্ত্বৰ কথা থাকিব পাৰে। মহাভাগবত শাস্ত্ৰ ভক্তি-তত্ত্বৰে ভৰ পূৰ গীতা পাণ্ডবী গীতা, বিষ্ণুপুৰাণ, পদ্মপুৰাণ, বৃহৎনাৰদীয় পুৰাণ, মৎস্যপুৰাণ, কুৰ্ম্ম পুৰাণ, নৃসিংহ পুৰাণ, নাৰদীপুৰাণ, বিষ্ণু-ধৰ্ম্মোত্তৰ বৈষ্ণৱানন্দ, যোগসাৰ, শান্তিশতক ভূজঙ্গপ্ৰয়াত, প্ৰবোধ চন্দ্ৰোদয় আদি শাস্ত্ৰত ভক্তি তত্ত্বৰ কথা পোৱা যায়।

এই সমস্ত শস্ত্ৰে অধ্যয়ন কৰা আৰু তাৰ মাজৰ পৰা সাৰ-সংগ্ৰহ কৰিবলৈ কষ্টসাধ্য কিন্তু এই শাস্ত্ৰ সমূহৰ সাৰাংশ ভক্তিৰত্নাকৰত গুৰুজনাই ফলৰ মৌচুহি মৌচাক তৈয়াৰ কৰি জীৱ-তৰণৰ উপায় দিছে। গুৰুজনে ইয়াক ক্ষীৰে-নীৰে মিশ্ৰ কৰি ভক্তি-তত্ত্বৰ সোৱাদ দিছে। শ্ৰীমন্ত শঙ্কৰদেৱে সংস্কৃত ভাষাত এইশাস্ত্ৰ প্ৰণয়ন কৰিছিল; মাধৱদেৱৰ ভাগিনীয়েক ৰাম চৰণ ঠাকুৰে এই সংস্কৃত মহাগ্ৰন্থ অসমীয়া ভাষাত পদ্যত অনুবাদ কৰি।

অসমীয়া সাহিত্যত আপুৰুগীয়া গ্ৰন্থদান দি গ'ল। ই নিসন্দেহে ভক্তি পুষ্পৰ সুগন্ধী মালা-

ভক্তি- ৰত্নাকৰ

লিখকৰ বক্তব্য

মহাভাগৱত শাস্ত্ৰ বিশ্বৰ এখন বিখ্যাত ভক্তিশাস্ত্ৰ বেদান্ত দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত ঈশ্বৰ-ভক্তিৰ প্ৰতিপাদক ভাগৱত শাস্ত্ৰৰ সাৰ সংগ্ৰহ কৰি জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱে সংস্কৃত ভাষাত ভক্তিৰত্নাকৰৰ মহাশাস্ত্ৰ প্ৰণয়ণ কৰে। ভাগৱত শাস্ত্ৰৰ উপৰিও পাণ্ডবী গাতা, বিষ্ণুপুৰাণ, বৈষ্ণৱানন্দ, সাত্বততন্ত্ৰ, অন্যান্য পুৰাণাদিৰ পৰাও সাৰ সংগ্ৰহ কৰিছে।

শ্ৰীমন্ত শঙ্কৰদেৱে সকলোবোৰ গ্ৰন্থ অসমীয়া ভাষাত লিখিছিল, মাত্ৰ এইখিনি শাস্ত্ৰহে সংস্কৃত ভাষাত লিখে। ভক্তিৰত্নাৱলী গ্ৰন্থখনি তেৰাই পোৱাৰ আগতেই ভক্তিৰ ব্যাতৰণৰূপে এই গভীৰ তত্ত্বমূলক শাস্ত্ৰখনি লিখে। বিষ্ণুপুৰী সন্ন্যাসীয়ে ৰচনাকৰা সংস্কৃতৰ ভক্তিৰত্নাৱলী গ্ৰন্থখনি পাই তেৰাই ভক্তিতত্ত্বৰ কথা সুন্দৰভাৱে প্ৰকাশ পালেও ভক্তিৰত্নাকৰ গ্ৰন্থ সংস্কৃত ভাষাত লিখাৰ বাবে সৰ্বসাধাৰণতে জানিব নোৱাৰাত মাধৱ দেৱৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰে ছবি-দুলড়ি-পদ ছন্দত অসমীয়ালৈ অনুবাদ কৰে আৰু মূল ভক্তিৰত্নাকৰ কিছুমান শ্লোক বাদদিয়ে। ৰামচৰণে মূল ৰত্নাকৰক কিছু চমুৱাই ৰচনা কৰে।

ভক্তি-ৰত্নাকৰৰ মূল কথা হৈছে-গুৰু-দেৱ নাম ভকতৰ মাহাত্ম্য আৰু কৃষ্ণভক্তিৰ প্ৰাধান্য। হৰিভক্তিৰ দ্বাৰা। সংসাৰ তৰণৰ উপায় লাভ আৰু জীৱৰ মুক্তি লাভ। কাল-সংহতিৰ প্ৰবৰ্তক গোপাল আতাই ভক্তি ৰত্নাকৰৰ ওপৰত মন্তব্য কৰিছে-

"ভাগৱত ক্ষীৰ সমুদ্ৰত আছয় ভকতি ৰত্নযত
শ্ৰীমন্ত শঙ্কৰে উদ্ধাৰি আনি বিভাগি।
তাৰ অন্তৰ্গত তত্ব য'ত নিবেদিয়া ভক্ত মাধৱত
লোকক কৃপায়ে থৈলা সংসাৰক লাগি।"

ভক্তিৰত্নাকৰ গ্ৰন্থ ৰামচৰণে অনুবাদ কৰাৰ উপৰিউ ৰাম মোহন নাথ, মোহন চন্দ্ৰ মহন্ত, তীৰ্থনাথ গোস্বামীৰ সম্পাদিত, গোপাল দ্বিজৰ পুৰণা অসমীয়া ভাষাত ৰচনা কৰিছিল। গোপাল চৰণত কথা ভক্তিৰত্নাকৰ গ্ৰন্থখনি জে.বি কলেজৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ নবীনচন্দ্ৰ গোস্বামীয়ে সম্পাদনা কৰিছিল। আধুনিক অসমীয়া ভাষাত গদ্যৰূপত ভক্তিৰত্নাকৰ শাস্ত্ৰভাগি নথকাত ভক্তি পিপাসু লোকৰ বাবে আৰু অসমীয়া সাহিত্যত এনে অমূল্য গ্ৰন্থখনিৰ চাহিদাৰ প্ৰতি লক্ষ্য কৰি কথা-ৰূপত ভক্তিৰত্নাকৰ গ্ৰন্থখনি ৰচনা কৰাৰ স্পৃহা আছিল।

ভাগৱত ভগৱন্ত কঙ্কয় মূৰ্তি। ভক্তিৰত্নাকৰ ভাগৱতৰ সাৰতত্ব ভক্তিৰত্নাকৰত কোৱা হৈছে।

"ধৰি আছে মন্ত্ৰে যিটো মূৰ্তি মাধৱৰ
তাত ব্যতিৰেকে মূৰ্তি নাহি ঈশ্বৰৰ।

মাধৱৰ মন্ত্ৰ মূৰ্তি মানে শব্দময় নাম। ঈশ্বৰৰ নাম জপৰ বাজে মূৰ্তি পূজা নাই। সকলো ধৰ্মৰ মূল আৰু সকলো পাপৰ প্ৰায়শ্চিত কেৱল হৰিনাম মাত্ৰ। মাধৱদেৱৰ নাম-ঘোষাতো কোৱা হৈছে যে ঈশ্বৰৰ মূৰ্তি নাই, ঈশ্বৰ ব্যক্ত ৰূপত নাই অব্যক্তৰীপতহে আছে, তেওঁ মূৰ্তিশূন্য; নামমূৰ্তিশূন্য; নাম মূৰ্তিতহে তেওঁ বিৰাজমান।-

"অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিবা তাঙ্ক
ব্যাপকত কিবা বিসৰ্জন।
এতাৱন্ত মূৰ্তিশূন্য কেনমতে চিন্তিবাহা

রাম বুলি শুদ্ধকৰামন।।” নামঘোষা।

ভক্তিৰত্নাকৰ মানে ভক্তিৰ আকৰ বা ভঁৰাল। ভক্তিৰ বিভিন্ন দিশ ভক্তিৰ মাহাত্ম্য, জীৱতৰণৰ উপায়, মেয়া জালৰ পৰা মুক্ত হোৱাৰ উপায় আদি ভক্তিতত্বৰ কথা ভক্তিৰত্নাকৰৰ প্ৰতিপাদ্য বিষয়। ইয়াত তেৰাই আঠত্ৰিশটা অধ্যায়হে অনুবাদ কৰে। অৱশ্যে-শঙ্কৰদেৱে বিশনং অধ্যায়লৈকে যে ৰচনা কৰিছিল তাতথকা ভনিতাৰ পৰা জনা যায়, পৰৱৰ্তী অধ্যায় কেইটিত শঙ্কৰদেৱৰ ভনিতাত উল্লেখ নথকাৰ বাবে তেৰাৰ ৰচনা হয়নে নহয়- জনা নাযায়।

উক্ত গ্ৰন্থত হৰিনাৰায়ন দতদেৱে সম্পাদনা কৰামতে অষ্টত্ৰিংশ অধ্যায়লৈকে আলোচনা কৰা হৈছে। ইতিমূৰ্বে আমি শঙ্কৰী সাহিত্যৰ আঁত ধৰি উপনিষদ, বৰগীত আৰু নাম-ঘোষাৰ তত্ব ৰহস্য; হৃদয় বৃন্দাবনত গীতাৰ প্ৰতিধ্বনি; আধ্যাত্মিক আৰু নৈতিক শিক্ষা; শ্ৰীকৃষ্ণ গীতা, প্ৰাচীন অসমীয়া অভিধান; কথা-কীৰ্ত্তন-ঘোষা; পাৰমাৰ্থিক তত্ব; ভাগৱতৰ কথাতত্ব। মৃত, গদ্যৰামায়ন আৰু শঙ্কৰীসাহিত্যৰ ওপৰত প্ৰায় তিনিশৰো অধিক প্ৰবন্ধ নাম-ধৰ্ম, মনিকাঞ্চন মুখপত্ৰ, স্মৃতিগ্ৰন্থ, স্মৰণিকা, আলোচনী, বাতৰি কাকতত প্ৰকাশ কৰি আহিছোঁ। উল্লিখিত গ্ৰন্থপ্ৰবন্ধবোৰে জিজ্ঞাসু পাঠকৰ সমাদৰ লাভ কৰি আহিছে আৰু এই গ্ৰন্থখনিয়েও সহৃদয় পাঠকৰ সমাদৰ পাব বুলি আশাকৰিলোঁ আৰু তাতেই আমাৰ কষ্ট লাঘব হ’ব বুলি শান্তি লভিছোঁ। এই গ্ৰন্থত বিষয় বস্তুৰ ব্যখ্যাত্মক আলোচনা কৰা হৈছে।

গ্ৰন্থত লিখনিৰ মাজত বৈ যোৱা ভুল ক্ৰটীৰ বাবে ক্ষমা বিচাৰিলো। পাঠক তথা ভক্তপিপাসু সুধীবৃন্দৰ প্ৰতি সেৱা জনাই কৰ্ত্তব্যৰ সামৰণি মাৰিলো।

জয় গুৰু শঙ্কৰ

শ্ৰীবিপিন চুতীয়া (লিখক)

ধন্যবাদ জ্ঞাপনঃ ধেমাজিৰ অগ্ৰণী প্ৰকাশন কিৰণ প্ৰকাশনৰ স্বতাধিকাৰী শ্ৰীমান নবকলিতাই আমাৰ কেইবাখনো গ্ৰন্থপ্ৰকাশ কৰি ৰাইজৰ মাজলে এৰি দিছে। এইবাৰো শ্ৰীমান কলিতাই কথাভক্তিৰত্নাকৰ শাস্ত্ৰ গ্ৰন্থখনি প্ৰকাশ কৰি উলিওৱা বাবে আমি শ্ৰী নব কলিতালৈ আমাৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তদুপৰি কিৰণ প্ৰকাশনৰ সমূহ কৰ্মকতাই অশেষ কষ্ট স্বীকাৰ কৰি গ্ৰন্থখনি যুগুত কৰাৰ বাবে শলাগৰ শৰাই আগবঢ়ালোঁ। ভগৱন্তৰ ওচৰত স্বত্যাধিকাৰী কলিতা আৰু কৰ্মীবৃন্দৰ মঙ্গলৰ বাবে প্ৰাৰ্থনা জনালো।

ধন্যবাদেৰে

শ্ৰী বিপিন চুতীয়া।

বিষয়-সূচী


| | |
|---|---|
| গ্ৰন্থৰম্ভ | শ্লোক, মঙ্গলচৰণ |
| প্ৰথম অধ্যায় বা মাহাত্ম্য | গুৰু সেৱা |
| দ্বিতীয় অধ্যায় | নৰ শৰীৰৰ মহিমা |
| তৃতীয় অধ্যায় | সাধুসঙ্গৰ মহত্ব |
| চতুৰ্ত অধ্যায় | সন্তৰ লক্ষন |
| পঞ্চম অধ্যায় | ঈশ্বৰ নিৰ্ণয় |
| ষষ্ঠ অধ্যায় | শ্ৰৱণ |
| সপ্তম অধ্যায় | হৰিকীৰ্ত্তন |
| অষ্টম অধ্যায় | স্মৰণ |
| নৱন অধ্যায় | আৰ্চ্চন-বন্দন |
| দশম অধ্যায় | ভক্তিযোগ |
| একাদশ অধ্যায় | উত্তমা ভকতি |
| দ্বাদশ অধ্যায় | অন্তৰঙ্গ ভক্তি |
| ত্ৰয়োদশ অধ্যায় | নিৰ্গুন ভকতি |
| চতুৰ্দৰ্শ অধ্যায় | সপ্ৰেম ভকতি |
| পঞ্চদশ অধ্যায় | সগুণ নিৰ্গুন ভেদ |
| ত্ৰযোড়শ অধ্যায় | উত্তম ভক্তৰ লক্ষণ |
| সপ্তদশ অধ্যায় | মধ্যম ভক্ত |
| অষ্টাদশ অধ্যায় | প্ৰাকৃত ভক্ত |
| উনবিংশ অধ্যায় | আচাৰ ভ্ৰষ্টভক্ত |
| বিংশ অধ্যায় | ভগৱন্ত ভক্তিৰ প্ৰাৰ্থনা |
| একবিংশ অধ্যায় | কলিৰ পৰম ধৰ্ম |
| দ্বাবিংশ অধ্যায় | জীৱ ঈশ্বৰৰ ভেদ |
| ত্ৰয়ো বিংশ অধ্যায় | হৰি ভক্তি হীনৰ নিন্দা |
| চৰ্তুবিংশ অধ্যায় | ভক্ত-দ্বেষীৰ গতি |
| পঞ্চ বিংশ অধ্যায় | ভক্তৰ অঙ্গ প্ৰশংসা |
| যড় বিংশ অধ্যায় | ভক্তৰ জন্ম-কৰ্মাদিৰ প্ৰশংসা |
| সপ্ত বিংশ অধ্যায় | হৰি- ভক্তি বিহীনৰ জন্ম-কৰ্ম নিন্দা |
| অষ্ট বিংশ অধ্যায় | বৃথা-বাক্য-কথনত দোষ |
| উনত্ৰিংশ অধ্যায় | অভক্তৰ অঙ্গ নিন্দা |
| ত্ৰিংশ অধ্যায় | প্ৰবৃত্তি-পথৰ নিন্দা |
| একত্ৰিংশ অধ্যায় | স্বৰ্গাদি সুখৰ নিন্দা |
| দ্বা-ত্ৰিংশ অধ্যায় | ভাৰতৰ প্ৰশংসা |
| ত্ৰয়োত্ৰিংশ অধ্যায় | প্ৰায়শ্চিততে নিন্দা |
| চতুত্ৰিংশ অধ্যায় | বৈৰাগ্য মাহাত্ম্য |
| পঞ্চ ত্ৰিংশ অধ্যায় | মায়া তৰণৰ উপায় |

| | |
|---|---|
| ষড় ত্ৰিংশ অধ্যায় | অধিকাৰী সমস্তৰ ভকতি যোগ |
| সপ্ত ত্ৰিংশ অধ্যায়্ | মদ্ভাগৱত মাহাত্ম্য |
| অষ্টত্ৰিংশ অধ্যায় | যম নিয়ম মহিমা |
| | (ক) শব্দাৰ্থ |
| | (খ) টোকা |


কথা ভক্তিৰত্নাকৰ

গ্ৰন্থাৰম্ভ

শ্লোক ঃ-

যন্নামধেয়েন ভবাব্ধিমঞ্জস্য তৰ্য্য সমুত্তীৰ্যা
পৰঃ পৰং পদম্।
প্ৰাপ্নোতি পাতক্যপি তং সনাতনঃ সদা
সদানন্দমুপাস্পমহে হৃদি
সমুদ্ধৃতং ভাগবতাভিদান
দুগ্ধাম্বুধে যন্নবনীত পিণ্ডম্।
শ্ৰী শঙ্গৰেনাচ্যুত কিঙ্কৰেন ভক্তা জুষধ্বং শিতয়া
সুধীৰাঃ।
সমস্ত শাস্ত্ৰ সংসাৰ মুদ্ধত্য বিদধেহধুনা।
ভক্তি ৰত্নাকেৰাখ্যাং তৎ সংগ্ৰহ ঃ শঙ্কৰ কিল”
হৰি ৰাম ৰাম ৰাম।”

নাম-ঘোষাত মাধৱদেৱে অনুবাদ কৰিছে- ২নং ঘোষাত-

“যাৰ ৰাম কৃষ্ণ নাম নাৱে ভব সিন্ধুতৰি
পাৱে পৰম্পদ পাপী যত।
সদানন্দ সনাতন হেনয় কৃষ্ণক সদা
উপাসা কৰোহো হৃদয়ত।।”

শ্লোকটোৰ ভাবাৰ্থ হৈছে- গ্ৰন্থৰচনাৰ প্ৰাৰম্ভণিতে গুৰুজনাই ভগৱন্ত নামৰ মাহাত্ম্য প্ৰকাশ কৰিছে। কৃষ্ণ আৰু ৰাম নাম ল'লে জীৱই ভব সমূদ্ৰ কৃষ্ণৰাম নামৰ নৌকাৰে অতিক্ৰম কৰিব পাৰে আৰু পাপীয়েও এই নাম নৌকাৰে পাপসাগৰ পাৰহৈ ভগবন্তক লাভ কৰি মুক্তিলাভ কৰে। আনন্দময় ভগবানক,সত্যৰূপী ভগৱন্তক নামেৰে উপাসনা কৰিলে, হৃদয়ত তেওঁৰ নাম স্মৰণ। কৰিলে মায়া-মোহৰ পৰা উদ্ধাৰ হ'ব পাৰি। মহাভাগৱত শাস্ত্ৰ দুগ্ধৰূপী জলেৰে ভৰা মহাসাগৰ এই দুগ্ধৰূপী নাম অমৃত পান কৰি জীৱই আনন্দময় ভগবানক লাভ কৰিব পাৰে। গুৰু জনাই এই মহাঅমৃত উদ্ধাৰ কৰি জীৱ-তৰনৰ পথ সুগম কৰিলে। ভাগৱত শাস্ত্ৰ সমস্ত শাস্ত্ৰৰ উদ্ধৃত তাৰ পৰা অমৃত কথা বুটলি আনি শঙ্কৰদেৱে ভক্তিৰত্নাকৰ ৰচনা কৰিলে। তাকে জানি কায়-মন-বাক্যে-হৰি ৰাম, হৰিৰাম, হৰিৰাম বোলা উচিত।

গ্ৰন্থাৰম্ভ (মঙ্গলাচৰণ)

দৈবকীনন্দন বাসুদেবৰ জয় হওক। জগতৰ জীৱনৰূপী পূৰ্ণব্ৰহ্মা সনাতনে মঙ্গলৰ বাবে নিজৰ কৰ্মৰ যোগেদি, লীলাৰ যোগেদি থকা-কীৰ্তি এৰি থৈ গ'ল। তেওঁৰ সেই লীলা অবতাৰৰ যশ-কীৰ্তি শ্ৰৱন-কীৰ্তন কৰি জীৱই বৈকুণ্ঠত স্থান পায়। সেই কৃষ্ণক নমস্কাৰ কৰোঁ, সেই গুৰুৰ চৰণত সেৱা জনাওঁ। গুৰুৰ কৃপাত হে জ্ঞান লাভ হয়। বিষ্ণু-ভকতক নমস্কাৰ কৰোঁ, তেৰাসবক স্মৰণ কৰি, সেৱাকৰি কৃষ্ণ-কথাৰ আৰম্ভনি কৰোঁ। সাধু-সন্ত জনকৰ, পূজনীয় সকলক, নমস্কাৰ জনাওঁ।

হে সুধীসকল মোৰ যোষ মৰিষণ কৰিবা, মই ক্ষুদ্ৰপক্ষী হৈ গৰুড়ৰ দৰে উৰিব বিচাৰিছোঁ, গুৰুৰ চৰণত ভাৰসা ৰাখিয়েই এনে মহৎ কৰ্মত হাত দিছো। গুৰুৰ অনুগ্ৰহৰ বিনে এনে কৰ্মসাধন হ'ব নোৱাৰে। মহাধৰ্মসেতু বান্ধিবলৈ হ'লে গুৰকৃপা অতীৱ প্ৰয়োজনীয়। কৃষ্ণই শ্ৰেষ্ঠ দেৱ, ভক্তি ৰত্নাকৰ লিখিবলৈ লোৱাৰ মূল কাৰণ জগতৰ ঈশ্বৰ কৃষ্ণৰ মাহাত্ম্য প্ৰচাৰ আৰু কৃষ্ণদ্বেষীৰ মত-নিচ্ছিন্ন কৰা। তাৰ বাবে ভাগৱত শাস্ত্ৰকেই লোৱা হ'ল; কাৰণ ভাগৱত শাস্ত্ৰ দুগ্ধ সাগৰ। ভাগৱত সাগৰ মন্থৰ কৰি তাৰ অমৃত উলিয়াই আৰু অন্যান্য শাস্ত্ৰৰ সাৰকাঢ়ি ভক্তিৰত্নাকৰ গ্ৰন্থ ৰচনা কৰা হ'ল-।

"গুৰু অনুগ্ৰহে সিদ্ধি হোৱয় সমস্ত।।
প্ৰথমতে কৰে গ্ৰন্থ কৰিবাৰ হেতু।
বান্ধিলা শঙ্কৰদেৱ তানে, নাম-ধৰ্মসেতু।।
কৃষ্ণি শ্ৰেষ্ঠদেৱ তানে, নাম ধৰ্ম সাৰ।
ইহাকে কৰিলা মাত্ৰ লোকত প্ৰচাৰ।।
কতো কতো লোকে তাত কৰয় বিবাদ।
কৰিবাক লাগি তান বচন উচ্ছাদ।।
ভাগৱত নামে দুগ্ধসাগৰ মথিলা।
তাহাৰ লবনুপিণ্ড সাৰ উদ্ধাৰিলা।।
আনো সন্ত শাস্ত্ৰয় পাইলন্ত যতেক।
তাহাৰ সাৰক আনি উদ্ধাৰি প্ৰত্যেক।।
কৰিলন্ত গ্ৰন্থ নামে ভক্তি ৰত্নাকৰ।
কৰিয়ো শ্ৰৱন আৰু বুদ্ধিমন্ত নৰ।" ভক্তি ৰত্নাকৰ ৰামচৰণ

গুৰুজনাৰ কি চমৎকাৰ আৰম্ভণি। মহাশাস্ত্ৰত, মহাপণ্ডিত হৈয়ো কোনো শাস্ত্ৰ ৰচনাৰ প্ৰাকমুহূৰ্তত নিজকে ইমান সৰু কৰিব পৰা মানসিকতা। শ্ৰীমন্ত শঙ্কৰদেৱে ভকতক বিশেষ গুৰুত্ব আৰোপ কৰিছে, ভকতকে তেৰাই গুৰুমানিছে শ্ৰেষ্ঠ ধৰ্ম, শ্ৰৱন-কীৰ্ত্তনকেই প্ৰধান ভক্তি হিচাবে তেৰাই স্বীকাৰ কৰিছে। ভাগৱত শাস্ত্ৰই-ভক্তিধৰ্ম কৰ্মত আদৰ্শ হিচাবে তেওঁ বাচি লৈছে।

কথা ভক্তিৰত্নাকৰ

প্ৰথম অধ্যায় বা মাহাত্ম্য

গুৰু-সেৱা

"গুৰু' মানে গধুৰ। গুৰু + ৰু = মিলি গুৰু হৈছে; 'গু' মানে অন্ধকাৰ আৰু 'ৰু' মানে পোহৰ। যি সত্তাই মন আৰু হৃদয়ৰ অন্ধকাৰ ৰূপী অজ্ঞনতা বা অবিদ্যাক দূৰ কৰি জ্ঞানৰ প্ৰদীপেৰে পোহৰ কৰে, সেয়ে গুৰু। গুৰু অৰ্থাৎ গধুৰ বস্তুৱে লঘুক ধৰিৰাখে, লঘু বস্তুক আকৰ্ষন কৰে। সৌৰজগতৰ সবাটোকৈ গধূৰ বস্তু সূৰ্য্য; সূৰ্য্যই সকলো বস্তু, গ্ৰহকে আকৰ্ষন কৰে বাবে সূৰ্য্যৰ চাৰিওফালে গ্ৰহবোৰ ঘূৰি থাকে। পৃথিবীয়েও লঘুবস্তুবোৰ পৃথিবী পৃষ্ঠলৈ আকৰ্ষিত হয় বাবে সকলো বস্তুৰ ওজন পৰিলক্ষিত হয়। বিশ্বব্ৰহ্মাণ্ডৰ আৰু সমস্তকোটি ব্ৰহ্মাণ্ডৰ ভিতৰতো সবাটোকৈ "গুৰু" তত্ব হৈছে পৰমেশ্বৰ। এই পৰমেশ্বৰতে সংহাৰকালত অনন্ত কোটি ব্ৰহ্মাণ্ড লয় হয়। সেইবাবে ঈশ্বৰ পৰমেষ্ঠী গুৰু। গুৰু তিনি প্ৰকাৰৰ-

নিজগুৰু- প্ৰত্যেকৰ শৰীৰত থকা পৰমাত্মা
পৰম গুৰু- পূৰ্ণ ব্ৰহ্মৰূপী ঈশ্বৰ কৃষ্ণ
আপোন গুৰু- শৰণ-ভজন-ভক্তি-পৰামৰ্শ দাতাজন।"

নিজ গুৰু আৰু পৰম গুৰুক এক কৰি আপোন গুৰুত দেখিব পাৰিলেই গুৰু-পৰিচয় হয়। এক ভগবানৰ তিনি শক্তি সৃষ্টি স্থিতি-প্ৰলয়ৰ অধিকাৰী ব্ৰহ্মা(ৰজত), শিৱ (সম), বিষ্ণু (সত্ব)- এক পৰমেষ্ঠী গুৰুৰ তিনিভাৱ-

"গুৰু ব্ৰহ্মা, গুৰু বিষ্ণু, গুৰু মহেশ্বৰ।
চৰাচৰ জগতৰ গুৰুসে ঈশ্বৰ।।"

অৰ্থাৎ দয়া ভাবত ব্ৰহ্মা, শুদ্ধভাবত বিষ্ণু আৰু বহ্নি ভাবত ৰূদ্ৰক বুজায়।

ভক্তি ৰত্নাকৰত গুৰু শ্ৰীমন্ত শঙ্কৰে গুৰুৰ প্ৰয়োজনীয়তা মাহাত্ম্য আৰু প্ৰকৃত গুৰুত্ব পৰিচয় দাঙি ধৰি গুৰু-সেৱা বিশ্বত আদ্বিতীয়। জীৱই গুৰুৰ যোগেদি পৰমাত্মাক চিনি জীৱনৰ চৰম লক্ষ্য মুক্তি লাভ কৰে। সেইবাবে গ্ৰন্থৰ আৰম্ভণি অধ্যায়তে মহাপুৰুষ জনাই গুৰু-সেৱা সন্নিবিষ্ট কৰিছে।

"নিবেদিলা গুৰু সেৱা গ্ৰন্থৰ আদ্যত।
লাগে গুৰু উপদেশ সকলো কাৰ্য্যত।।"

বিনাগুৰু চৰণে ভকতি ৰকতি মুকুতি কবহু নহয় অৰ্থাৎ গুৰু পদ-সেৱাৰ বাদে ভক্তি লাভ নহয়, বৈৰাগ্য নাহে, মুক্তি লাভ নহয়। সামান্য বিদ্যাআৰ্জন কৰিবলৈও গুৰুৰউপদেশৰ প্ৰয়োজন হয়। গুৰু সেৱা মহাধৰ্ম আৰু ইয়াক কেনেকৈ লাভ কৰিব পাৰি তাক তেৰাই ভাগৱতৰ কথা-বস্তুৰ পৰা উল্লেখ কৰিছে। দশম স্কন্ধৰ

বিপ্ৰদামোদৰ আখ্যানত কৃষ্ণই বিপ্ৰদামোদৰক কৈছে যে জগতত ভক্তিজ্ঞান-দাতা জন অতিশয় পূজনীয়। এইক্ষেত্ৰত তিনিজন গুৰুৰ কথা ব্যক্ত কৰিছে- আদ্যগুৰু, সন্ত-দ্বিজোত্তম আৰু ভক্তিদাতাজন।

সংসাৰত যাৰ পৰা জন্ম লাভ কৰা হয়, তেৱেঁ আদ্যগুৰু। পিতৃ-মাতৃ প্ৰথম গুৰু। মাতৃ ক্ষেত্ৰ আৰু পিতৃ ক্ষেত্ৰজ্ঞৰূপে পৰিগণিত। তেওঁলোকৰ পৰা সংসাৰ দেখা হয় আৰু তেওঁলোকৰ লালন-পালনত ডাঙৰ-দীঘল হোৱা যায়। সেইবাবে তেওঁলোক পূজনীয়। দ্বিতীয় গুৰু হৈছে-সন্ত-মহন্ত দ্বিজেত্তম, গুৰুৱন্ত, সদকৰ্মশালী, বেদজ্ঞ সকল। তেৰাসবে শুদ্ধধৰ্ম উপদেশ লোকক দানকৰে বাবে পূজনীয় গুৰু। তৃতীয় গুৰু হৈছে ভক্তি-গ্ৰন্থৰ উপদেশ দিয়াজন যাক ভক্তি-দাতা গুৰু বোলে হয়। এওঁলোক জগতৰে পূজ্য। ভক্তিদান কৰাৰ সমান মহান দান নাই। ভক্তিয়ে ধৰ্ম,অৰ্থ, কাম, মোক্ষ দান কৰাৰ বাবে ভক্তি অমূল্য সম্পদ নাই।

গুৰু সেৱা ধৰ্ময়ে সৰ্বশ্ৰেষ্ঠ তাক ঈশ্বৰে ব্যক্ত কৰিছে। গৃহাশ্ৰমী, ব্ৰহ্মচাৰী, বামপন্থী, যতিয়ে ধৰ্মানুসৰি যি শুদ্ধ পালন কৰে, সি বোৰত ভগৱানে সন্তোষ্টি প্ৰকাশ নকৰে, প্ৰকাশকৰে কেৱল গুৰু সেৱা ভক্তিতহে। গুৰু নিৰ্ণয়ক সম্বন্ধে গুৰুজনে কৈছে যে শাস্ত্ৰ সন্মত গুৰুহে আচল গুৰু। ভাগৱতৰ একাদশ স্কন্ধৰ তৃতীয় অধ্যায়ত ৰজাৰ আগত নবসিদ্ধৰ মাজৰ পৰা প্ৰবুদ্ধে গুৰু নিৰ্ণয়ৰ বিষয়ে কৈছে। উত্তম গুৰুত্ব পাৰত ভকতি কৰিলে দুৰ্ঘোৰ সংসাৰৰ দুৰ্গতিৰ পৰা ৰক্ষা পায়। উত্তম গুৰুৱে বেদৰ সমস্ত তত্ব জানে, ভকতিৰ বলত তেওঁ ব্ৰহ্মকো সাক্ষাত কৰাব পাৰে, এনে গুৰুৰ পৰাহে উপদেশ ল'ব লাগে।

"বেদৰ ৰহস্য-তত্ব সকলো জানয়।
ব্ৰহ্মকো ভকতি বলে সাক্ষাত কৰয়।।"

এনে গুৰুৰ পৰা কৃষ্ণত ভকতি সাধন হয়। শাস্ত্ৰ জানিলেই গুৰু হ'ব নোৱাৰে, তেনে শাস্ত্ৰত লোকে লোকত ভক্তি উপজাব নোৱাৰে তেওঁ ভকত হ'ব লাগিব। আকৌ ভকত হ'লেও যদি শাস্ত্ৰ নাজানে, তেতিয়াও উত্তম গুৰু হ'ব নোৱাৰে।

"শাস্ত্ৰক জানয় মাত্ৰ নুহিকে ভকত।
যদিবা ভকত হোৱে শাস্ত্ৰ নজানয়।।"

গতিকে শাস্ত্ৰজনা আৰু প্ৰকৃত ভকত হোৱা সকলহে উত্তম গুৰু বুলি বিবেচিত হয়। এনে উত্তম গুৰুৱেহে প্ৰকৃত ভক্তিদান কৰিব পাৰে আৰু তেনে উত্তম গুৰুৰ-পৰাহে ভক্তি-ধৰ্ম গ্ৰহণ কৰা উচিত। মনৰ সংশয় দূৰ কৰিব পৰা জনহে উত্তম ভকত।

মহাপুৰুষ মাধবদেৱে শঙ্কৰদেৱক উত্তম গুৰু আখ্যা দিছে; তেওঁ নাম-ঘোষাত লিখিছে-

"শঙ্কৰে সংশয় ছেদি শাস্ত্ৰৰ তত্বক ভেদি
প্ৰচাৰিলা কৃষ্ণৰ ভকতি
তাঙ্ক এৰি কি কাৰণে আনক বোলয় গুৰু
কিনো লোক মহামূঢ়মতি।।"

শিষ্যৰ মনৰ সংশয় দূৰ কৰিব নোৱাৰা জন গুৰু হ'ব নোৱাৰে। গতিকে মনৰ সকলো সংশয় দূৰ কৰিব পৰা, শাস্ত্ৰজ্ঞানত পণ্ডিত আৰু আচাৰযুক্ত প্ৰকৃত ভকত জনহে উত্তম গুৰু।

পঞ্চম স্কন্ধত ভৰতে ৰজা ৰহগণক কোৱা কথাৰ পৰাও গুৰু সেৱাৰ বিষয়ে জানিব পাৰি। মন পৰম দুৰ্জয় শত্ৰু। মনে আত্মা ঈশ্বৰক প্ৰবঞ্চনা কৰি আহিছে। গুৰুৰূপ-হৰিপদ সেৱাঅস্ত্ৰ ধৰি বৈৰীমনক দমন কৰিব লাগে। দুৰ্জ্জেয় মনে আত্মাৰ আদেশ নামানে। গুৰু সেৱা কৰিলে গুৰুৰ উপদেশত মন-শত্ৰুক সহজে দমন কৰিব পাৰি।

"বাঢ়ি আছে মন শত্ৰু পৰম দুৰ্জ্জয়।
আত্মা ঈশ্বৰক বঞ্চিলেক অতিশয়।।
গুৰুৰূপ হৰিপদ সেৱা অস্ত্ৰ ধৰি।
সাবধান হুয়া ছেদিয়োক মন-বৈৰী।।
গুৰু-সেবা বিনে আন যতেক উপায়।
দুৰ্জ্জয় মনক আৰ জিনন নাযায়।"

এই প্ৰসঙ্গতে সকলো গুৰুৰ গুনাৱলী, লক্ষণ আৰু মাহাত্ম্য আমি উপলব্ধি কৰিব লাগে। পিতৃ-মাতৃৰ দৰে অন্যান্য শ্ৰেষ্ঠ-জ্যেষ্ঠজনৰ প্ৰতিও শ্ৰদ্ধাভক্তি প্ৰদৰ্শন কৰিব লাগে। শিক্ষাগুৰুৱে জ্ঞানৰ চক্ষুমেল খুৱায় বাবে শিক্ষাগুৰুৰ প্ৰতি অগাধ ভক্তি থাকিব লাগে। দীক্ষা-গুৰুৱে মনৰ অজ্ঞান অন্ধকাৰ দূৰ কৰি জ্ঞানৰ উপদেশ দিয়ে বাবে তেখেতলোক পূজনীয়। ভক্তিজ্ঞান দাতা গুৰুৱে পৰম জ্ঞান দান কৰি জীৱক সংসাৰ তৰণৰ উপায় দানকৰে আৰু মোক্ষ প্ৰাপ্তিৰ সুগম পথ প্ৰদৰ্শন কৰোৱায় বাবে তেৰাসকল অধিক পূজনীয় আৰু সেৱাৰ যোগ্য। গুৰু আৰু ভগৱন্ত এক। ভগৱন্ত কৃষ্ণই মানৱ ৰূপত গুৰু হৈ আবিৰ্ভাব হয় আৰু জীৱক সংসাৰৰ মায়া-মোহৰ পৰা উদ্ধাৰ কৰি তেওঁৰ পৰম ধামলৈ লৈ যায়।

গুৰুৰ প্ৰতি শ্ৰদ্ধা ভক্তি-সেৱা থকা সকলে জ্ঞান-বিজ্ঞান ওদং-ৰহস্য উপলব্ধি কৰিবলৈও সমৰ্থ হয়। তেনেগুৰুত শৰণ-ভজন লৈ ভক্তি পৰমাৰ্থ লাভ কৰি মানবৰ পৰা ঈশ্বৰলৈ ৰূপান্তৰিত হয়। গুৰুসেৱা মানে ঈশ্বৰ-সেৱা,

পৰোক্ষ ভাবে মানৱ সেৱা, কলিযুগত আবিৰ্ভাৰ হোৱা গুৰু সকলৰ ভিতৰত শ্ৰীমন্ত শঙ্কৰদেব তেৰাৰ কৰ্ম আদৰ্শৰ দ্বাৰাই শ্ৰেষ্ঠতম গুৰু। তেৰাই প্ৰতিষ্ঠা কৰা একশৰণ হৰিনাম ধৰ্মৰ চাৰিবস্তুৰ ভিতৰত গুৰু প্ৰথম তত্ব। জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ একান্ত প্ৰপন্ন শিষ্য মাধবদেবে গুৰুসেৱাৰ যি আদৰ্শ জগতক জি গ'ল সি অদ্বিতীয়।

দ্বিতীয় অধ্যায় বা মাহাত্ম্য

নৰ-শৰীৰৰ মহিমা

নৰদেহৰ অমূল্যৰতন। সৃষ্টিত চাৰিবিধ প্ৰাণীৰ ভিতৰত ভ্ৰমণ জীবই শ্ৰেষ্ঠ। ভ্ৰমণৰ ভিতৰত মানুহ সৰ্বশ্ৰেষ্ঠ। আঠাইশ টি তত্বেৰে মানব দেহসম্পন্ন হৈছে পঞ্চমহাভূত, পঞ্চতমাত্ৰ, একাদশ ইন্দ্ৰিয়, বুদ্ধি অহঙ্কাৰ, চিত্ত, তিনিগুণ আৰু জীৱাত্মা। দেহত সন্মুখৰ ফালে দুইনাসিকাৰন্ধ্ৰ, দুই চক্ষু, দুইকৰ্ণ ,মুখবিশ্বৰ সাতখন দুৱাৰ আৰু মূত্ৰদ্বাৰ আৰু পাচফালে গুহ্যদ্বাৰ ধৰি মুঠ নবখানি দ্বাৰ আছে। নবদ্বাৰযুক্ত পুৰী বা নগৰ খনৰ ভিতৰত পবিত্ৰ অপবিত্ৰ বস্তুৰে বহুতো আছে। মল মূত্ৰ পূঁজ, দুৰ্গন্ধ, থু-খেকাৰ আদি বস্তুৰে দেহ পূৰ্ণ। সূক্ষ্ম-স্থুল আৰু কাৰণ দেহযুক্ত শৰীৰৰ সাতটা আবৰণ আছে, ছাল, মাংস, তেজ, মেদ, হাড়, মজ্জা আৰু শুক্ৰ। মনেবদেবৰ সবাটৌকৈ শ্ৰেষ্ঠসত্বা হৈছে বুদ্ধি বা বিবেক। চৈতন্যশক্তিয়েই আত্মাৰূপে প্ৰবিষ্ট হৈ দেহক ইন্দ্ৰিয়ৰ যোগে চলাইছে। বিষ্ণুপুৰাণৰ মতে চৌৰাশীলাখ বাৰ যোনিত জন্ম গ্ৰহণ কৰি মনিষী জনম লাভ কৰে। উদ্ভিদ, কৃমি-পোক, পেলু, জলজপ্ৰাণী, খেচৰ প্ৰাণী, জন্তু, বান্দৰ আদি জন্মলোৱাৰ পাচত হে মানুহ জন্ম লাভ হয়।

"কত তপসাই নৰতনু পায়" ধন্য ধন্য কালিকাল

ধন্য নৰতনু ভাল; ধন্য ধন্য ভাৰত সমৃদ্ধ ভাৰতত জন্ম পোৱাটো পৰম ভাগ্য, কলিযুগত মানবী জনম পোৱাটো অতি সৌভাগ্যৰ কথা। মহাপুৰুষ জনাই মানবীতনুৰ মহিমা ৰত্নাকৰত বৰ্ণনা কৰিছে। মানব শৰীৰ ভগবানৰ পৰম দান। ঈশ্বৰে সুন্দৰ মানব দেহ সৃষ্টি কৰি তাতে আত্মা ৰূপে আহি বসতি কৰিছে আৰু মানব দেহত থাকি দেহৰ বৈভব বঢ়াই আনন্দ দান কৰিছে।

হৰিভক্তিৰ বাবে মনুষ্যশৰীৰহে উপযুক্ত। মনুষ্য শৰীৰে হৰি ভক্তি কৰি তৰি যাব পাৰে। মনুষ্যৰ জীৱন পাবলৈ দেবগণেও বাঞ্ছা কৰে। কৃষ্ণ-সেৱা কৰি মনুষ্যই পৰম পুৰুষাৰ্থ লাভ কৰে। ভাগৱতৰ একাদশ স্বন্ধত ঈশ্বৰ কৃষ্ণই ভক্ত উদ্ধবক মনুষ্য শৰীৰৰ মাহাত্ম্যৰ বিষয়ে ব্যাখ্যা কৰিছে। কৃষ্ণই কৈছে-

"পৰম দুল্লভ নৰতনু নৌকা
সুলভে পায়া আছয়।
পৰম উত্তম গুৰ ভৈলা আত
সুজান দৃঢ় কাণ্ডাৰ
স্বৰূপতে অনুকুল বায়ু হুয়া
কৰো সংসাৰৰ পাৰ।"

জগতৰ মনুষ্যগণে সংসাৰ সাগৰ পাৰ হ'ব লাগিব। এই সিন্ধু অতিক্ৰম কৰিবৰ কাৰণে কৃষ্ণ নৌকাত আৰোহন কৰিব লাগিব। অথাই সাগৰ পাৰ হ'বৰ কাৰণে কৃষ্ণই মানুহক এটি পূৰ্ণপৰ্য্যায়ৰ শৰীৰ দান কৰিছে আৰু কৃষ্ণই নিজেই নৌকাৰূপী হৈ নৰ-যাত্ৰীক আহবান জনাইছে তেওঁৰ নৌকাত উঠিবলৈ। এইনাও চলাবলৈ সুনিপুন কাণ্ডাৰীৰ প্ৰয়োজন বাবে গুৰুক কাণ্ডাৰী কৰিছে। গুৰুৱে নাৱৰ গুৰিত বহি গুৰি বঠা ধৰি মনুষ্য জীৱনধাৰী যাত্ৰীক ভব সাঘৰ পাৰ কৰি নিব; কৃষ্ণই অনুকুল বায়ু হৈ নাও গন্তব্যস্থানলৈ লৈ যায়। অৰ্থাৎ গুৰু আশ্ৰয় লৈ কৃষ্ণক হৃদয়ত লৈ নৰই জীৱন বাটত বাট বুলিব লাগে, তেহে মুক্তি লাভ কৰিব। সংসাৰ তৰণৰ এনে সহজ উপায় থাকোতেও আত্মঘাতী হোৱা জন জীৱন্ততে মৰা।

নবম অধ্যায়ত যদুৰাজাক দতাত্ৰেয়ই কৈছিল-যে অনেক জন্মৰ পাচতহে নৰজন্ম লাভ হয়; তথাপি নৰই পুৰুষাৰ্থ সাধন নকৰি মূল্যবান মানবীজনম বৃথাই নিয়ায়। বিষয়ৰ সুখ লওঁতে লওঁতে মোক্ষ সুখৰ প্ৰতি পিঠি দিয়ে। পশু-পক্ষীৰ জীৱনতো বিষয় সুখ পোৱা যায়; কিন্তু এনে জীৱনত মোক্ষ সুখ কোনো পধ্যে লাভ নহয়। বিংশতি অধ্যায়ত কৃষ্ণই কৈছে

"জ্ঞান-ভক্তি দুইকো সাধয় নিমিত্তে
প্ৰশংসত বাৰম্বাৰ।

জ্ঞান আৰু ভক্তি মানব জীৱনৰ তৰণৰ প্ৰশস্ত উপায়। কৃষ্ণই এই দুইকে প্ৰশংসা কৰে। শ্ৰেষ্ঠ নৰতনু দেবৰো দুল্লভ, পুনৰ মানবী জনম পোৱা অসম্ভবো হ'ব পাৰে; গতিকে ইহ জীবনতে হৰি সেৱা কৰি মুক্তি লাভ কৰা উচিত। মানবী তনু লাভ কৰিয়ো হৰিক নভজাৰ বাবে নানা দুখ-যন্ত্ৰনা ভোগ কৰি জীৱই তাৰতত নৰৰূপে জন্মলৈ কেতিয়াৰৈ হৰিসেৱা কৰিবলৈ পায়, তাকে বাঞ্ছাকৰে। নাৰকীয়ে মনুষ্যদেহ পাবলৈ হাবিয়াস কৰাৰ দৰে স্বৰ্গবাসীয়েও ভাবে যে নৰদেহা বিনে জ্ঞানভক্তি লাভ কৰিবলৈ পোৱা টান। ঈশ্বৰে কৈছে যে ভকতৰ সঙ্গত ভগবানৰ গুণ-গান কৰি তেওঁক পাব পাৰে।

দশম স্কন্ধত মুচুকুন্দই কৃষ্ণৰ আগত কৈছিল যে শূকৰাদি জন্মতো

বিষয়ৰ সুখ পোৱা যায়, কিন্তু নৰদোহাত হে কৃষ্ণৰ চৰণ সেৱা কৰাৰ সুবিধা আহে। মন্দমতি সকলে গৃহ-অন্ধকূপত পৰি অধোগতি কৰে। তৃণৰ আশাত পশুৱে গাঁতত পৰি আধামৰা হোৱাৰ দৰে মন্দমতিলোকে বিষয়ৰ সুখ বিচাৰি দুখৰ উপৰি দুখ ভোগ কৰে। সপ্তম অধ্যায়ত একাদশ স্কন্ধ মেলাদুৱাৰ যদিহে ভাৰতত নৰজন্ম লোৱা হয়। ভাৰ্য্যা পুত্ৰত আসকত্তি কৰি মুকুতিৰ খোলা প্ৰবেশ কৰিব নোৱাৰে।

নৰসিংহ পুৰাণত যমৰজাই কৈছিল-"নাৰকী সকলৰ দুখ দেখি মই বৰ দুখ পাইছো, কিয়নো পৰম শোভন এইনৰ দেহা পুন্যবলে পাইয়ো ইন্দ্ৰিয়ৰ সুখৰ বাবে নানা কৰ্ম কৰি জীবন বৃথায়ে নিলে। মুক্তিৰ পথ কৃষ্ণ পদ সেৱা, কিন্তু ছাইৰ বাবে মলয়া চন্দনকো তেওঁলোকে ত্যাগ কৰিলে।" দেবদণে প্ৰমত্ত নৰগণক নিন্দা কৰিছে পঞ্চম স্কন্ধত

"জ্ঞান-ইন্দ্ৰি-কৰ্ম ইন্দ্ৰি মহাভূত
সহিতে অতি সম্পূৰ্ণ।
হেন নৰ-দেহ ভাৰত ভূমিত
পায়া সুখে যিটো জন।।

অৰ্থাৎ নৰ-শৰীৰ ইন্দ্ৰিয় মহাভূতেৰে গঠিত বিবেক বা বুদ্ধিয়ে দেহত থাকি জ্ঞান অৰ্জ্জন কৰাব পাৰে। জ্ঞানৰ দ্বাৰা' ইন্দ্ৰিয় গণক সু-কৰ্মত ৰতকৰাব পাৰিলে মুক্তিলাভ কৰাৰ বাবে অতি সুবিধাজনক। পিঞ্জৰাবদ্ধ-পক্ষীয়ে মুক্ত জীবন লাভ কৰি আৰু ব্যাধৰ হাতৰ পৰা এৰাই আহি পুনৰ বৃক্ষত পৰি ব্যাধৰ প্ৰৰোচনাত পৰাৰ দৰে সংসাৰীজনো সংসাৰতে কামোৰ মাৰি থাকে।

নাৰদী পুৰাণত নাৰদে কৈছে-যে ভাৰতত নৰ-শৰীৰ লাভ কৰি কেশবক নুসুমৰূ জন মুৰ্খ। ষষ্ঠস্কন্ধত ষোড়শ অধ্যায়ত অবন্ত ঈশ্বৰে চিত্ৰকেতুৰ আগত কৈছে- নৰ দেহাৰ বাহিৰে অন্যদেহৰ বিষয়ৰ ভোগ অবাধে চলে কিন্তু নৰ দেহাত হে কৃষ্ণ-সেৱা কৰি মহাফল পোৱা হয়। মনুষ্য দেহত হে জ্ঞান-বিজ্ঞান লাভ হয়।

গতিকে সকলো তত্ব- উপলব্ধি কৰি ভাৰতত, কলিযুগত নৰতনু লাভ কৰি কৃষ্ণ -সেৱা ৰসত আপ্লুত হৈ মুক্তি লাভ কৰা উচিত। গুৰু জনে কৈছে যে কৃষ্ণত একশৰণ হৈ ভজিব লাগে। তেৰাই কৈছে-

"নৰদেহা পায়া কৃষ্ণ চৰণত
পশিয়া এক-শৰণ।
নভজয় যিটো নিন্দিত সেহিটো
জানা আক সৰ্বজন।।
এতেকে পৰম যতন কৰিয়া
ভজিয়ো কৃষ্ণ-চৰণ।
তেজি আন আশ লৈয়ো যত্নকৰি
সাধুসঙ্গ অবিশ্ৰম।
গুচিবে দুৰ্গতি লভিবা মুকুতি
বোলা সদা ৰাম ৰাম।।

× × ×

**কথা ভক্তিৰত্নাকৰ**

**তৃতীয় অধ্যায় বা মাহাত্ম্য**

সাধু-সঙ্গৰ মহত্ব

সংসাৰ এজোপা বিষময়, বৃক্ষ; ইয়াৰ অবশ্যে দুটা অমৃতময় ফল ধৰে এটি ৰসাস্বাদ কাব্যামৃত আৰ্থাৎ তত্ব-শাস্ত্ৰ আৰু আনটি সাধু সন্ত-মহন্ত অৰ্থাৎ ভক্তৰ লগত আলাপ-আলোচনা -

"সংসাৰ বিষ বৃক্ষস্য দ্বেফলে অমৃতোপমে।
ৰসাস্বাদ কাব্যামৃতং আলাপে সুজ্জনৈসহ।।"

ভক্তিশাস্ত্ৰ আৰু ভকত মানব জীবনৰ অপৰিহায্য আলম্বন। ভক্তি মুক্তিৰ আহিলা আৰু ভক্তি ভকতৰ সঙ্গত উপজে। ভক্তি ৰত্নাকৰত সেয়ে ভকতৰ সঙ্গ-লাভৰ মাহাত্ম্য প্ৰকাশ পাইছে। গুৰুজনে এই সম্পৰ্কত ভাগৱতৰ পৰা যুক্তি প্ৰদৰ্শন কৰিছে-।

প্ৰথম স্কন্ধত, নৈমিষ্যাৰণ্যৰ শৌনকাদি মুনিসমস্তৰ আগত শুকমুনিয়ে কৈছে -

"ইহাতেসে আমাৰ মিলিল মহাভাগ।
তুমিহেন মহন্তক পাইলো ভাগ্যে লাগে।।
মত স্বৰ্গ সুখমানে মোক্ষ সুখ মূল।
ভকতৰ সঙ্গৰ অল্পকো নাহি তুল।।"

মহন্তৰ সঙ্গলাভ, ভকতৰ সঙ্গলাভ সকলো সুখ-শান্তি-মুক্তিলাভৰ মূল। বিদুৰে মৈত্ৰেয়ক লগ পাই কৈছিল- "কৃষ্ণক পাইব পন্থযতেক মহন্ত..." মহন্ত মৈত্ৰেয়ৰ পৰা বিদুৰে ভগৱন্ত কৃষ্ণক পোৱাৰ পৰম পথ লাভ কৰি কৃত্যকৃত্য হৈছিল।

তৃতীয় স্কন্ধৰ সপ্তম অধ্যায়ত ভগবান কপিলে মাতৃ দেবহুতিক কৈছিল আৰু পঁচিশ অধ্যায়তো কপিনে মাতৃক ভক্তিতত্বৰ সম্পকৰ্ত ভক্তৰ মহত্ব প্ৰকাশ কৰিছিল -

"ভকতৰ সঙ্গত হে মোৰ কথা ব্যক্ত হয়। ভকতৰ সঙ্গত মোৰ কথা ক'লে কৰ্ণৰ তৃপ্তিলাভ হয়।

"মায়া-নিবৃত্তিৰ পন্থ যিটো মই হৰি।
প্ৰথমতে শ্ৰদ্ধামোত দিলে শীঘ্ৰ কৰি।।
অনন্তৰে হোৱে ৰতি ভকতি আমাত।"
সদায় হোৱয় যেবে সঙ্গ ভকতৰ।
তাকেসে বুলিয়ো মহালাভ শ্ৰেষ্ঠতৰ।।"

'মহালাভ' আৰু 'শ্ৰেষ্ঠতৰ লাভ' দুয়োটাই ভকতৰ সঙ্গত হে হয়। গুৰুজনে লিখিছে "মহন্তৰ মুখে কথা শুনা প্ৰথমত, তেবেসে পুৰুষ (জীৱই) পায় ভকতিৰ তত্ব।" কথা শুনিলেহে গুচে মনৰ সংশয়, কৃষ্ণৰ সেৱাত ৰতি তেবেসে হোৱয়।"

চতুৰ্থস্কন্ধৰ নবম স্কন্ধত ধ্ৰুৱই ভগবন্তৰ আগত ব্যক্ত কৰিছিল যে যি সকল পৰম নিৰ্মল, একান্ত ভকতে ঈশ্বৰক ভকতি কৰে, তেনেন ভকতক ধ্ৰুৱই বিচাৰে। ভগবানে তেওঁক কৈছিল - 'হে ধ্ৰুৱ, তুমি যে মুক্তি নিবিচৰা তাক মই জানো, তুমি সদায় ভকত সঙ্গত থাকি, মোৰ কথামৃতত আপ্লুত হৈ থাকিবা।" ধ্ৰুৱয়ো কলে -

"সদায় থাকিয়া তযু ভক্তৰ সঙ্গত
তযু কথামৃত পান কৰিবো সতত।।
হৈবো মহামত্ত কথামৃত পান কৰি।
পাইবো পাৰ সুখে ভৱ সংসাৰক তৰি।।"

ভগৱানৰ কথা-ৰস ভকতৰ সঙ্গত পান কৰি আত্মহাৰা হৈ সংসাৰ-সাগৰ পাৰ হোৱাৰ আশা মহামহন্ত ধ্ৰুৱয়ো কৰিছে। ভগৱানক ভক্তিৰে তুষ্ট কৰি ধ্ৰুৱই সংসাৰ বৈভবকো তেওঁ তুচ্ছ জ্ঞান কৰি, মুক্তিকো হেয় প্ৰতিপন্ন কৰি কেৱল ভকতৰ সঙ্গত ভগৱন্তৰ অমৃতময় আলাপ হে তেওঁ বিচাৰিছে। মাতৃ সুনীতি ধ্ৰুৱৰ প্ৰথম সৎসঙ্গ। সেইবাবেই তেওঁ পঞ্চবৰিষতে মাতৃৰ মৰমৰ দৰিয়লিৰ পৰা আতৰি গৈ ভক্ত নাৰদৰ সৎসঙ্গ লাভ কৰিলে আৰু নাৰদৰ সান্নিধ্যত ভগৱানক লাভ কৰে।

পৰম বিষ্ণুভক্ত শিৱয়ো শ্ৰীহৰিক নতশিৰে ভক্তি কৰিছিল আৰু তেওঁ সৎ সঙ্গৰ মহিমাক ভূয়সী প্ৰশংসা কৰিছে। ছয় উৰ্মিয়ে মানুহক জ্বলা-কলা কৰে। ক্ষুধা-তৃষ্ণা, জন্ম-মৃত্যু,শোক- ভয়ৰ ভিতৰত ভয়েই সবাটোকৈ ক্ৰিয়া কৰে। সংসাৰ ভয়দূৰ নহ'লে ভক্তিলাভ নহয়। মোক্ষ-লাভতকৈয়ো সৎসঙ্গলাভ বহু উচ্চত। মহন্তৰ সঙ্গ স্বৰ্গসুখৰ তুলনাত অতিউচ্চ। ৰাজপদ, সন্মান-গৌৰব আদি পাৰ্থিব আনন্দই মোক্ষ সুখৰ ওচৰত তেনেই নগন্য। মোক্ষসুখ সৎসঙ্গত হে লাভ হয় বাবে ভকতৰ সঙ্গ লবলৈ মহেশ্বৰে আহবান জনাইছে।

পঞ্চম স্কন্ধত, ভবাতবী বৰ্ণনাৰ অন্তত ৰজা ৰহুগণে জড়ভৰতক কোৱা কথাত ব্যক্ত হৈছে সাধু-সঙ্গৰ মহিমা। ৰহুগণে জড়ভৰতক চিনি নাপাই দোলা বহন কৰাই উঠি গৈছিল। পাচত তেওঁ জড়ভৰতৰ আত্ম-তত্ব কথা শুনি জড়ভৰতৰ ভৰিত পৰি কৈছিল -

বোলেন্ত তোমাৰ পাদ-পদ্ম ৰেণু চয়।
যিটোজনে শ্ৰদ্ধায়ে সততে উপসিয়।।
হোৱে তাৰ নিঃশেষ পাতকচয় যত।
অব্যভিচাৰিনী ভক্তি হোৱয় কৃষ্ণত।।

ৰহুগণে কৈছে - "তেমাৰ লগত অকণমান আলাপ কৰিয়েই মই মহা জ্ঞান লাভ কৰিলো, মোৰ মনৰ অজ্ঞানতা দূৰ হ'ল, মহন্তৰ সঙ্গ লাভৰ মহিমা বুজি পালো।" দশম স্কন্ধত অক্ৰূৰৰ াগত কৃষ্ণই কৈছে -

"জলময় শিলাময় তীৰ্থ যত দেব।"
"তথাপিতো সাধু সবে শ্ৰেষ্ঠ আতিশয়।"

তীৰ্থ আৰু দেবে চিৰকাল পবিত্ৰ কৰিব পাৰে, কিন্তু সাধুক দৰ্শন মাত্ৰে শুদ্ধ হ'ব পৰা যায়।

একাদশ স্কন্ধত মাধবে কৈছিল যে যাৰ মন আকাশত সন্ত-সূৰ্য্যৰ উদয় হয়, তাৰ হৃদয়-মনত জ্ঞান আদি চক্ষু মেল খায়। জ্ঞান বিনা একে চক্ষুৰে কেৱল ঘট-পট আদি বস্তুক হে দেখে। জ্ঞান হ'লে সেই একে চক্ষুৰে ঘট-পট আদিৰ কাৰ্য্য-কাৰণৰ-মূল ভগৱন্তক দেখিবলৈ সমৰ্থ হয়। কৃষ্ণই কৈছে - "সন্তে আত্মা, সন্তে মই ঈশ্বৰ মাধব" অৰ্থাৎ সাধুৱেই আত্মাস্বৰূপ, সাধুৱেই ঈশ্বৰস্বৰূপ।

"অতি দুখিতৰ যেন মইসে শৰণ।
যেন পৰলোকত ধৰ্মেসে মাত্ৰ ধন।।
সংসাৰত হন্তে ভয় ভৈলা যিটো জন।
সেহিমতে সন্ত মাত্ৰ তাহাৰ জীৱন ।।"

দুখিতৰ বাবে কৃষ্ণত শৰণ, পৰলোকৰ বাবে ধৰ্মই ধন, সংসাৰ ভয় দূৰ কৰাৰ বাবে সন্তই জীৱন। একাদশ স্কন্ধৰ দ্বাদশ অধ্যায়ত কৃষ্ণই উদ্ধবক কৈছে যে

সংসাৰত সৎসঙ্গৰ সমান অন্য কোনো ধৰ্ম নাই।

"যোগ সাংখ্য যাগ ত্যাগ তপতীৰ্থ স্নান।
নিয়ম সংযম ব্ৰত জপ যজ্ঞ দান।।
অগ্নি হোত্ৰ আদি কৰি আম ধৰ্ম যত।
নকৰে সিমত মোক বশ্য স্বৰূপত।।
সাধুসঙ্গ আমাক যিমতে কৰে বশ্য।।"

"তপ,জপ,যোগ-যজ্ঞ ,তপ, হোমদিয়ে মোক সিমান বশ নকৰে, যিমান বশ কৰে সৎসঙ্গই"। বৈষ্ণবৰ দৰ্শনে পাপীকো উদ্ধাৰ কৰে। গতিকে সাধুক সম্ভষিণ কৰা, সাধুসবৰ সমাহিত উপদেশ পালন কৰা,মহান কৰ্ম। বুদ্ধিমন্ত জনে সাধুৰ সঙ্গৰ বিনা আন নিবিচাৰে।

০০০

**কথা ভক্তিৰত্নাকৰ**

**চতুৰ্থ অধ্যায় বা মাহাত্ম্য**

সন্তৰ লক্ষণ

সন্ত-মহন্ত-সাধু-ভকত- একে ধৰ্মী লোক। ভক্তিৰ বাবে সাধু ভকতৰ সান্নিধ্যৰ প্ৰয়োজন। সন্তক চিনিবৰ কাৰণে কিছুমান বিশেষ লক্ষণ আছে। সন্ত, ভক্ত আৰু সাধু একে হ'লেও তিনিওৰে মাজত লক্ষণৰ কিছু তাৰতম্য আছে। সন্তৰ লক্ষণ আঠাইশটা, উত্তম ভকতৰ লক্ষণ তিনিটা আৰু সাধুৰ লক্ষণ ছটা। তেৰাসবৰ প্ৰকৃত লক্ষণ বোৰ জানিলেহে তেৰা সবৰ লগত সান্নিধ্য-ৰক্ষা কৰিবলৈ সুবিধা হয়।

একাদশ স্কন্ধৰ এঘাৰ অধ্যায়ত কৃষ্ণদেৱে ব্যক্ত কৰিছে প্ৰথমে সন্তৰ লক্ষণ সমূহ-

১। তেওঁলোকে প্ৰাণীৰ দুঃখ সহিব নোৱাৰে। প্ৰাণীৰ প্ৰতি সন্তৰ প্ৰেম অপাৰ।

২। শক্তি অনুসৰি তেৰাসবে সকলো প্ৰাণীকে উপকাৰ কৰে। পৰোপকাৰ, প্ৰাণী-উপকাৰ তেৰাসবৰ প্ৰধান কৰ্তব্য।

৩। তেওঁলোক ক্ষমাশীল। ক্ষমা তেওঁলোকৰ অলঙ্কাৰ স্বৰূপ।

৪। নিৰ্মাল মন সন্তৰ চিৰসহচৰ, নিৰ্মল হৃদয়ে সকলোকে দেখে।

৫। কাৰো প্ৰতি অসূয়া নাথাকে; সকলোকে প্ৰীতি কৰে।

৬। কোনো প্ৰাণীৰে দ্ৰোহ আচৰণ নকৰে। সকলোৰে প্ৰতি সাম্যভাব থাকে।

৭। চিত্ত সদাসৰ্বদা কোমল। চিত্তৰ কঠিনতা নাথাকে।

৮। তেওঁলোক বিকাৰ-শূণ্য। তেওঁলোকৰ মনত কোনো মলি নাথাকে।

৯। সদাচাৰ সদায় মানি চলে আৰু লোকাচাৰ, অন্ধসংস্কাৰ তেৰা সবৰ পৰিত্যজ্য।

১০। অধৰ্মৰ প্ৰতি তেওঁলোক সদাজাগ্ৰত। ধৰ্মহে জীৱনৰ লক্ষ্য।

১১। সুখ-দুখ দয়োটাৰ প্ৰতি তেওঁলোক সাম্য। সুখতো আনন্দ নকৰে, দুখতো বেজাৰ নকৰে।

১২। কামে তেৰাসবক লালায়িত নকৰে, তেওঁলোক কামনা মুক্ত।

১৩। সত্যই তেওঁলোকৰ পৰম বল। সত্যত অতল হৈ থাকে।

১৪। লোক-চেষ্টাৰ প্ৰতি বীতশ্ৰদ্ধ।

১৫। অল্প আহাৰ ভক্ষণ তেৰাসবৰ অভ্যাস।

১৬। বস্তু-পৰিগ্ৰহ সন্তৰ পৰিপন্থী, সম্পতি সংৰক্ষণ ত্যাগ কৰে।

১৭। কেৱল কৃষ্ণকে আশ্ৰয় কৰি থাকে। এক ঈশ্বৰত একান্ত বিশ্বাস।

১৮। নিজে কাহানিও সন্মান নিবিচাৰে, আনক হে সন্মান কৰে।

১৯। আপদ কালত হৃদয়ত কৃপন ভাব নাৰাখে, বিপদত ধৈৰ্য্যচ্যুৎত নহয়।

২০। শোক-ভয়, ক্ষুধা-তৃষ্ণা আদি ছয়উৰ্মিক জয় কৰি থাকে।

২১। তেওঁলোক পৰম সহনশীল, সহ্যই তেওঁলোকৰ স্বভাব।

২২। জ্ঞানবন্ত তেওঁলোক। জ্ঞানৰ দ্বাৰাহে সকলো বিচাৰ কৰে।

২৩। কৰুণাৰ তেওঁলোকৰ হৃদয় ভৰপূৰ।

২৪। বস্তুৰ প্ৰতি তেওঁলোক লোভহীন। ঐশ্বৰ্য্য বিভূতিয়ে টলাব নোৱাৰে।

২৫। কেৱল কৰুণাতে তেওঁলোকে প্ৰবৰ্তন কৰে; দয়াৰে হৃদয় ভৰা।

২৬। আনক কেতিয়াও বঞ্চনা নকৰে, প্ৰতাৰণা নকৰে।

২৭। বেদত ভগবান-নিহিত থাকে; বেদব্যৱহাৰ আচৰিলে গুণ, নাচৰিলে দোষ তাক বিচাৰ কৰি সন্তসকলে চলে।

২৮। ভকতিত হে দৃঢ় বিশ্বাস ৰাখি তেৰাসবে ভক্তিধৰ্মেৰে কৃষ্ণক ভজে।

এই আঠাইশ লক্ষণ যুক্ত সন্তসকলহে ঈশ্বৰৰ বৈভৱ।

উত্তম ভকতৰ লক্ষণ- অন্তৰ্য্যামী ভগৱন্ত সমস্ত প্ৰাণীতে বিৰাজমান। সকলো দেশ, সকলো কালতে তেওঁৰ একেৰূপ, দেশ-কালভেদে তেওঁৰ বেলেগ ৰূপ নাই ( পৰিছিন্ন)।। চিদানন্দ ঘনৰূপত তেওঁ বিৰাজি আছে- ভগবানক এনেদৰে জনাজনেই উত্তম ভক্ত। যি জনে অব্যভিচাৰী ভক্তিখে ভগৱন্তক ভজে, তেওঁ প্ৰকৃত ভক্ত। গতিকে ঈশ্বৰেই কেৱল সকলোৰে অন্তৰ্য্যামী, সমস্ত জগতত আৰু সমস্ত কালত হৃদয়ত ভগৱন্তৰ স্থিতি আৰু ভগৱন্তত অব্যভিচাৰী ভকতি থকা জনেই উত্তম ভকত।

সন্ত আৰু ভকতৰ লক্ষণৰ উপৰিও সাধুৰ ছটি লক্ষণ আছে -

১। পুৰানন্তত সাধুৰ লক্ষণ বৰ্ণিত হৈছে যে যি সকলে ৰাম, কৃষ্ণ, হৰি, অনন্ত, মুৰাৰি, জগন্নাথ, নাৰায়ণ, যাদব, মুকুন্দ, গোপাল, গোবিন্দ, বাসুদেব আৰু জনাৰ্দন- ভগৱন্তৰ এই ত্ৰয়োদশ নাম অহৰ্নিশে লয়- তেওঁলোক সাধু।

২। গীতাত কৃষ্ণই অৰ্জুনৰ আগত কোৱা কথা এই যে কৃষ্ণনাম ল'লে পৰম মঙ্গল সাধন হয়। যিজনে কৃষ্ণনাম কেতিয়াও নেৰে, তেওঁ সাধু।

৩। কৃষ্ণই কৈছে 'যি জনে মোৰ ভকতৰ লগত আলাপ কৰি থাকে তেওঁ মোৰ পৰম ভকত। এনেজন প্ৰকৃত সাধুলোক।

৪। মোৰ ভকতক যি জনে সদায়ে ভক্তিকৰে; শ্ৰদ্ধা কৰে তেওঁ সাধু।

৫। যি জনে - কাম ক্ৰোধ লোভ জিনি মোৰ নামকে বান্ধৱ বুলি লয় তেওঁ সাধু।

৬। মাধবৰ নামৰ বাহিৰে জগতত কোনো সাৰ-তত্ব নাই বুলি যি জনে সাধুসঙ্গলৈ কৃষ্ণ গুণ-গান কৰে তেঁৱেই সাধুশ্ৰেষ্ঠ।

মুঠতে সাধু, সন্ত-ভকত লক্ষণ পৃথকে পৃথকে দেখুৱালেও এই সমস্ত লক্ষণৰ যি জন অধিকাৰী তেওঁ মানব হৈয়ো ঈশ্বৰ। মানবৰ মাজেদিয়েই ঈশ্বৰে নিজৰ গুণ-গৰিমা প্ৰকাশ কৰে। মানব ভগৱানৰ প্ৰকাশৰ মাধ্যম মাত্ৰ। সন্ত সাধু মহন্তই কেতিয়াও নিজকে শ্ৰেষ্ঠবুলি নাভাবে আৰু আনকহে শ্ৰেষ্ঠজ্ঞান কৰে। ঈশ্বৰ লক্ষণযুক্ত বুলি নিজকে ভাবিলে অহঙ্কাৰ আহিব পাৰে। জড় ভৰতে সাংসাৰিক কোনো সত্বাকে গুৰুত্ব নিদিয়ে। তেওঁ অন্তৰ্মুখী চিন্তাত কেৱল সমাধিত থাকে। মনক একাগ্ৰ কৰিব নোৱাৰিলে, ভক্তৰ লক্ষণ সমূহ নিজে প্ৰতিভাত নহলে- প্ৰকৃতি ভকত নহয়। দৰ্শনতে ভকত চিনিবি পাৰি, বাক্যত ভকতৰ স্বৰূপ উদঘাটন হয়. কৰ্ম আচাৰতে ভকতৰ স্বৰূপ প্ৰতিফলিত হয়। সাধু মহন্ত সন্ত ভকতক চিনি ভক্তি কৰিলেই পৰমেশ্বৰক ভক্তি কৰা হয়। ভকত চৈতন্য, চৈতন্যক সেৱা কৰি,শ্ৰদ্ধা আপ্যায়ন কৰিলে ভগৱন্ত সন্তোষ্ট হয়।

**কথা ভক্তিৰত্নাকৰ**

**পঞ্চম অধ্যায় বা মাহাত্ম্য**

ঈশ্বৰ নিৰ্ণয়

অনন্ত কোটি ব্ৰহ্মাণ্ডৰ পৰম সত্বা ঈশ্বৰৰ অস্তিত্ব নিৰূপন কেনেকৈ নিশ্চিত কৰা যায় তাই এই অধ্যায়ত বৰ্ণনা কৰা হ'ব। জগতৰ মহাগতি-দাতা জগতৰ পৰম ভজনীয় দেবতাৰ পৰম প্ৰসিদ্ধ নাম শ্ৰীকৃষ্ণ। ভাগৱতত বৰ্ণিত দশম লক্ষনে ঈশ্বৰকে প্ৰতিৰলিত কৰে অৰ্থাৎ এই দশলক্ষণে তেওঁৰে লক্ষণ। তেওঁ জগতৰ আশ্ৰয়, পৰমধন,ব্ৰহ্মা-হৰৰো আৰাধ্যদেব। ব্ৰহ্মাই ভগৱন্ত কৃষ্ণক সত্যব্ৰহ্ম বুলিছে -

"হে প্ৰভু কমল লোচন ভগৱন্ত।
তোমাক বহুত কাল উপাসা কৰিলো।।"
"তুমিয়ে কেৱল সত্য সবে মায়াময়।
তুমি বিনে সত্য আন বস্তু নাহিবায়।।
"মায়াৰ গুনক তুমি কৰিছা আশ্ৰয়।"
"তুমি বিনে বস্তু নাই কহিলো স্বৰূপে।।"

"হে প্ৰভু তুমি কেৱল সত্য, বাকী সকলোবোৰ অসত্য, তুমি মায়াৰে সত্যক ঢাকি ৰাখিথা, সকলো মায়াৰূপৰ মাজত তুমি নিহিত হৈ আছা।" যিমান বোৰ শুদ্ধ-সত্ব অৱতাৰ আছে সকলোবোৰৰ কাৰ্য্য- কাৰণ কৃষ্ণ। তেওঁ নিৰ্গুন ব্ৰহ্ম, তেওঁৰ ন্যাভি কামলতে ব্ৰহ্মাৰ সৃষ্টি। ভকতক অনুগ্ৰহ কৰিবলৈ তেওঁ ব্যত হ'ল। ভূত-প্ৰোণ -ইন্দ্ৰিয়াদিৰ তেওঁৱেই কাৰণ আৰু জগতক তেওঁ স্ৰজন কৰে, তেওঁ সৃষ্টি কৰিলেও জগতৰ পৰা ভিন্ন। তেওঁ আনন্দস্বৰূপ নিৰ্গুন ব্ৰহ্ম। তেওঁৰ অন্যৰূপ নাথাকিলেও উপাধিযুক্ত। ব্ৰহ্মাই কৈছে ধ্যানৰ দ্বাৰা তেওঁ উপাধিযুক্ত ৰূপ দৰ্শন লাভ হয়। তেওঁৰ মূৰ্তি নাই: সত্য ৰূপেই তেওঁৰ মূৰ্তি। তেওঁ নিৰঞ্জন, সদা চিৰন্তন। এনে ঈশ্বৰক কিছুমান লোকে কুতকাৰ্দি শাস্ত্ৰ মতলৈ তেওঁক নামানে, ঈশ্বৰৰ কথা শ্ৰবন নকৰে, তেওঁলোক দুৰ্জ্জীয়া। তৃতীয় স্কন্ধৰ নৱম অধ্যায়ত ব্ৰহ্মাই কোৱা কথা এই খিনিয়েই।

অষ্টম স্কন্ধত ব্ৰহ্মাদি দেবগণে ঈশ্বৰক স্তুতি কৰি কৈছে যে ঈশ্বৰ চিৰন্তন মুক্তিদাতা, বেদগনেও তেওঁকে স্তুতি কৰে। দেবগনে পুৰুষোত্তমক পূজা কৰা দেখি ঈশ্বৰে দেবগণক কৈছিল- মই তোমালোকৰ অন্তৰ বিশ্বমূৰ্তি, তেওঁৰ বেলেগৰূপ নাই, পৰিমান নাই, তেওঁ অনন্ত-অসীম। জগতৰ আদি-মধ্য অবসানত তেঁৱেই থাকে। বিভিন্ন সোণেৰে তৈয়াৰী পাত্ৰ ভাঙিলে যেনেকৈ শেষত সোনহে থাকে তেনেকৈ সমস্ত জগত শেষ হৈ গ'লে তেওঁৰে থাকেগৈ।

"আদি অন্ত মধ্যে তুমি থাকা সৰ্বদায়।
তুমি ব্যতিৰেকে আৰ সত্য আন নাই।।

অষ্টম স্কন্ধত ষষ্ঠ অধ্যায়ত আৰু দশমখ চতুৰ্থ অধ্যায়ত ব্ৰহ্মাই ঈশ্বৰ কৃষ্ণক স্তুতি কৰিছে। ব্ৰহ্মাই বৃন্দাবনত কৃষ্ণক স্তুতি কৰি কৈছে যে কৃষ্ণইহে কেৱল সত্য, ঈশ্বৰ। "তুমিয়েই একমাত্ৰ সত্যাত্মা, তাৰ বাবে আন সকলোবোৰ

বিকাৰী। কৃষ্ণ অবিকাৰী। বিকাৰী সকলৰ জন্ম আছে, জৰা আছে, মৃত্যু আছে। অধিকাৰী কৃষ্ণৰ জন্ম নাই, আদ্যকাৰণ, পুৰাণ পুৰুষ, পৰিপূৰ্ণ,সদামুখময়, অচুৎ আৰু অক্ষয়। তেওঁৰ বুদ্ধিৰ পৰিমান নাই, ক্ষয় নাই, বিনাশ নাই, অন্তনাই, দেশে কালে তেওঁৰ পৰিচ্ছেদ নাই।

তেওঁ দেৱতাৰো দেৱতা, উপাধিৰহিত, গুৰুৰূপী, আদিতত্ব আৰু জ্ঞান-চক্ষু। পৰমাত্মা জ্ঞানতে অজ্ঞান নিবৰ্তি আছে। আত্মা-অভ্যাসৰ দ্বাৰা ঈশ্বৰক উপলব্ধি কৰিব পাৰি, পৰবুদ্ধিৰে তেওঁক লাভ কৰিব নোৱাৰি। অজ্ঞজনে তেওঁক পৰবুদ্ধি কৰি চোৰাৰ বাবে লাভ কৰিব নোৱাৰে। পৰবুদ্ধিৰে দেহকেই আত্মাবুলি অজ্ঞজনে ধৰি লয় আৰু বাহিৰত আত্মাক বিচাৰি ফুৰে। জ্ঞান হ'লে মোক্ষলাভ হয়। কিন্তু জ্ঞানতকৈ ভগৱন্তৰ চৰণ পঙ্কজত ভক্তি থকাজনে অচিৰে মোক্ষ লাভ কৰে। জ্ঞান আৰু কৰ্মযোগ এৰি ভক্তি যোগৰ দ্বাৰা ভগৱানক সহজে লাভ কৰিব পাৰি। অতয়েব ভক্তি শ্ৰেষ্ঠ।

শুকমুনিয়ে-পৰীক্ষিতক কৃষ্ণৰ মহিমাৰ বিষয়ে কৈছে যে কৃষ্ণৰ মহিমাৰ পৰিমাণ নাই, তেওঁ নিগুৰ্ণ ভগৱন্ত। তেওঁ গুণৰ নিয়ন্তা, অব্যয়; জগতৰ কল্যানৰ বাবে তেওঁ অৱতাৰ হয়। কাম-ক্ৰোধ, ভয়,স্নেহ, সুহৃদয়তা আদি যি ভাবতে তেওঁক ভক্তি কৰা হয়, তেওঁ গতি পায়। তেওঁ গতি পায়। তেওঁ-যোগেশ্বৰ, পৰমঈশ্বৰ, স্থাৱৰ পৰ্য্যন্তে তেওঁৰ পৰা গতি লাভ কৰিব পাৰে। তেওঁ অখিল জীৱৰ আত্মা হৈয়ো মায়াৰ মনুষ্য হৈ প্ৰকাশ কৰিছে। জগতৰ কাৰণ হৈয়ো স্থাৱৰ জঙ্গমৰূপে প্ৰকাশ হৈছে, তেওঁ কাৰণৰো কাৰণ। মুঠতে তেওঁ পৰমাৰ্থ তত্ব। তেওঁৰ শৰণ ল'লেই মুক্তি লাভ হয় আৰু বৈকুণ্ঠত স্থান লাভ হয়। দশমস্কন্ধৰ চতুৰ্দশ অধ্যায়ত এইকথা ব্যক্ত হৈছে।

একাদশ স্কন্ধত উদ্ধৱে সেৱা জনাই কৈছে - "হে প্ৰভূ, তুমি ব্ৰহ্মাদি দেবতাৰো পৰম ঈশ্বৰ, সৰ্বজগতৰ প্ৰিয়তম! বলি প্ৰহলাদ আদি ভক্তত তুমি অনুগ্ৰহ কৰি আহিছা, ভজন্তাজনক সমস্ত অৰ্থ দান কৰি আহিছো। এনে ঈশ্বৰক যি জনে নিচিন্তে তেওঁ অতিশয় দুৰাশয়। ঈশ্বৰৰ ঐশ্বৰ্য্য পাই যি জনে তোমাক পাহৰি অন্য দেবক পূজে তেওঁলোক মহাগৰ্বী, জ্ঞানশূন্য -

"ঐশ্বৰ্যৰ অৰ্থে অন্যদেবক পূজয়।
যিটো ঐশ্বৰ্য্যক পাইলে তোমাক পাসৰে।
এতেকে তাহাক নবাঞ্চয় সাধুনৰে।।"

ঈশ্বৰক পোৱা জনৰ ঐশ্বৰ্য্যৰ প্ৰয়োজন নাই, কাৰণ ঐশ্বৰ্য্যপালে ঈশ্বৰক পাহৰি যায়। ঈশ্বৰ পৰম ঐশ্বৰ্য্য।

পিঙ্গলা বেশ্যাই মাধবৰ পদ-পদ্মত ভক্তি, তেওঁৰ শৰণ হৈ ভাৱিছে তেওঁ ইমানবোৰ দেৱতা আৰু ব্ৰহ্মাক বাদদি কিয় কৃষ্ণত শৰণ লৈছে তাই তাৰ উত্তৰ নিজে নিজক দি কৈছে -

" যিটো জীৱ পৰি আছে সংসাৰ কুপত।।
ঘোৰ কাল সৰ্পে তাতে কৰিলে দংশন।।"
বিষয় বিশত আতি ভৈল অচেতন।।

পিঙ্গলা বেশ্যাই কাম্য জনলৈ ৰাতি এপৰলৈ বাট চাই থাকিল, কিন্তু কাম্য জন নহাত তাই ঘৃণা উপজিল আৰু ভগবানকে কামজন বুলি শৰণ ল'লে। তাইৰ সংসাৰ কূপত পৰি আছিল, কামনা পৰিপূৰ্ণ কৰিবলৈ তাই ব্যৰ্থ হৈ আত্মজ্ঞান লাভ কৰিলে।

চতুৰ্থ স্কন্ধৰ অষ্টম অধ্যায়ত সুনীতিয়ে ধ্ৰুৱক কৈছিল- "হে ধ্ৰুৱ, তোৰ হৃদয়ৰ বিষাদ কেবল ঈশ্বৰ কৃষ্ণইহে দূৰ কৰিব পাৰিব। ব্ৰহ্মা আদি দেৱগণেও কৃষ্ণক সেৱা কৰিহে লক্ষ্মীক লাভ কৰিছিল। গতিকে হৃদয়ৰ দুখ দূৰ কৰবলৈ তই পদ্ম পলাশ-নয়নক সাধনা কৰগৈ।" ধ্ৰুৱই কৃষ্ণৰ কৃপাত ধ্ৰুৱলোক লাভ কৰিলে।

চতুৰ্থস্কন্ধৰ একাদশ অধ্যায়ত মনুৱে ধ্ৰুৱৰ আগত কৈছিল "হে ৰাজন , তোমাৰ ভাতৃ উত্তমক যক্ষই সংসাৰ কৰিলে, ই এটা নিমিত্ত হে, ঈশ্বৰেহে যক্ষৰ হতুৱাই উত্তমক বধ কৰালে। ঈশ্বৰৰ ইচ্ছা হ'ল- আৰু এতিয়া যক্ষগণক বধিলে ভগৱানৰ অহিত কাৰ্য্যহে হ'ব। সকলোৰে বধৰ কাৰণ ঈশ্বৰহে; কাক কেতিয়া, কি উদ্দেশ্যৰ বাবে বধ কৰিব লাগে তাক ঈশ্বৰেহে জানে আৰু সেইমতে কাৰোবাৰ দ্বাৰা জগতৰ আশ্ৰয়, ভকতৰ মোক্ষৰূপ, অভকতৰ মৃত্যু। কৃষ্ণই নাকিজৰী লগাই ব্ৰহ্মাআদিৰে ঘূৰাই ফুৰিছে -

"যেন নাকবিন্ধি বনধক থোৱে বান্ধি।
সেইমতে ব্ৰহ্মাদি দেৱক নাম ছান্দি।।
কৰি আছা আজ্ঞাপ্ৰভূ যাক যেন মতে।
কৰিবাক লাগি আছে ধৰ্মা সেহিমতে।।"

অষ্টম স্কন্ধৰ চাব্বিশ অধ্যায়ত সত্যব্ৰতে কৃষ্ণক স্তুতি কৰি কৈছিল- "কৃষ্ণই মহাগুৰু, পৰমঈশ্বৰ বুলি।" দেৱ-গুৰু-বন্ধুগণ আদিয়েও কৰিব নোৱাৰা কাম ঈশ্বৰে নিমিষতে সাধন কৰে। বৃহৎ নাৰদী পুৰাণত নাৰদে ঋষিসমস্তক কৈছিল- "সত্যে সত্যেসত্যে মই সাৰতৰ কথা কৈছো কেশৱৰ বাহিৰে আৰু শ্ৰেষ্ঠ দেৱ নাই, বেদৰ বাহিৰে শ্ৰেষ্ঠশাস্ত্ৰ নাই। হস্তীৰ খোজত অন্যান্য জন্তুৰ খোজ নিচ্ছিল হোৱাৰ দৰে কৃষ্ণত সকলো দেৱ নিচ্ছিন্ন হয়।" পাতৰী গীতাত

বিদুৰে কৈছিল ''সৰ্বশাস্ত্ৰই নাৰায়ণকে শ্ৰেষ্ঠদেৱ বুলি কয়।'' উক্তগীতাত ব্যাসেও কৃষ্ণকে শ্ৰেষ্ঠতম দেৱ বুলি ঘোষণা কৰিছিল। সমস্ত শাস্ত্ৰৰ মৰ্ম আনি কৃষ্ণকে শ্ৰেষ্ঠদেৱ বুলি ঘোষাণা কৰিছিল ব্যাসে।

''যিটো শাস্ত্ৰ কহিলন্ত তনয়।
সেহি মাত্ৰ শাস্ত্ৰ অক জানিবা নিশ্চয়।।
দৈবকীৰ পুত্ৰএক কৃষ্ণমাত্ৰ দেৱ।
কৰ্মএকমাত্ৰ সেহি দেৱতাৰ দেৱ।।
মন্ত্ৰোএক তান নাম কৃষ্ণ দেৱতাৰ।
ভগৱন্তে ইটো কৰিলন্ত সাৰেসাৰ।।

শঙ্কৰাচাৰ্য্যৰ 'ভূজঙ্গ প্ৰয়াত'ত কৃষ্ণকেই দেবোত্তম বোলা হৈছে। যিজনে ভূজঙ্গ-শয্যাত শয়নকৰে, যিজন ত্ৰিজগত পতি তেৱেঁই ভগৱন্ত কৃষ্ণ।

দৱগণে বৃত্ৰাসুৰৰ হাতত পৰাজয় হৈ কৃষ্ণক স্তুতি কৰিছিল আৰু সেই স্তুতিত নাৰায়ণকেই পৰমদেৱ বুলি শৰণে পশিছে। কুকুৰৰ নেজতধৰি সাগৰ হ'ব খোজাৰ দৰে অন্যদেৱতাক সেৱা কৰাও এককেথা বুলি দেৱগণে নিজকে নিজে কৈছে।

ব্ৰহ্মা আৰু মহেশ কৃষ্ণক স্তুতি কৰিছে আৰু স্তুতিত বিষ্ণুকেই শ্ৰেষ্ঠবুলি স্বীকাৰ কৰিছে। তেওঁলোকে কৈছে যে ব্ৰহ্মাই তেওঁৰ আদেশত ৰজঃগুণত থাকি স্ৰজন কৰে, শিৱই বিষ্ণুনাৰায়ণৰ আদেশত সংহাৰ কৰে। তেতিয়া নাৰায়ণে সুধিলে তেওঁলোক দুজন বিষ্ণুৰ সমশৰ। ব্ৰহ্মা মহেশে ক'লে যে ভগৱন্তৰ মায়াৰ অধীন হৈ সৃষ্টি ও সংগাৰ কাৰ্য্য পৰিচালনা কৰে। নাৰায়ণে সম্পন্ন কৰালেও তেওঁ সত্ব-ৰজ-তম গুণৰ উৰ্দ্ধত থাকে। সেইবাবে ব্ৰহ্মা মহেশে ভগৱন্ত নাৰায়ণক ঈশ্বৰ ৰূপে স্তুতি কৰিছে।

দশম স্কন্ধৰ দ্বিতীয় অধ্যায়ত আৰু দশমৰ আঠত্ৰিশ অধ্যায়ত অক্ৰুৰে কৈছিল- যে গোকুলৰ পৰা ৰাম-কৃষ্ণক মথুৰালৈ লৈ যাওঁতে তেওঁ পৰম ঈশ্বৰৰ সান্নিধ্য লাভ কৰিছিল। ব্ৰহ্মা, লক্ষ্মীয়ে যাৰ চৰণ সেৱা কৰে, তেনে ঈশ্বৰৰ চৰণ সেৱা কৰিবলৈ অক্ৰুৰে সুবিধা পাইছিল। এই সংসাৰৰ মাজত একমাত্ৰ সাৰ বস্তু কৃষ্ণক পাই ভবকুপৰ পৰা উদ্ধাৰ হৈছিল।

ষষ্ঠ স্কন্ধৰ চতুৰ্থ অধ্যায়ত দক্ষই মাধৱক প্ৰাৰ্থনা কৰি কৈছে যে গণপতি আদি দেৱক সকামী সকলে সেৱা কৰে, মূঢ়জনে যি যি দেৱতাক মানসভাৱে চিন্তে সেই সেই দেবে তেওঁক মানস পটত দেখা দিয়ে। ভগৱন্তই সেই দেবৰ ৰূপ ধৰিয়েই সেৱা গ্ৰহণ কৰে। এক ঈশ্বৰেই নানা ভাৱলোকক অনুগ্ৰহ কৰে। দেৱগণৰ ভিতৰত পৰম আৰাধ্য ভজনীয় দেৱ কৃষ্ণহে। গতিকে তেওঁত একান্ত শৰণ লোৱা উচিত।

**কথা ভক্তিৰত্নাকৰ**

**ষষ্ঠ অধ্যায় বা মাহাত্ম্য**

শ্ৰৱণ

হৰিভক্তি একাশীবিধ আৰু তাৰ ভিতৰত প্ৰধান ভক্তি। শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, বন্দন, অৰ্চন, পদসেৱন, দাস্য, সখীত্ব, আত্ম-সমৰ্পন এই নববিধা ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্ত্তন শ্ৰেষ্ঠ। কীৰ্ত্তনতকৈ শ্ৰৱণ অতি উপাদেয়। ভগৱন্তৰ লীলা চাৰিবিধ-সৃষ্টি, স্থিতি, সংহাৰ আৰু অৱতাৰ কৰ্ম। এই চাৰিবিধ লীলাৰ বৰ্ণনা কৃষ্ণৰ গুণ-মহিমা, কৰ্ম্মাৱলী আৰু চৰিত্ৰৰ কথা শ্ৰদ্ধাৰে শ্ৰৱণেন্দ্ৰিয় যোগেদি শুনাই হৈছে শ্ৰৱণ। হৰিভক্তিৰ আদি স্তৰ শ্ৰৱণ। শাস্ত্ৰদি পাঠ, গীতগোৱা, নাট্যানুষ্ঠান শুনা, বক্তিতা আদি কীৰ্ত্তন আৰু শ্ৰুতাই শ্ৰৱণ কৰি আমোদ লভে। ভগৱন্তৰ গুণ-গৰিমা মাহাত্ম্যৰ কথা শুনিলে শুনোতাৰ ভক্তি হয় আৰু ঈশ্বৰ কৃষ্ণই তেওঁৰ কথা শুনোতা সকলৰ দয়া কৰে। পৰীক্ষিতে শুকৰ মুখৰ পৰা ভাগৱত শ্ৰৱণ কৰি মুক্তি পালে, আঠাইশ হেজাৰ মুনিয়ে সুতৰ মুখৰ পৰা ভাগৱত শ্ৰৱণ কৰিলে। মৈত্ৰেয়ৰ পৰা বিদুৰে শ্ৰৱণ কৰিলে, অৰ্জ্জুনে কৃষ্ণৰ মুখৰ পৰা গীতাশুনি ধন্য হয়। শ্ৰৱণ-ভক্তিৰ মহিমা অশেষ।

মুমুৰ্ষ পৰীক্ষিতে শুকক সুধিছে যে শ্ৰৱণ কেনেকৈ কৰিব আৰু মায়া মনুষ্যৰূপী কৃষ্ণৰ চৰিত্ৰ কেনেকুৱা। দশম স্কন্ধৰ প্ৰথম অধ্যায়ৰ শ্ৰৱণ মাহাত্ম্যাৰ কথা আছে। বৰ্হিমুখী মনুষ্যগণ সংসাৰৰ কথাকে সাৰোগত কৰি কালৰ বুকুত লয় আৰু অৰ্ন্তমুখী মনুষ্যই কৃষ্ণ কথা একেমনে শুনি মোক্ষলাভ কৰে। সেই বাবে একমনে অৰ্ন্তমুখ হৈ কৃষ্ণ কথা শ্ৰৱণ কৰিব লাগে।

প্ৰথম স্কন্ধৰ দ্বিতীয় অধ্যায়ত সুতে শৌনকৰ আগত কৈছিল- ''যি জনে কৃষ্ণকথা যত্ন কৰি শুনে, কৃষ্ণ তেওঁৰ হৃদয়ত প্ৰৱেশ কৰি তেওঁৰ মনৰ কাম আদি বাসনাক দূৰকৰে। ভক্তৰ সঙ্গত কৃষ্ণকথা শ্ৰৱণ কৰিলে পৰম নিশ্চিল ভক্তি উপজে, সত্ব ৰজ তম গুণ, কাম-লোভ দি চিতত পুনঃ উদ্ভৱ নহয়। চিতত সত্ত্ব শুদ্ধ ভাৱৰ উদয় হয়,বিষয়ৰ পৰা মন উপশম হয় সকলো ভোগ বাসনাৰ পৰা মন নিবৃত্ত হয় আৰু ঈশ্বৰে আহি হৃদয়ত স্থিত হয়, অহঙ্কাৰ গুচে, মনৰ সকলো সংশয় দূৰ হয়, কৰ্ম-বাসনাৰ সমাধি ঘটে আৰু আত্মা ঈশ্বৰত দৃষ্টি নিক্ষেপ হয়।

দ্বিতীয় স্কন্ধৰ অষ্টম অধ্যায়ত শুকৰ আগত পৰীক্ষিতৰ বানীত কোৱা হৈছে যে যি জনে ঈশ্বৰ কৃষ্ণৰ লীলা চৰিত্ৰ শ্ৰৱণ কৰে, তেওঁৰ হিয়াৰ কৃষ্ণই তৎকালে প্ৰৱেশ কৰে। কৰ্মৰন্ধ্ৰে হৃদয় কমলত কৃষ্ণই প্ৰৱেশ কৰি বাসনা সহিতে মনৰ সমস্ত মল ধুই নিয়ে।

কলহৰ জলত মল জমা হৈ কলহৰ তলিত পৰি থাকে। সেই মলি কোনো দ্ৰব্যৰ দ্বাৰা দূৰ হ'লেও কলহৰ তলিৰ পৰা আতৰ নহয়। তেনেদৰে মানুহৰ চিতত থকা পাপ -মলি তিততে জমাহৈ থাকে। কলহৰ পানী লৰচৰ কৰিলে মলিবোৰ পানীত আগৰদৰে মিহলি হৈ পানী দুষিত কৰে। সেইদৰে চিতত থকা পাপজন্মিত মলি চিতত উত্থিত হৈ মানুহক অশান্ত কৰি তোলে। অৰ্থাৎ তপ-দানাদি কৰ্মই মনৰ মলি দূৰ কৰিব নোৱাৰে। কৃষ্ণ নাম শ্ৰৱণ কৰিলে মনৰ মলি দূৰ হয়। কৃষ্ণনামে মনৰ পাপৰ আলু-উঘালি পেলায়। প্ৰবাসী লোকে প্ৰবাসত পোৱা দুখ গৃহলৈ অহাৰ লগে লগে দূৰ হয়, আৰু গৃহ এৰিবলৈ মন নকৰে, সেইদৰে কৃষ্ণকথা আৰু কৃষ্ণৰচৰণ কৃষ্ণকৃপা লাভ কৰা সকলে এৰিব নোৱাৰে।

"যিটো জনে একমনে শুনে কৃষ্ণ কথা।
তাহাৰেসে আয়ুমাত্ৰ সাম্ফল সৰ্বথা।।"

প্ৰথম স্কন্ধৰ অষ্টম অধ্যায়ত শৌনকক সুতে কৈছে - যে মানুহৰ একমাত্ৰ কৰ্তব্য হৈছে সমস্ত শাস্ত্ৰৰ য'ত য'ত কৃষ্ণকথা আছে, তাক শ্ৰদ্ধাৰে শ্ৰৱণ কৰিব লাগে। তৃতীয় স্কন্ধৰ পঞ্চম অধ্যায়ত বিদুৰে মৈত্ৰেয়ৰ আগত কৈছে "কৃষ্ণৰ অমৃতময় কথা যিজনে কাণেৰে শুনে, তেওঁ সংসাৰ কূপৰ পৰা উদ্ধাৰ হৈ সংসাৰ বন্ধন এৰায়।" চতুৰ্থ স্কন্ধত স্বায়ম্ভূৰ মনুৱে ধ্ৰুৱক কৈছিল- "ক্ৰোধে পুৰুষৰ শ্ৰেয়ক বিনষ্ট কৰে, যদিও ক্ৰোধ সমুলঞ্চে মনৰ পৰা দূৰ নহয়। কৃষ্ণ কথা শ্ৰৱণ কৰিলে ক্ৰোধ সমুলঞ্চে দূৰ হয়। ব্ৰহ্মায়েও মাধৱৰ আগত কৈছিল- যে ভগৱন্তৰ পাদ পদ্মৰ সুবাস আৰু যশস্যা বায়ুৰে আনি কানেদি মানুহৰ হৃদয়লৈ আহে। নাসিকা আৰু কৰ্ণই এই ঘ্ৰাণ ল'ব লাগে।

তৃতীয় স্কন্ধৰ নৱম অধ্যায়ত কৃষ্ণৰ সন্মুখত ধ্ৰুৱৰ বচন - "হেপ্ৰভু তযু পদ-পঙ্কজধ্যানত মানুহে যি সুখ পায়, ভকতৰ সঙ্গত তোমাৰ কথা যি শুনে, তেওঁ অনিন্দ সুখ লাভ কৰে, কালখড়গই তেওঁক প্ৰীড়ন কৰিব নোৱাৰে। কামাদিৰ অৰ্থে ঈশ্বৰক অৰ্পণ কৰিলে তেওঁক দম্ভতি বোলে; নিষ্কামভাৱে তেওঁক ভকতিকৰিলে পৰম সুখ লাভ হয়। বিংশতি অধ্যায়ত কৃষ্ণক ৰজা পৃথুৱে ঈশ্বৰ। সামান্য যোনিতো বিষয়ৰ সুখ পোৱা যায়। ভগৱন্তৰ সেৱা কেৱল মনুষ্য জন্মতহে সম্ভৱ। তোমাৰ ভক্তৰ মুখে তযু কথামৃত শ্ৰৱণ কৰিবলৈ একমাত্ৰ ইচ্ছা কৰে। গতিকে হে প্ৰভূ, মোক তোমাৰ কথা মহন্তৰ মুখে শুনিবলৈ অযুতকৰ্ণদান কৰে।"

দ্বিতীয় স্কন্ধৰ দ্বিতীয় অধ্যায়ত শুকে শ্ৰৱণৰ অভিনন্দা কৰিছে। কৃষ্ণ মহন্তৰ আত্মা, কৃষ্ণকথা অমৃত। মহন্তৰ মুখে ব্যক্ত হোৱা কৃষ্ণকথামৃত পান কৰিলে বিষয়ত মলীন হৃদয় পবিত্ৰ হয়। দশম স্কন্ধৰ প্ৰথম অধ্যায়ত পৰীক্ষিতে শুকক কৈছে, - "যদি মোক অনুগ্ৰহ কৰা ,তেন্তে কৃষ্ণৰ মনোহৰ কথা কোৱা। যিটো কথা শুনিলে পুৰুষৰ নানাবিধ চিন্তা দূৰ হয় আৰু কৃষ্ণ চৰণত প্ৰেম-ভকতি হয়।" দ্বাদশ স্কন্ধৰ চতুৰ্থ অধ্যায়ত- শুকে পৰীক্ষিতক কৈছে যে কৃষ্ণ কথাকৈ কোনেও অন্ত কৰিব নোৱাৰে। তেওঁ মতি অনুসাৰে কৃষ্ণ কথা ক'ব, ব্ৰহ্মায়ো কৃষ্ণ কথা কৈ অন্ত কৰিবলৈ অসমৰ্থ। কৃষ্ণকথা শ্ৰৱণৰ আৱশ্যকতা কি তাক শুকে ক'বলৈ ধৰিলে - "সংসাৰ এখন পৰম দুস্তৰা সাগৰ, এই সাগৰতে জীৱসমস্ত পৰি আছে, নানা বিধ দুখত অতীষ্ঠ হৈ উঠিছে, দিনে দিনে নানা পীড়াই কষ্ট দিছে। এনে ভৱ-সাগৰত যি তৰিবলৈ ইচ্ছা কৰে, তেওঁ কৃষ্ণ-নৌকাত আৰোহন কৰিব লাগিব।

"সংসাৰ সাগৰ ইটো পৰম ঈশ্বৰ।
ইহাত পৰিয়া জীৱ আছে নিৰন্তৰ।।
নানাবিধ দুঃখে ভৈল দাবানিল প্ৰায়।
কৰে অতিশয় পীড়া জীৱক সদায়।।
হেনভৱ-সিন্ধু তৰিবাক যিটো চায়।
কৃষ্ণলীলা কথা বিনে আন নৌকা নাই।।"

তৃতীয়ত তত্বগণে ঈশ্বৰ কৃষ্ণক কৰা স্তুতিত প্ৰকাশ পাইছে এক মহিমা। কৃষ্ণ -ভক্তি এৰি কৰ্মত ৰতি কৰিলে ভগৱন্ত দূৰতে বিদুৰ হয়। ঘোষাত আছে - "কৰ্মত বিশ্বাস যাৰ হিয়াত থাকন্ত হৰি অতিশয় দূৰ হোন্ত তাৰ, দূৰতো বিদুৰ হোন্ত তাৰ অহঙ্কাৰ থাকন্তেও সাক্ষাত কৃষ্ণক পাৰে, শ্ৰৱণ কীৰ্তন ধৰ্ম যাৰ।" ইন্দ্ৰিয় গণে যি জনৰ মন হৰণম কৰিলে, সেইজনে কৃষ্ণক জানিব নোৱাৰে। তেওঁলোকে ভকতৰ সঙ্গ কেনেকৈ পাব। কৃষ্ণ ভকতৰ সঙ্গ কৃষ্ণ কথা শ্ৰৱণ কৰি প্ৰতিদিনে ব্যস্ত থাকিব পাৰিলে বৈকুণ্ঠত স্থান লাভ কৰে। তেনে কৰিলো মনলৈ বৈৰাগ্য আহে আৰু পৰম জ্ঞান লাভ কৰে।

চতুৰ্থস্কন্ধৰ বাইশ অধ্যায়ত পৃথুৰজাৰ আগত সনকাদি মহাসাধকে কৈছিল যে মোক্ষসাধনৰ বাবে মাধৱৰ গুণ গান শ্ৰৱণ কৰিব লাগে। তেতিয়া কৰ্মৰ বাসনা নিৰ্মুল হয়, চিত্ত শুদ্ধ হয়, বৈৰাগ্য লাভ হয় আৰু কৃষ্ণ চৰণত দৃঢ় মতি হয় আৰু মহামুক্তি সাধন হয়। কৃষ্ণত দৃঢ় মতি হোৱাৰ লগে লগে দেহত

ইন্দ্ৰিয় গণত ধম-ঐশ্বৰ্য্যত আসক্তি নকৰিব। তেনেজন নিৰ্জ্জন স্থানত থাকিব,পৰমহংস আচৰিব, জীৱৰ হিতসাধন মাত্ৰ চিন্তিব, আনপন্থক নিনিন্দিব, আত্মা যোগ নিষ্ঠ হ'ব, কামনা ত্যাগ কৰিব শীত-উষ্মক সহ্য কৰিব, যোগেশ্বৰ সবক উপাসনা কৰিব, হৰিগুণ নাম নাপাহৰিব। ভকতিৰ অন্তৰ্গত ধৰ্মবোৰ মানি চলিব, বিনাশী বস্তুত বিৰকতি আনিব আৰু পূৰ্ণকৃষ্ণ ব্ৰহ্মাৰ প্ৰতি দৃঢ়মতি হ'ব।

"দেহ ইন্দ্ৰি ধনাদিত যাৰ আসকতি।
তাসম্বাৰ প্ৰসঙ্গত নকৰিব ৰতি।"
"নকৰিব নিন্দা আন পন্থ সমস্তক।।"
"আত্মযোগ নিষ্ঠা হৈব কামনা এৰিব।
শীত উষ্ম আদিযত দুঃখক সহিব।।"
"বিনাশীবস্তুক মানে হোৱে বিৰকতি।।
পূৰ্ণব্ৰহ্মা কৃষ্ণত হোৱয় দৃঢ়মতি।।"
"কৃষ্ণ কথা শ্ৰৱণে হৰয় যত দোষ।
জানি কৃষ্ণ কথা শুনি হুয়োক সন্তোষ।।"
"বিনাশী দেহৰ অৰ্থে তেজিয়ো যতন।
মহাযত্নে কৃষ্ণ পাৱে পশিয়ো শৰণ।।"
"সাধুৰ সঙ্গত সদা কৰিয়োব্য ৰতি।।"

০০০০

**কথা ভক্তিৰত্নাকৰ**

**সপ্তম অধ্যায় বা মাহাত্ম্য**

হৰি- কীৰ্তন

ঈশ্বৰৰ নাম-যশ কীৰ্তি-মহিমা, চৰিত্ৰ অবতাৰ কৰ্মৰ কথা মুখেৰে উচ্চাৰণ কৰি, সুৰলগাই, গীতৰধ্বনিৰে, নাম গাই আনক শুনোৱাকে কীৰ্তন বোলে। ব্যাখ্যাকাৰ, বক্তা সকলে হৰিৰ কথা নানা অঙ্গি ভঙ্গিৰে ব্যক্ত কৰাতো কীৰ্তন বোলা হয়। সুৰদী কণ্ঠস্বৰে শাস্ত্ৰ পাঠ কৰিলে শ্ৰুতাই শুনি আমোদ লাভে। হৰিকথা অমৃতময়। হৰিকথা শুনি লোক তন্ময় আৰু অভিভুত হয় আৰু পৰম আনন্দ লাভ কৰে। হৰি কীৰ্তনৰ মহিমা অতি অদ্ভুত। মহামতি শুকে পৰীক্ষিতৰ আগত ভাগৱত ব্যাখ্যা কৰিছিল, মৈত্ৰেয় মুনিয়ে বিদুৰৰ আগত, সুতমুনিয়ে শৌনকাদি ঋষি সমূহৰ আগত ভাগৱত কীৰ্তন কৰিছিল।

হৰিনামৰ অদ্ভুত মহিমাই দুৰ্ঘোৰ সংসাৰৰ নৰলোকক উদ্ধাৰ কৰে। শৌনকাদি মুনিয়ে শুকক হৰি-কীৰ্তন কৰিবলৈ শুকক অনুৰোধ কৰে। ভাগৱতৰ প্ৰথম স্কন্ধত প্ৰথম আৰু দ্বিতীয় অধ্যায়ত হৰি কীৰ্তনৰ মহিমা শুকে ব্যক্ত কৰিছে। সকামী সকলে নাম কীৰ্তন কৰি কৰ্মফল লাভ কৰে আৰু মুমুযু সকলে নাম কীৰ্তন কৰি মোক্ষফল লাভ কৰে।

তৃতীয় স্কন্ধৰ নৱম অধ্যায়ত ব্ৰহ্মাই জন্ম কৰ্মৰহিত কৃষ্ণৰ গুণ কৰ্ম অৱতাৰৰ কথা কৈছে আৰু মৃত্যুকালত ভগৱন্তৰ নাম কীৰ্তন কৰিলে অনেক জন্মৰ পাপ মোচন হয়। তৃতীয় অধ্যায়ত কপিলৰ আগত দেবহুতিয়ে কৈছিল - যে ঈশ্বৰৰ নাম কীৰ্তন কৰি কুকুৰ ভক্ষণকাৰী চণ্ডালে, কৰ্মকাণ্ডীয়েই শুদ্ধ হয়। আকস্মিক ভাবে ভগৱানৰ নাম শ্ৰৱণ কীৰ্তন স্মৰণ কৰিলেও লোক তৰি যায়। তপ-জপ হোম-দান যাগ যজ্ঞ- এইবোৰ ভগৱন্তৰ নামৰ অন্তৰ্গত। চণ্ডালেও হৰিনাম লৈ পুৰুযোতম হ'ব পাৰে।

পঞ্চম স্কন্ধৰ পঁচিশ অধ্যায়ত নাৰদে ব্ৰহ্মাৰ সভাত অনন্তক স্তুতি কৰিছিল। নাৰদে স্তুতিত উল্লেখ কৰিছে যে মহাপাতকীয়েও অকস্মাতে হৰি নাম উচ্চাৰি শুদ্ধ হয় আৰু জ্বৰ তাপ পীড়াত পৰিথকা জনেও নাম ল'লে ত্ৰাণ পায়। পৰিহাস কৰি নাম ললেও লোক উদ্ধাৰ হ'ব পাৰে। শুকে ৰজা প্ৰিয়বতক নামৰ মহিমা, ভক্তৰ মহিমা প্ৰকাশ কৰিছে। বৈষ্ণৱৰ অসাধ্য একো নাই, ৰথৰ চকাৰ পৰাও সাগৰ হ'ব পাৰে।। হৰি কীৰ্তন কৰিলে জাতি, অন্ত্যজাতিয়েও জগত নিস্তৰিব পাৰে।

ষষ্ঠ স্কন্ধৰ দ্বিতীয় অধ্যায়ত যমদূতৰ আগত বিষ্ণুদূতে হৰি নাম কীৰ্তনৰ মহিমা প্ৰকাশ কৰিছে। মৃত্যুবেলা অজামিলে নাৰায়ণ নাম উচ্ছাৰণ কৰাত বিষ্ণুৱে দূতক পঠাই অজামিলক যমদূতৰ হাতৰ পৰা ৰক্ষা কৰিলে। বিষ্ণু দূতে ক'লে- "অজামিলে পাপত বুৰ গৈ থাকিলেও নাৰায়ণ নাম লোৱাত পাপৰ প্ৰায়শ্চিত হ'ল। 'হৰি' নাম কীৰ্তন কৰিলে কৰ্মনাশা, পাপনাশ হয়। সিংহৰ নাদ শুনিলে পহুৱে ভয় খাই আতৰি যোৱাৰ দৰে নাৰায়ণ নাম শুনিলে পাপ পহু আতৰি যায়। ব্ৰাহ্মণৰ সুৰ্বণ হৰণ, সুৰাপান কৰে, মিত্ৰৰ দ্ৰোহ আচৰণ কৰে, গোবধ পিতৃবধ কৰে, ব্ৰহ্মবধ কৰে, স্ত্ৰীবধ-ৰাজবধ কৰে, গুৰু ভাৰ্য্যা গমণ কৰে, আন আন পাপচাৰ কৰে- তেনেনো মহাপাপীয়েও কৃষ্ণনাম কীৰ্তন কৰিলে ত্ৰাণ পায়। মাধবৰ নাম জ্ঞানে বা অজ্ঞানে কীৰ্তন কৰিলেও নাৰায়ণে উদ্ধাৰ কৰে।

যমদূতে বিষ্ণুদূতৰ মুখে হৰিকীৰ্তনৰ মহিমা শুনি যমক সোধাত যমে ক'বলৈ ধৰিলে- "হে মোৰ দূতগণ, মই তোমালোকক ভাগৱতধৰ্মৰ বিষয়ে কম। ভাগৱত ধৰ্ম শ্ৰেষ্ঠ ধৰ্ম। শ্ৰৱণ কীৰ্তনৰ দৰে ধৰ্ম জগতত নাই,

অজামিলে পাপৰ পৰা মুক্ত হৈ পাৰিযদী তনুপ্ৰাপ্ত হৈ বৈকুণ্ঠগমণ কৰিলে কেৱল হৰিনাম উচ্চাৰণ কৰি। শ্ৰদ্ধাসহকাৰে আৰু সাদৰে পুৱা -গধূলি

হৰিনাম উচ্চাৰণ কৰি ল'লে ভগৱন্তই বৈকুণ্ঠ গতি দিয়ে। যমদূতে যমক প্ৰশ্ন কৰিলে যে মনু আদিয়ে কিয় প্ৰায়শ্চিত বিধান কৰিলে আৰু বেদেও প্ৰায়শ্চিতে শাস্ত্ৰৰ কথা কিয় ক'লে। তাৰ উত্তৰত যমে ক'লে যে বাৰবৈষ্ণৱে হৰিনামৰ ৰহস্য জানে, বাকীবোৰে এই তত্ব-ৰহস্য নজনাৰ বাবে প্ৰায়শ্চিত বিধান দিলে। হৰিনাম মৃতসঞ্জীৱণী ঔষধ। মন্দমতি বৈদ্যগণে এই ৰহস্য নাজানি অন্য ঔষধ ৰোগীক দিয়ে।

"সেহিমতে মনু আদি নামক নজানে।
মায়ায়ে মোহিত হুয়া কৰ্মক বাখানে।।
বেদৰ পুষ্পিত বাক্য মতি ভৈলা জড়।
তপ-জপ যজ্ঞাদিক দেখিলেক বৰ।।"

এইদৰে প্ৰাকৃতিক লোকক মোহ নিয়াই কৰ্ম জড়ত ভোগালে। হস্তীক মাৰিবৰ কাৰণে সিংহৰ প্ৰয়োজন, কুকুৰ-শিয়ালৰ প্ৰয়োজন নাই। সেইদৰে ক্ষুদ্ৰ ক্ষুদ্ৰ পাপবোৰ নাশি বৰ কাৰণে প্ৰায়শ্চিতৰ বিধান কৰিলে। মনু আদিয়ে বেদৰ হৰিনামৰ বিষয়ে নজনা নহয়, কিন্তু হৰিনাম লৈ সমস্ত পাপ উদ্ধাৰ হ'ল বুলি ভাৰি হৰিনামৰ পৰিবৰ্তে প্ৰায়শ্চিত বিধি বিহিলে। বেদত প্ৰথমতে যাগ যজ্ঞাদিৰ কথা কৈ পাচতহে অদ্বৈত জ্ঞানৰ কথা নিৰূপন কৰা হ'ল। সেইদৰে আগতে প্ৰায়শ্চিত আৰু জ্ঞানীৰ বাবে হৰিনাম থলে। কৰ্ম কাণ্ডৰ বিশ্বাসী সকলে অদ্বৈত জ্ঞানৰ আশ্ৰয় নিবিচাৰে আৰু সুদুষ্কৰ হৰিনামৰ কথা ভাবিবই নোৱাৰে। অজ্ঞানীৰ মুখত অন্যনাম কথা সৰসৰি আছে, কিন্তু হৰিনাম নোলায়। ষষ্ঠ স্কন্ধৰ ২য় আৰু তৃতীয় অধ্যায়ত অজামিলৰ কথাখিনি শুকে পৰীক্ষিতৰ আগত উপসংহাৰ হিচাবে ক'লে যে কৰ্মবন্ধছেদ কৰিবৰ কাৰণে হৰিনামকীৰ্তন ভেদ অস্ত্ৰ।

দশম স্কন্ধৰ চৌত্ৰিশ অধ্যায়ত সুদৰ্শনে কৃষ্ণক স্তুতি কৰোতে হৰিকীৰ্তনৰ মহিমাৰ কথা কৈছিল। ৰূপ-সৌন্দয্যশ্ৰীৰ গৰ্বৰত গৰ্বিত হৈ বিদ্যাধৰৰ পতি সুদৰ্শনে পৰ্য্যতন কৰি ফুৰোতে কন্ধচ আকৃতিৰ লেঙেৰা অঙ্গিৰস মুনিক হঁহাত মুনিয়ে সৰ্পাকৃতি হ'বলৈ অভিশাপ দিলে আৰু সৰ্পহৈ থাকোতে কৃষ্ণৰ স্পৰ্শত পুনৰ বিদ্যাধৰ ৰূপ লাভ কৰে আৰু কৃষ্ণক স্তুতিকৰি মুক্তি লাভ কৰে। তেওঁ কৈছিল যে কৃষ্ণ নাম উচ্চাৰিলে জীৱই মুক্তি লাভ কৰে। দশমৰ নৱৈ অধ্যায়ত শুকে পৰীক্ষিতক কৈছিল- "সকলো তীৰ্থতকৈ কৃষ্ণনাম শ্ৰেষ্ঠ, কৃষ্ণ সৰ্বশ্ৰেষ্ঠ দেৱ। ভগৱন্তই পূৰ্বতে নিজৰ পাদোদক গঙ্গাত স্থাপন কৰিলে। যি লক্ষ্মীক ব্ৰহ্মা হ'ৰেও পূৰ্ণ পয্যায়ত লভিব নোৱাৰে, তেনে লক্ষ্মীভগৱন্ত হৰিৰ অধীন, তেনে লক্ষ্মীপতি ভগৱন্তৰ নাম যি জনে কীৰ্তন কৰে তেওঁৰ অৰ্জিত পাপ সমূহ নিমিষতে ভষ্ম হয়, নামতে সমস্ত ধৰ্মই শৰণ লৈ থাকে; তেনে নামক কীৰ্তন কৰিলে কাল চক্ৰ দূৰ হয়।

সুতে ঋষি সকলক কৈছিল- "কৃষ্ণৰ কীৰ্তন যিলোকে কৰে, সূৰ্য্যউদয়ত আন্ধাৰ দূৰ হোৱাৰ দৰে তেওঁৰ মনৰ পৰা দুঃখ-কষ্ট দূৰ হয়, বায়ুৰ দ্বাৰা মেঘ আতৰ হোৱাৰ দৰে মনৰ মায়া দূৰ হয়, মনত পৰম আনন্দৰ সোঁত বয়। দ্বাদশ অধ্যায়ত এই কথা পোৱা যায়। পদ্ম পুৰাণৰ স্বৰ্গখণ্ডত পাৰ্ব্বতীৰ আগত মহেশে কৈছিল -"তীৰ্থভ্ৰমণ, তীৰ্থস্নাথ, শ্ৰাদ্ধাদিসমৰ্পণ, অশ্বমেধ সম্পন্ন তুলাদান আদিৰে শ্ৰেয়সক লাভ কৰিব নোৱাৰে। অন্যদেবেও শ্ৰেয়সক লাভ কৰোৱাব নোৱাৰে; কেৱল এক কৃষ্ণদেবেহে শ্ৰেয়স দান কৰিব পাৰে। কৃষ্ণক ভকতি কৰিলেহে মুক্তি লাভ হয়। নানা ভোগাদিত হ'লে, পৰকপৰম তাপ দিলে, জ্ঞান-বৈৰাগ্য নহ'লে, ব্ৰহ্মচৰ্য্যাদিব্ৰত নকৰিলে যদি কেৱল ভগৱন্তকে নাম-কীৰ্ত্তন কৰে, তেওঁ তৰি যায়।"

নাম কীৰ্তনৰ মহিমা কৈ অন্ত কৰিব নোৱাৰি। বিধি-নিষেধৰো তেওঁৰ প্ৰয়োজন হয়, যাগ আদি বিধিবোৰ নামৰ কিঙ্কৰহে। অভক্ষ-ভক্ষণ আদি পাপ হৰিনামে নিঃশেষ কৰে।

বেদগণেও কৃষ্ণক স্তুতি কৰিছে- "হে প্ৰভু, তৰ্কশাস্ত্ৰ অলীক, মিছা, তাত থকা 'বাদ' অন্ধকাৰময়, মোহময়। শ্ৰীমন্ত মাধৱৰ নাম কীৰ্তন কৰিলে তোমাক লাভ কৰিব পাৰি। দশম স্কন্ধত থকা বেদবাণীয়েও ঈশ্বৰৰ নাম কীৰ্তনকে গুৰুত্ব প্ৰদান কৰিছে।

'বৈষ্ণবানন্দ' শাস্ত্ৰত কৃষ্ণই অৰ্জ্জুনক কৈছে -

'সত্যে সত্যে সত্যে সত্যে সত্যে সত্যে ধনঞ্জয়।
পঞ্চসত্য কৰি মই কহিলো নিশ্চিয়।।
নাহিকে তাৰন্তা আন নামত বিনাই।
সমস্ত বেদৰ ইসে মুখ্য অভিপ্ৰায়।।"
"কৃষ্ণতৰ ইসৰ বাক্য অনুসাৰে জানি।
হুয়া এক শৰণ কৃষ্ণতসৰে প্ৰাণী।।"

সেইবাবে কৃষ্ণ নাম-গুণয়ে কীৰ্তন কৰা উচিত। কীৰ্তনৰ বাহিৰে মহা মোক্ষদ্দাতা নাই।

কীৰ্তন ব্যক্তিগত আৰু সমূহীয়াকৈ কৰিব পাৰি। সমূহীয়া ভাৱে কৰা কীৰ্তনক সংকীৰ্তন বোলা হয়। কীৰ্তন পাঁচ বিধ-

১। নাম উচ্চাৰণ
২। স্তুতি পাঠ (ঘোষাপাঠ)

৩। কথা ব্যাখ্যা (কওঁতাৰ বাবে কীৰ্তন আৰু শুনোতাৰ বাবে শ্ৰৱণ)
৪। গীত।
৫। অভিনয় (গোপীগণে কৰা কৃষ্ণ-লীলা।

**কথা ভক্তিৰত্নাকৰ**

**অষ্টম অধ্যায় বা মাহাত্ম্য**

স্মৰণ

ঈশ্বৰৰ নাম আৰু ৰূপৰ চিন্তনেই স্মৰণ ভক্তি। ভগৱন্তৰ নাম আৰু ৰূপ জপকৰা (মানসজপ), সোঁৱৰণ কৰা, ৰূপৰ মানস ধ্যান কৰাই স্মৰণ ভক্তি, কাণেৰে শ্ৰৱণ কৰাত অসমৰ্থ হ'লে, মুখেৰে কীৰ্তনকৰাত সমৰ্থ নহ'লে স্মৰণ ভক্তি কৰা হয়। সকলো সময়তে শ্ৰৱণ কীৰ্তন কৰা অসুবিধা হ'লে সকলো সময়তে স্মৰণ ভক্তি কৰি থাকিব পৰা যায় বাবে স্মৰণ ভক্তি উত্তং পন্থা।

নৱবিধা ভক্তিৰ ভিতৰত শ্ৰৱণ কীৰ্তন স্মৰণ ভক্তিক সাত্বত তন্ত্ৰত প্ৰেমময়ী বা লীলাময়ী বোলে। ভগৱন্তৰ চতুবিধ লীলাৰ ৰস এই তিনি বিধৰ মাজেদি নিগৰে। ভগৱত প্ৰেমত মন মজে বা ইয়াক প্ৰেমময়ী বোলা হয়। ২য় বিধক কৰ্মময়ী ভক্তিবোলা হয়; পাদসেৱন আৰ্চ্চন বন্দন এই ত্ৰিতয়ত পৰিচৰ্য্যা পূজা স্তুতি প্ৰাধান্য বেচি। অৰ্চ্চনত পূজা, পাদসেৱনত পৰিচৰ্য্যা আৰু বন্দনত স্তুতি বা নমস্কাৰ কৰা হয়। ৩ য় বিধ দাস্য সখ্য আত্ম নিবেদনক মনোময়ী বোলা হয়।

নাম-ঘোষাত কৈছে -"প্ৰাণ প্ৰয়াণৰ সময়ত কফ বাত পিত্ত আদি যত কন্ঠ নিৰোধনে তোমাৰ স্মৰণ কথা।।"

অৰ্থাৎ কান-কন্ঠ আদি ইন্দ্ৰিয় গণ মৃত্যুবেলা। বিকল হয় আৰু তেতিয়া স্মৰণৰ যোগে ভগৱানক সোঁৱৰণ কৰিলে মুক্তি লাভ হয়। কফে বাট ভেটি ধৰে, বিযে শৰীৰ অলৰ-অচৰ কৰে আৰু পিত্তই শৰীৰ জৰ্জৰিত কৰাৰ সময়ত অসহ্য যাতনাত ভগৱানক স্মৰণ কৰিব লাগে।

দ্বিতীয় স্কন্ধৰ প্ৰথম অধ্যায়ত শুকে ৰজাক কৈছিল যে মৃত্যুৰ সময়ত স্মৰণ ভক্তিয়ে মহৌষধিৰ দৰে কাম দিয়ে। তৃতীয় স্কন্ধৰ পঞ্চম অধ্যায়ত তত্বগণে কৃষ্ণক কৰা স্তুতিত ব্যক্ত হৈছে যে যি জনে ভগৱন্তৰ মন দৃঢ় কৰি স্মৰণ কৰে তেওঁক ভগৱন্তই মোক্ষ দান কৰে। ঈশ্বৰৰ পাদ পদ্মত একান্ত শৰণ লৈ তত্বগণে তেওঁক স্মৰণ কৰিছে। চতুৰ্থ স্কন্ধৰ বাইশ অধ্যায়ত সনত কুমাৰে পৃথুৰজাক কৈছিল- "হে ৰজা, তোমাক পৰমাৰ্থ তত্বকলো, ভগবানৰ চৰণত একান্ত ভকতি কৰিবৰৈ হ'লে তেওঁক স্মৰণ কৰা উচিত। কাৰণ তেওঁক স্মৰণ কৰামাত্ৰে কৰ্মবন্ধ দূৰ হয়। যতিসকলে ইন্দ্ৰিয়গণক নিৰোধ কৰিব পাৰিলেও কৰ্মবন্ধৰ পৰা অব্যাহতি নাপায়; হৰিত ভকতি কৰিলেহে কৰ্মবন্ধচ্ছেদ হয়।

দশম স্কন্ধত বেদৰ স্তুতিত কোৱা হৈছে- "হে হৰি, প্ৰেমভাৱে তযু পদস্মৰণ কৰা অতি কঠিন,যেনে তেনে ভাৱে অহৰ্নিশে তোমাক স্মৰণ কৰিবলৈ বিচাৰো, তুমি দয়া কৰা।" একাদশ স্কন্ধৰ চতুৰ্দশ অধ্যায়ত কৃষ্ণই উদ্ধবক কোৱা কথা-

"বোলন্ত উদ্ধৱ মোত মাত্ৰ চিত্ত
লীন গৈলা সমুদায়।
তাকে বুলিজ্ঞান কৈলো বিদ্যমান
আত বিনে আন নাই।।"

"মোক ভজনা কৰিলে (স্বাভাৱতে আন সাধনাৰ আৱশ্যক নাই, যি সকলে কেৱল বিষয়তে মগ্ন থাকে, তেনেলোকে হৃদয়ত মোক যদি স্মৰণ কৰে, তেতিয়া তেওঁলোকৰ বিষয়-কলুষিত চিত্তৰ শোধন হয়। বিষয়ৰ স্বপ্ন পাহৰি মোক ভজিলে মহামোক্ষ লাভ কৰিব পাৰিবা।"

দ্বাদশ স্কন্ধৰ দ্বাদশ অধ্যায়ত শৌনকৰ আগত সুতে কৈছিল যে - বৰ্ণাশ্ৰম ধৰ্ম আচৰি নানা ধৰ্মাচৰণ কৰি যশস্যালাভ, সম্পতি লাভৰ বাবে অশেষ কষ্ট কৰিলেও পৰম পুৰুষাৰ্থ লাভ কৰিব নোৱাৰে। কৃষ্ণৰ পাদ-পদ্ম স্মৰণ কৰি সমস্ত ধৰ্মৰ ফল লাভ কৰিব পাৰে। যি সদায় কৃষ্ণক চৰণ স্মৰণ কৰে, তেওঁৰ সমস্ত পাপ ক্ষয় হয়, চিত্ত শুদ্ধি হয়, কৃষ্ণৰ প্ৰতি নিষ্ঠাবাঢ়ে, সপ্ৰেম ভকতি হয় আৰু ঈশ্বৰজ্ঞান সমাগত হয়। তেতিয়া দেহ-গেহৰ প্ৰতি বিৰকতি আহে আৰু ঈশ্বৰে আত্ম প্ৰকাশ কৰে।। বিষ্ণু পুৰাণত পৰাশৰে কৈছিল-

"পাপ কৰি যিটো অনুতাপ কৰে
ভৈল এক প্ৰায়শ্চিত্ত।
কৃষ্ণ স্মৰণেসে মুখ্য প্ৰায়শ্চিত্ত
কহিলো কৰি নিনীত।।

পাণকৰি বা কুকৰ্ম কৰি যি অনুতপ্ত হয়, তেওঁৰ অনুতাপে কৃত পাপ ধুই নিয়ে; কৃষ্ণ নাম স্মৰণত পাপৰ পৰাচিত হয়।

নৰসিংহ পুৰাণত যমে কৈছে যে মনুষ্য জন্ম লাভ কৰি যি সকলে কৃষ্ণ স্মৰণ নকৰে, সেই সকলে সংসাৰত দুঃখ সাগৰত পৰি অশেষ যাতনা

ভোগে। সেইবাবে মুক্তি লাভৰ বাবে মানুহে ঈশ্বৰ কৃষ্ণক সৰ্ব্বথা স্মৰণ কৰিব লাগে। হৰিক স্মৰণ কৰিলে পাপৰাশি মোচন হোৱাৰ উপৰিও সংসাৰ আপদ-বিপদৰ পৰা আতৰি মুক্তি লাভ কৰে।

**০০০কথা ভক্তিৰত্নাকৰ**

**অষ্টম অধ্যায় বা মাহাত্ম্য**

স্মৰণ

ঈশ্বৰৰ নাম আৰু ৰূপৰ চিন্তনেই স্মৰণ ভক্তি। ভগৱন্তৰ নাম আৰু ৰূপ জপকৰা (মানসজপ), সোঁৱৰণ কৰা, ৰূপৰ মানস ধ্যান কৰাই স্মৰণ ভক্তি, কাণেৰে শ্ৰৱণ কৰাত অসমৰ্থ হ'লে, মুখেৰে কীৰ্তনকৰাত সমৰ্থ নহ'লে স্মৰণ ভক্তি কৰা হয়। সকলো সময়তে শ্ৰৱণ কীৰ্তন কৰা অসুবিধা হ'লে সকলো সময়তে স্মৰণ ভক্তি কৰি থাকিব পৰা যায় বাবে স্মৰণ ভক্তি উত্তং পন্থা।

নৱবিধা ভক্তিৰ ভিতৰত শ্ৰৱণ কীৰ্তন স্মৰণ ভক্তিক সাত্বত তন্ত্ৰত প্ৰেমময়ী বা লীলাময়ী বোলে। ভগৱন্তৰ চতুৰ্বিধ লীলাৰ ৰস এই তিনি বিধৰ মাজেদি নিগৰে। ভগৱত প্ৰেমত মন মজে বা ইয়াক প্ৰেমময়ী বোলা হয়। ২য় বিধক কৰ্মময়ী ভক্তিবোলা হয়; পাদসেৱন আৰ্চ্চন বন্দন এই ত্ৰিতয়ত পৰিচৰ্য্যা পূজা স্তুতি প্ৰাধান্য বেচি। অৰ্চ্চনত পূজা, পাদসেৱনত পৰিচৰ্য্যা আৰু বন্দনত স্তুতি বা নমস্কাৰ কৰা হয়। ৩ য় বিধ দাস্য সখ্য আত্ম নিবেদনক মনোময়ী বোলা হয়।

নাম-ঘোষাত কৈছে -"প্ৰাণ প্ৰয়াণৰ সময়ত কফ বাত পিত্ত আদি যত কণ্ঠ নিৰোধনে তোমাৰ স্মৰণ কথা।।"

অৰ্থাৎ কান-কণ্ঠ আদি ইন্দ্ৰিয় গণ মৃত্যুবেলা। বিকল হয় আৰু তেতিয়া স্মৰণৰ যোগে ভগৱানক সোঁৱৰণ কৰিলে মুক্তি লাভ হয়। কফে বাট ভেটি ধৰে, বিযে শৰীৰ অলৰ-অচৰ কৰে আৰু পিত্তই শৰীৰ জৰ্জৰিত কৰাৰ সময়ত অসহ্য যাতনাত ভগৱানক স্মৰণ কৰিব লাগে।

দ্বিতীয় স্কন্ধৰ প্ৰথম অধ্যায়ত শুকে ৰজাক কৈছিল যে মৃত্যুৰ সময়ত স্মৰণ ভক্তিয়ে মহৌষধিৰ দৰে কাম দিয়ে। তৃতীয় স্কন্ধৰ পঞ্চম অধ্যায়ত তত্বগণে কৃষ্ণক কৰা স্তুতিত ব্যক্ত হৈছে যে যি জনে ভগৱন্তৰ মন দৃঢ় কৰি স্মৰণ কৰে তেওঁক ভগৱন্তই মোক্ষ দান কৰে। ঈশ্বৰৰ পাদ পদ্মত একান্ত শৰণ লৈ তত্ত্বগণে তেওঁক স্মৰণ কৰিছে। চতুৰ্থ স্কন্ধৰ বাইশ অধ্যায়ত সনত কুমাৰে পৃথুৰজাক কৈছিল- "হে ৰজা, তোমাক পৰমাৰ্থ তত্বকলো, ভগবানৰ চৰণত একান্ত ভকতি কৰিবলৈ হ'লে তেওঁক স্মৰণ কৰা উচিত। কাৰণ তেওঁক স্মৰণ কৰামাত্ৰে কৰ্মবন্ধ দূৰ হয়। যতিসকলে ইন্দ্ৰিয়গণক নিৰোধ কৰিব পাৰিলেও কৰ্মবন্ধৰ পৰা অব্যাহতি নাপায়; হৰিত ভকতি কৰিলেহে কৰ্মবন্ধছেদ হয়।

দশম স্কন্ধত বেদৰ স্তুতিত কোৱা হৈছে- "হে হৰি, প্ৰেমভাৱে তযু পদস্মৰণ কৰা অতি কঠিন,যেনে তেনে ভাৱে অহৰ্নিশে তোমাক স্মৰণ কৰিবলৈ বিচাৰো, তুমি দয়া কৰা।" একাদশ স্কন্ধৰ চতুৰ্দশ অধ্যায়ত কৃষ্ণই উদ্ধবক কোৱা কথা-

"বোলন্ত উদ্ধৱ মোত মাত্ৰ চিত্ত
লীন গৈলা সমুদায়।
তাকে বুলিজ্ঞান কৈলো বিদ্যমান
আত বিনে আন নাই।।"

"মোক ভজনা কৰিলে (স্বাভাৱতে আন সাধনাৰ আৰশ্যক নাই, যি সকলে কেৱল বিষয়তে মগ্ন থাকে, তেনেলোকে হৃদয়ত মোক যদি স্মৰণ কৰে, তেতিয়া তেওঁলোকৰ বিষয়-কলুষিত চিত্তৰ শোধন হয়। বিষয়ৰ স্বপ্ন পাহৰি মোক ভজিলে মহামোক্ষ লাভ কৰিব পাৰিবা।"

দ্বাদশ স্কন্ধৰ দ্বাদশ অধ্যায়ত শৌনকৰ আগত সুতে কৈছিল যে - বৰ্ণাশ্ৰম ধৰ্ম আচৰি নানা ধৰ্মাচৰণ কৰি যশস্যালাভ, সম্পতি লাভৰ বাবে অশেষ কষ্ট কৰিলেও পৰম পুৰুষাৰ্থ লাভ কৰিব নোৱাৰে। কৃষ্ণৰ পাদ-পদ্ম স্মৰণ কৰি সমস্ত ধৰ্মৰ ফল লাভ কৰিব পাৰে। যি সদায় কৃষ্ণক চৰণ স্মৰণ কৰে, তেওঁৰ সমস্ত পাপ ক্ষয় হয়, চিত্ত শুদ্ধি হয়, কৃষ্ণৰ প্ৰতি নিষ্ঠাবাঢ়ে, সপ্ৰেম ভকতি হয় আৰু ঈশ্বৰজ্ঞান সমাগত হয়। তেতিয়া দেহ-গেহৰ প্ৰতি বিৰকতি আহে আৰু ঈশ্বৰে আত্ম প্ৰকাশ কৰে।। বিষ্ণু পুৰাণত পৰাশৰে কৈছিল-

"পাপ কৰি যিটো অনুতাপ কৰে
ভৈল এক প্ৰায়শ্চিত্ত।
কৃষ্ণ স্মৰণেসে মুখ্য প্ৰায়শ্চিত্ত
কহিলো কৰি নিনীত।।

পাপকৰি বা কুকৰ্ম কৰি যি অনুতপ্ত হয়, তেওঁৰ অনুতাপে কৃত পাপ ধুই নিয়ে; কৃষ্ণ নাম স্মৰণত পাপৰ পৰাচিত হয়।

নৰসিংহ পুৰাণত যমে কৈছে যে মনুষ্য জন্ম লাভ কৰি যি সকলে কৃষ্ণ স্মৰণ নকৰে, সেই সকলে সংসাৰত দুঃখ সাগৰত পৰি অশেষ যাতনা ভোগে। সেইবাবে মুক্তি লাভৰ বাবে মানুহে ঈশ্বৰ কৃষ্ণক সৰ্ব্বথা স্মৰণ কৰিব লাগে। হৰিক স্মৰণ কৰিলে পাপৰাশি মোচন হোৱাৰ উপৰিও সংসাৰ আপদ-বিপদৰ পৰা আতৰি মুক্তি লাভ কৰে।

**কথা ভক্তিৰত্নাকৰ**

**নৱম অধ্যায় বা মাহাত্ম্য**

অৰ্চ্চণ-বন্দন

অৰ্চ্চন,বন্দন, পাদসেবনৰ বাবে-ভগবৎ প্ৰতিমাৰ আৱশ্যক; কিয়নো যি সকলে কোনো এটা আধাৰ নহ'লে মনটো বহুৱাব নোৱাৰে, সেই সকলৰ বাবে মুৰ্ত্তিৰ প্ৰয়োজন। সেইবাবে বিষ্ণুৰ (নাৰায়ণ, বাসুদেৱ,ৰাম) মূৰ্ত্তিৰ পৰি চৰ্য্যাই পাদ-সেৱণ, বিধিমতে কৰাই পূজা অৰ্চ্চন আৰু মূৰ্ত্তিত অধিষ্ঠিত জনক স্তুতি-নতি কৰি সেৱা কৰাই বন্দন। পৰিচৰ্য্যা বুলিলে নামঘৰ মাৰ্জ্জন, শৰাই নৈবেদ্য আদি, যতনোৱা হৰিমূৰ্ত্তিক স্নান কৰোৱা, বস্ত্ৰআভৰণ পিন্ধোৱাক বুজায়। মহাপুৰুষ শঙ্কৰদেৱে মূৰ্তিৰ বিৰোধিতা কৰে, কোনো বিগ্ৰহৰ স্থান ইয়াত নাই অৱশ্যে নামঘৰ মাৰ্জ্জন, শৰাই যতনোৱা, স্তুতি মিনতি সেৱা আদি কৰা কাৰ্য্যখিনিক তেৰাই বিৰোধিতা কৰা নাই। একশৰণৰ ভকতে মনক স্থিৰ কৰি আধাৰ অবিহনে তেওঁক অৰ্চ্চন, বন্দন কৰা উচিত। ভক্তিৰত্নাকৰত তেৰাই অৰ্চ্চন-বন্দনৰ কথা তলত দিয়া ধৰণে শাস্ত্ৰৰ আধাৰত ব্যক্ত কৰিছে -।

"জনে, ফুলে পত্ৰে মাত্ৰ হৰি পূজিবেক।
আলচিয়া মনত নিশ্চয় কৰিলেক।।

কৃপালু ঈশ্বৰে পূজা কৰাৰ আগতেই তুষ্ট হয়, কাৰণ তেওঁ অন্তৰ্য্যামী, তেওঁক মনত পূজ্য বুলি ভবাৰ ল'গে ল'গেই পূজা পায়। নৰসিংহ পুৰাণত যমৰজাই নাৰকী সকলৰ আগত কৈছিল -

" এক চলু জল তুলসী একপাত।
দিলা মাত্ৰে আপুনি বিক্ৰয় যান্ত তাত।।"

এক চলু পানী আৰু এটি তুলসী পাতেৰে কৃষ্ণক আগবঢ়াই দিলেও দয়াময় কৃষ্ণ সন্তোষ্ট হয়।

প্ৰথম স্কন্ধৰ পঞ্চম অধ্যায়ত সুতে শৌনকাদি মুনিক কৈছিল-

"কহি আছে মন্ত্ৰে যিটো মূৰ্তিমাধবৰ।
তাত ব্যতিৰেৰে মূৰ্তি নাহি ঈশ্বৰৰ।।"

'মন্ত্ৰমূৰ্তি' নামে অক্ষৰ ব্ৰহ্ম বা ভগৱন্তৰ নাম। ইয়াৰ বাহিৰে তেওঁৰ মূৰ্তি নাই। বাঙ্ময় মূৰ্তিহে ঈশ্বৰৰ আচল মূৰ্তি। নামতহে ঈশ্বৰ মূৰ্তিমান হৈ থাকে। ঈশ্বৰ নিৰাকাৰ। নাম-ঘোষাতো তাকেই প্ৰতিপন্ন কৰা হৈছে-

"অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিবা তাঙ্ক
ব্যাপকত কিবা বিসৰ্জ্জন।
এতাৱন্ত মূৰ্তিশূন্য কোনমতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰা মন।।"

ঈশ্বৰৰ নামত অৰ্পণ কৰিলেই তেওঁ পায়, নামৰ মাধ্যমত হে ঈশ্বৰক ধৰিব লাগে।

পঞ্চম স্কন্ধৰ অষ্টাদশ অধ্যায়ত লক্ষ্মীয়ে কামদেৱৰ আগত ব্যক্ত কৰিছিল যে যি নাৰীয়ে মাধৱৰ চৰণ-পঙ্কজত নিষ্কামভাবে অতি প্ৰাতিৰে পূজা কৰে, তেওঁ মনত পৰম আনন্দ লাভ কৰি পৰম সুখ শান্তিত থাকি সৰ্বকামনা পূৰণ কৰিব পাৰে। কোনোৱে যদি সকাম ভাবেও তেওঁক পূজা কৰে, তেতিয়া তেৰো বাঞ্চিত ফল লাভ কৰে, কিন্তু কাম্য ভোগ পৰিপূৰ্ণ হোৱাৰ পাচত সেই নাৰী দুঃখত পৰে। সকাম ভাৱে বাঞ্চিতত ফল লাভ হ'লেও ই অনিত্য। এয়াই হৈছে সকামী আৰু নিষ্কামীৰ পাৰ্থক্য।

চতুৰ্থ স্কন্ধৰ একবিংশ অধ্যায়ত নাৰদে দশ প্ৰচেতাৰ আগত কোৱা কথাত ঈশ্বৰ পূজাৰ মাহত্ম্য প্ৰকাশ পাইছে। সমস্ত দেৱতাকে পূজিলে ভগৱান সন্তোষ নহয়। বৃক্ষৰ গুৰিত জল দিলে সমস্ত গছজোপাই জল পায়, কিন্তু বৃক্ষৰ কোনো অংশত দিলে সেই অঙ্গইহে পায়। ভোজনত সমস্ত ইন্দ্ৰিয় তৃপ্ত হোৱাৰ দৰে এক ঈশ্বৰক পূজিলে সমস্ত দেৱ-চৰা-চৰ তৃপ্ত হয়। ক্ষুধাতুৰ প্ৰাণীয়ে ভোজন নকৰি নানা ভূষণ পৰিধান কৰিলেও ক্ষুধা নিবাৰণ নোহোৱাৰ দৰে এক কৃষ্ণদেৱক নপূজি দেৱগণক পূজিলে কৃষ্ণ সন্তোষ্ট নহয়।

"বৃক্ষৰ মূলত যেন দিলে আনি জল।
পাৱয় তৃপিতি ডাল ডাল পুষ্প পত্ৰ ফল।।
মূল এৰি জল যদি সিঞ্চে পত্ৰ ডালে।
কদাচিতো তৃপিতি নুহিকে একো কালে।।
"পাৱয় ভোজন যেন ইন্দ্ৰিয় সন্তুষ্ট।"
ভাক্ষুধাতুৰ প্ৰাণী যদি নকৰে ভোজন।
পিন্ধে গন্ধ-চন্দনাদি নানান ভূষণ।।
একো ইন্দ্ৰিয়ৰ তাত তুষ্ট নাহি হয়।।"
"পৃথক পূজাক কাৰো পূজা নাহিকয়।।"

একাদশ স্কন্ধৰ বিংশতি অধ্যায়ত উদ্ধৱৰ আগত যদুপতিয়ে কৈছিল- "সকামী সকলে মোক পূজা কৰিবলৈ প্ৰসিদ্ধ সম্ভাৰ গোটাব লাগিব, বেদ-বিহত প্ৰতিমা

আদিৰ ব্যৱস্থা কৰিব লাগিব; কিন্তু নিষ্কাম ভাৱে মোক ভকতে যি দ্ৰব্যাদি পূজে তাত হে মই সন্তোষ্ট হওঁ। ভকতে মাত্ৰ মানসিক ভাৱে পূজিয়েই সেই ফল লাভ কৰে। গতিকে সকামত কৈ নিষ্কাম শ্ৰেষ্ঠ।"

বৃহৎ নাৰদী পুৰাণত নাৰদে ঋষিসমস্তক কৈছিল- "সংসাৰ তিনি তাপত দগ্ধ আৰু সকলো অসাৰ; মাত্ৰ ইয়াত মাধবৰ পূজাহে সাৰ।"

"কৃষ্ণ পূজিলে সমস্তৰে পূজা হয়।
পৃথক পূজিলে কাৰো পূজা নাহিকয়।।"

কৃষ্ণক পূজিলে, কৃষ্ণক অৰ্চ্চণ কৰিলে, কৃষ্ণক বন্দনা কৰিলে ঈশ্বৰ কৃষ্ণ পৰম সন্তোষ্ট হয় আৰু মহামোক্ষ প্ৰদান কৰে।

০০০

**কথা ভক্তিৰত্নাকৰ**

**দশম অধ্যায় বা মাহাত্ম্য**

ভক্তিযোগ

মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰৱৰ্তিত ধৰ্মানুষ্ঠান সমূহৰ ভিতৰত মূল বস্তু ভক্তি। চাৰিবেদে সীমা দিব নোৱাৰা ঈশ্বৰক কেৱল ভকতিৰে লাভ কৰিব পাৰি ঈশ্বৰ কৃষ্ণক কায়-মন বাক্যেৰে ভজাই ভক্তি। ভজ্ +ক্তিন+ভক্তি হৃদয়ৰ বস্তু। ভগৱন্তত অনুৰাগ জন্মাকেই অথাৎ ভগৱন্তৰ পাদ পদ্মত অনুৰাগ হোৱাকেই ভকতি বোলে। ঈশ্বৰৰ প্ৰতি অগাধ প্ৰেমজন্মা হৃদয়ৰ ৰসভৰা অধিক আবেগক অনুৰাগ বোলে। এয়ে ৰাগাস্মিক ভক্তি। পৰমাত্মাত সম্পূৰ্ণ আত্মা সমৰ্পণ (Alosolute resignation) বা সৰ্তবিহীন আত্মবিলোপ (Unconditional surrender) হোৱাকে ভক্তি বোলা হয়।

গুৰুজনাই কৈছে- ভকতিত পৰে ধৰ্ম নাহি সংসাৰত।
চাৰিও বেদৰ জানা এহি সাৰ তত্ব।।"

প্ৰহলাদে দৈত্যশিশুসকলক কৈছিল -

'নেলাগে ভক্তিত দেব দ্বিজ ঋষি হইবে।
নেলাগে সম্ভৃত শাস্ত্ৰ বিস্তৰ জানিবে।
তপ জপ যজ্ঞ দান সৱে বিড়ম্বন।
কেৱল ভক্তিত তুষ্ট হোন্ত নাৰায়ণ।।"

অৰ্থাৎ বেদৰ সাৰহত্ব, শাস্ত্ৰৰ সাৰবস্তু ভকতি। তপ-জপ যজ্ঞ দানাদিত কৈ ভকতিহে শ্ৰেষ্ঠ; কাৰণ ভগৱন্ত কেৱল ভক্তিত হে সন্তোষ্ট হয়।

ভাগৱতৰ বিভিন্ন স্থানত ভক্তিযোগৰ মাহাত্ম্যৰ কথা কোৱা হৈছে। একাদশ স্কন্ধৰ দ্বিতীয় অধ্যায়ত সিদ্ধ কবিয়ে কৈছে নিমিৰজাৰ আগত আত্যন্তিক সুখ লাভৰ কথা ভক্তিয়েই আত্যন্তিক সুখ আনি দিয়ে। কৃষ্ণৰ পাদ পদ্মত সেৱা কৰাত কোনো ভয় নাথাকে, দেহ-গেহ আদি অসাৰ, অনিত্য; তাক আত্ম ভাব কৰি সংসাৰত দুঃখহে পোৱা যায়। তাৰ পৰিবৰ্তে কৃষ্ণ বোক প্ৰাধান্য দিলে সংসাৰ ভয় নাথাকে। অজ্ঞানতাক জ্ঞানৰ দ্বাৰা দূৰ কৰিব পাৰি। কৃষ্ণত বিমুখ হ'লে মায়াই জীৱক বেৰি ধৰে। মায়া মনক মোহময় কৰে আৰু অহঙ্কাৰৰ ভাব প্ৰবল কৰে তেতিয়া বিনাশী দেহক লৈ জীৱই অহঙ্কাৰ কৰে আৰু প্ৰকৃত জ্ঞান লোপ পায়। লগে লগে মনলৈ ভয়, ভ্ৰান্তি, দুঃখ, শোক দিয়ে আবৰি ধৰে। এইদৰে দুৰ্ঘোৰ সংসাৰত জন্মগ্ৰহণ কৰি, দুখ ভুগি লোকে মৃত্যু বৰণ কৰে। ব্যভিচাৰশূন্য ভকতিৰে কৃষ্ণক ভজি, গুৰুকে আত্মা ঈশ্বৰ মানি ভয় আৰু মায়া দূৰ কৰিবলৈ যত্ন কৰা উচিত। দেহভাব এৰি আত্মাত ৰতি কৰিলে কৃষ্ণই মুক্তি দান কৰে।

দ্বিতীয় স্কন্ধৰ দ্বিতীয় অধ্যায়ত শুকে পৰীক্ষিতক কৈছে যে মোক্ষ সাধনৰ বাবে তপ, যোগাদি বহুত পন্থা আছে, যদিও ভক্তিযোগ শ্ৰেষ্ঠতম। পূৰ্বতে ব্ৰহ্মাই সমস্ত বেদক তিনিবাৰ প্ৰমাণ কেৱল হৰিৰ ভকতিকে পালে। এততব মনুষ্যে কায় বাক্য মনে হৰিৰ কীৰ্তন শ্ৰৱণ স্মৰণ কৰিব লাগে। তৃতীয় স্কন্ধৰ নৱম অধ্যায়ত ঈশ্বৰক বিচাৰে, সেই ভাবেই লাভ কৰে। তৃতীয় স্কন্ধৰ বাইশ অধ্যায়ত কপিলে মাতৃ দেহহুতিক কোৱা কথা -

"পৰম ঈশ্বৰ/ভজনীয় দেৱ/মোত পৰে আন নাই।।
কায় বাক্য-মনে/মোৰ পাদ পদে/ভজা নানা গুণ গাই।।"

চতুৰ্থস্কন্ধৰ চৰ্ব্বিশ অধ্যায়ত ত্ৰিণয়ণে দশ প্ৰচেতাক কৈছিল- "কৃষ্ণক আৰাধি, একান্তভাৱে ভক্তি কৰিবা, স্বৰ্গসুখৰ পৰিত্যাগ কৰিবা, কৃষ্ণৰ পদমূল নেৰিবা, তেওঁ সমস্ত ভূততে আত্মাৰূপে বিৰাজ কৰি আছে, তেওঁৰ গুণ-যশ নিতো শ্ৰৱণ কৰিবা, কীৰ্তন কৰিবা।"

ষষ্ঠ স্কন্ধৰ দ্বাদশ অধ্যায়ত বৃত্ৰক শুনাই ইন্দ্ৰই কৈছিল "মোক্ষদিব পৰা ঈশ্বৰক তুমি ভকতি কৰি আছা, যাৰ মন ভকতিত নিমগণ হ'ল, তেওঁৰ বাবে স্বৰ্গসুখৰ প্ৰয়োজনেই বা ক'ত। যি জনে অমৃতৰ সাগৰত ক্ৰীড়া কৰে, তেওঁ বৰষুণৰ পানীত ক্ৰীড়া কৰাৰ প্ৰয়োজন নাই।" সপ্তম স্কন্ধত প্ৰহলাদে দৈত্য শিশুসবক কৈছিল যে- দেৱ, দ্বিজ,ঋষি আদিয়ে দান, যজ্ঞ, তপ ব্ৰত, শৌচ আচৰণ কৰে আৰু সমস্ত শাত্ৰৰ তত্ব জানে, তথাপি হৰি সেইবোৰত সন্তোষ্টি নহয়। কেৱল অব্যভিচাৰী- ভকতিত হে সন্তোষ্টি লাভ কৰে। ভকতিৰ বাহিৰে

মুকুন্দৰাৰে বিড়ম্বন মাত্ৰ।

দশম স্কন্ধত কৃষ্ণ দেৱৰ চৰণত অৱণত হৈ শ্ৰুতদেৱে কৈছিল - "কৰ্মত বিশ্বাসীজনৰ হৃদয়ৰ পৰা শ্ৰীহৰি নিলগত থাকে, অহঙ্কাৰ থাকিলেও যিজনৰ শ্ৰৱণ কীৰ্তন ধৰ্ম থাকে, তেওঁ ভগৱানৰ অনুগ্ৰহ প্ৰাপ্ত হয়। একাদশ স্কন্ধত কৃষ্ণৰ আগত অৱনত হৈ উদ্ধাৱে কোৱা কথা হৈছে - "হে বিশ্বেশ্বৰ, কমল-লোচন, যি মহাজনে কৰ্মকাণ্ড ত্যাগ কৰি ঈশ্বৰক ভক্তি কৰে তেওঁ কৃতকৃত্য হয়, যিজনে ঈশ্বৰক নভজে তেওঁ মায়ায়ে মোহে। অষ্টম স্কন্ধত সত্যব্ৰত ৰজাই কৃষ্ণক স্তুতি কৰিছে- "সুখৰ ইচ্ছাৰে অসুৰ কৰ্ম কৰাজনে নিজকৰ্মফলে কৰ্মত বন্ধ হয়, ইহ পৰলোকে সংসাৰতে দুখ ভুগিব লগা হয়। সংসাৰ ভয় দূৰ কৰিব কেৱল ভকতিয়েহে পাৰে।

দশম স্কন্ধৰ চতুৰ্দশ অধ্যায়ত ব্ৰহ্মাই কৃষ্ণৰ আগত কয় যে ভগৱানৰ মহিমা নজনাজনে যদি মহন্তৰ সঙ্গত থাকি কৃষ্ণকথা শুনে, আদৰ কৰে, তেওঁ অচিৰে ভগৱানক লাভ কৰিব পাৰে। দশমৰ সাতাশী অধ্যায়ত উল্লিখিত বেদ স্তুতিত কৃষ্ণক বেদগণে স্তুতি কৰিছে - "হে প্ৰভু, তোমাৰ মহিমা আমি নাজানো, তুমি দীন বন্ধু, দয়াসিন্ধু, নৰহৰি, তুমি আমাক ভকতিৰ প্ৰসাদ দিয়া। দশম স্কন্ধৰ অন্তত শুকে কৃষ্ণ-ভকতি মহিমাৰ বিষয়ে কৈছে- "যি জনে মুকুন্দৰ কথা শ্ৰৱণ-কীৰ্তন কৰি ফুৰে তেওঁ বৈকুণ্ঠ গতি লাভ কৰে।" একাদশ স্কন্ধৰ তৃতীয় অধ্যায়ত প্ৰবুদ্ধই নিমিৰজাৰ আগত কোৱা কথা হৈছে -

"ঈশ্বৰ হৰিৰ জন্ম কৰ্ম-গুণ যত।
শ্ৰৱণ কীৰ্তন ধ্যান কৰিব সতত।।
হৰিৰ উদ্দেশ্যে কৰ্ম কৰিব নিশেষ।
কৰিব ভাৱনা লৈয়া গুৰু উপদেশ।
তপ জপ দান সদাচাৰ ধৰ্মচয়।
পুত্ৰ-দাৰা দেহ গেহ আদি সমস্তত।
গন্ধ চন্দনাদি আত্মপ্ৰিয় বস্তু য'ত।
সেবকতা ভাবে সমৰ্পিব বস্তু য'ত।

ঈশ্বৰ কৃষ্ণৰ গুণ-যশ কৰ্মাদিৰ কথা শ্ৰৱণ কীৰ্তন কৰিব, ঈশ্বৰৰ উদ্দেশ্যে কৰ্ম কৰিব, সদাচাৰ ধৰ্ম কৰিব, পুত্ৰ-দ্বাৰা ধন আদিত ভগৱন্তত অৰ্পণ কৰিব।

একাদশ স্কন্ধৰ একাদশ অধ্যায়ত ভকতিৰ লক্ষণ সমূহ কৃষ্ণই ব্যক্ত কৰিছে - " মোৰ ভকতক, মোৰ প্ৰতিমাক স্পৰ্শ কৰিৰ, দৰ্শণ কৰিব, স্তুতি কৰিব, পৰিচৰ্য্য আৰু পূজা কৰিব। মোৰ গুণ নাম সদায় কীৰ্তন কৰিব। মোৰ কথা শ্ৰৱণত শ্ৰদ্ধা কৰিব। মোৰ চৰণত কেৱল সেৱা জনাব। বাদ্য বাই, মোৰ গীত-গাই নৃত্য কৰিব। মহোৎসব কৰি ধূপ-দীপ, পুষ্প দিব, মোৰ (নাম) ঘৰ লিপিব, মাৰ্জিব, মোকে ভাবিব, নৈবেদ্য মোকে দিব, আদি ধৰ্মানুষ্ঠান কৰিব। প্ৰথম স্কন্ধৰ পঞ্চম অধ্যায়ত নাৰদে ব্যাসক কয় কৃষ্ণ যশসমূহ আৰু পৰম পৱিত্ৰ বাক্যই মানুহৰ পাপ ধুই নিকা কৰে। মহন্ত সকলে নামৰ কথা কয়, তাক শুনোতাই শ্ৰদ্ধাৰে শুনিব লাগে। শ্ৰোতা আৰু বক্তাৰ শ্ৰদ্ধা হ'লেহে নামৰ মহিমা তিষ্ঠে -

'কহন্তা থাকিলে শুনে মহাকৌতুহ'লে।
শুনন্তা থাকিলে মহা আনন্দে কহয়।।
কহন্তা শুনন্তা যেবে দুয়ো নাথাকয়।
আপুনি গাৱয় সদা নাম মাধৱৰ।।"

প্ৰথম স্কন্ধৰ অষ্টম অধ্যায়ত কুন্তীয়ে কৃষ্ণৰ আগত কৈছিল- কৃষ্ণ গুণৰ কথা শুনিলে, গালে স্মৰণ কৰিলে, আনে গালে তাক প্ৰশংসা কৰিলে কৃষ্ণ পাদ-পদ্ম লাভ হয় আৰু সংসাৰৰ দুঃখ নিগমন হয়। প্ৰথম স্কন্ধৰ অষ্টাদশ অধ্যায়ত শৌনকাদি মুনিয়ে সুতৰ আগত কৈছিল - "আমাৰ কৰ্মত আৰু বিশ্বাস নাই, ফল আশাও নকৰো, কাৰণ তাত বিঘ্নি বহুত, কৃষ্ণ কথা শুনি আমাৰ হৃদয় জুৰাওক শোক-সন্তাপ দূৰ হওক।"

প্ৰথম স্কন্ধৰ দ্বিতীয় অধ্যায়ত সুতে শৌনকাদিক কৈছিল -

"বোলন্ত যতেক ধৰ্ম আছয় সকল-
ভক্তি বিনে সিটো ধৰ্ম শ্ৰমসে কেৱল।।
ভকতি প্ৰধান ধৰ্ম এতেকে সদায়।
মহাযত্নে আচৰিত পৰম শ্ৰদ্ধায়।।"

ভক্তিয়েই জগতত মানবৰ কাৰণে একমাত্ৰ ধৰ্ম, হৰিয়েই পৰমধ্যেয় গতিকে পৰম শ্ৰদ্ধাৰে হৰি ভক্তি কৰি কাল কটোৱা উচিত। কৃষ্ণত একশৰণ হৈ ভক্তি কৰিলেহে ভক্তি পৰিপূৰ্ণ হয়। নাম-ঘোষাত উল্লেখআছে - "শৰণেসে নিজ ভকতিৰ বীজ

প্ৰেমানন্দ তাৰ ফল।
শৰণ নলৈয়া ভকতি কৰয়
যেন এৰাঁ ঘটৰ জল।।"

ভকতিয়েই পিতৃ ভকতিয়েই মাতৃ ভত্তয়েই সুহৃদ-ধন। ভক্তিবিহীন লোকে সংসাৰত কোনোপধ্যে মুক্তি পাব নোৱাৰে। ভকতি-মুক্তিৰ দুৱাৰ।

**কথা ভক্তিৰত্নাকৰ**

**একাদশ অধ্যায় বা মাহাত্ম্য**

উত্তমা ভকতি

মহাপুৰুষ শঙ্কৰদেৱে ভক্তিৰত্নাকৰত উত্তৰা, অন্তৰঙ্গৰ নিৰ্গুণা, আৰু সপ্রেম ভকতিৰৰ বৰ্ণনা দিছে। ভক্তি মুঠতে আশীবিধ। ভক্তিক বিভিন্ন ধৰণে ভাগ কৰা হৈছে।

১। হেতুকী- অহেতুকী।

২। ভাগৱতৰ মতে- সাধন ভক্তি আৰু সাধ্যভক্তি।

৩। গীতাৰ মতে- চাৰিবিধ আৰ্ত্ত, জিজ্ঞাসা অথাৰ্থী জ্ঞানী।

৪। গুণৰ ওপৰত ভিত্তিকৰি- তামসিক তিনিবিধ, ৰাজাসক তিনিবিধ, সাত্ত্বিক তিনিবিধ।

৫। ভক্তিৰত্নাৱলীত - নবিধ নিৰ্গুণ ভক্তি-শ্ৰৱণ, কীৰ্তন, স্মৰণ, অৰ্চ্চণ, বন্দন, আত্ম-নিবেদন, পাদসেৱন, দাস্যস সখিত্ব।

৬। আন এক প্ৰকাৰে বাৎসল্য, দাস্য সখ্য, মাধুৰ্য্য, বৈষ্ণৱ বা বৈৰ মুঠ পাঁচবিধ ভক্তি।

৭। আন এক প্ৰকাৰে - নিগুণা, কেৱলা, সপ্রেমা- তিনিবিধভক্তি। গুৰুজনে সকলোবোৰৰ মাজৰ পৰা উত্তমভক্তি, অন্তৰঙ্গভক্তি, নিগুণা আৰু সপ্রেম ভকতিকে নিৰূপণ কৰিছে। ইয়াতেই সকলো ভক্তিৰ উত্তম ভাগ নিহিত হৈ আছে। ইয়াত প্ৰথমে উত্তমাভক্তিৰ বিষয়ে আলোচনা কৰা হ'ব।

তৃতীয় স্কন্ধৰ উনত্ৰিশ অধ্যায়ত দেৱহুতিয়ে কপিলক সুধিলে- উত্তমা ভকতি কি?" কপিলে ক'লে- "হে মাৰ, অতি শুদ্ধমণেৰে, ইন্দ্ৰিয় বৃত্তিক দমন কৰি, কোনো কামনা নকৰাকৈ ভগৱানক বিচৰাই ভাগৱত ভক্তি। এই ভক্তি মোক্ষতকৈও উত্তম আৰু পৰমআনন্দ ময়। পুৰুয়ে ভকতিৰ যোগে লিঙ্গ-দেহৰ ভয় দূৰ কৰিব পাৰে আৰু অনায়াসে মুক্তি লাভ কৰে।

"ভকতিয়ে পুৰুষৰ লিঙ্গ-দেহ ভগ্ন কৰে
বিনা যত্নে মুকুতিক পাৰে।
যেন উদৰৰ বহ্নি ভূঞ্জে প্ৰাণী অন্নযত
জীৰ্ণ কৰে সবাকো স্বভাৱে।"

"মুক্তিত কৈ ভক্তি গৰীষ্ঠ বাবে একান্ত কৃষ্ণ-ভক্তই সাযুজ্য মোক্ষকো নিবিচাৰে। মোৰ পদ সেবাতে যাৰ সদা মতিথাকে, মোৰ অৰ্থেই সৰ্ব্বচেষ্টা কৰে, মোৰ গুণানুকীৰ্তন কৰে, মোক প্ৰসংসা কৰে, ইহ পৰলোক সুখ নিবিচাৰি, পুত্ৰ-দাৰা ধন জনৰ আৰু গেহৰ প্ৰতি আসক্ত নহয়, এই সমস্ত ত্যাগ কৰি মোক চৰণত ভক্তিকৰে- তেওঁক মই ভক্তি মুক্তি দি ঘোৰ সংসাৰৰ পৰা উদ্ধাৰ কৰোঁ। বৈকুণ্ঠৰ সালোক্যাদি পদ দিলেও মোৰ ভকতে তাক নলৈ মোক ভকতিহে কৰে।

ষষ্ঠ স্কন্ধৰ প্ৰথম অধ্যায়ত শুকে পৰীক্ষিতক কৈছে যে জ্ঞান প্ৰায়শ্চিত অতি দুষ্কৰ, ভক্তিহে কেৱল পাতক নিবাৰনৰ একমাত্ৰ উপায়। আকাশৰ নিয়ৰ সূৰ্য্যৰ তাপে শোষণ কৰে কৃষ্ণ ভক্তি পাপ বিনাশৰ অদ্বিতীয় মহৌষধ। পঞ্চম স্কন্ধৰ ষষ্ঠঅধ্যায়ত শুকে কয়-পাণ্ডৱ আৰু যাদব বংশই কৃষ্ণক অগাধ ভক্তি কৰাৰ বাবে কৃষ্ণ তেওঁলোকৰ ভক্তিত নিজেই বশ্য হ'ল আৰু নানা উপদেশ দি, বিপদত সহায় কৰি দুয়োকুলক উদ্ধাৰ কৰিলে। ভক্তিত ভগৱান কিঙ্কৰ ৰূপে বন্দী হয়। পাণ্ডৱৰ সাৰথি হৈ কৃষ্ণই পাণ্ডৱক অপৰাজেয় কৰিলে আৰু মুক্তিয়ো দিলে। কৃষ্ণক সপ্রেম ভকতিৰে বান্ধিব পাৰিলে মুকুতি পোৱাতকৈ সুখ পোৱা যায়। দশম স্কন্ধৰ সাতাশী অধ্যায়তবেদ স্তুতিত আছে যে ভকতি মুক্তিতকৈ শ্ৰেষ্ঠতৰ। কৃষ্ণৰ অমৃতসাগৰত ক্ৰীড়া কৰাজনে ধৰ্ম-অৰ্থ কাম মোক্ষ লাভ কৰে।

একাদশস্কন্ধৰ চতুৰ্দ্দশ অধ্যায়ত কৃষ্ণই মুখ্য-ভক্তিৰ কথা ব্যক্ত কৰিছে।

"বোলন্ত উদ্ধৱ মোত মন অৰ্পি সমস্তত
নিৰপেক্ষ ভৈল যিটো নৰে।
আত্মাৰ-স্বৰূপ মই পৰম আনন্দ ৰূপে
হওঁ তাতে সাক্ষাতে প্ৰকত।।

ভগৱন্তত মন অৰ্পি সকলোতে নিৰপক্ষ হ'লে ভগৱন্তই আত্মাৰূপে ব্যক্ত হয়।

একাদশ স্কন্ধৰ তৃতীয় অধ্যায়ত-নিমিক প্ৰবুদ্ধই কয় যে-জগতত বিত্তৰ প্ৰভাৱ অতি প্ৰবল, বিত্তৰ কামনা এৰি একান্তভাৱে কৃষ্ণক ভজিলে মহাভাগ্য উদয় হয়। সূৰ্য্যক চকুৰ আগত দেখা পালে অন্ধকাৰ আতৰি যোৱাৰ দৰে মনৰ পৰা বিতৰ আশাছেদ হ'লে কৃষ্ণ দৰ্শণ লাভ হয়। উত্তম ভকতিক আশ্ৰয় কৰিলে পৰম গতি লাভ হ'বই।

**কথা ভক্তিৰত্নাকৰ**

**দ্বাদশ অধ্যায় বা মাহাত্ম্য**

ভক্তিযোগ

মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰৱৰ্তিত ধৰ্মানুষ্ঠান সমূহৰ ভিতৰত মূল বস্তু ভক্তি। চাৰিবেদে সীমা দিব নোৱাৰা ঈশ্বৰক কেৱল ভকতিৰে লাভ কৰিব পাৰি ঈশ্বৰ কৃষ্ণক কায়-মন বাক্যেৰে ভজাই ভক্তি। ভজ্ +ক্তিন+ভক্তি হৃদয়ৰ বস্তু। ভগৱন্তত অনুৰাগ জন্মাকেই অথাৎ ভগৱন্তৰ পাদ পদ্মত অনুৰাগ হোৱাকেই ভকতি বোলে। ঈশ্বৰ জগতৰ সকলোপ্ৰাণীৰ হৃদয়ত থাকে যদিও জগতৰ দোষ গুণে তেওঁক স্পৰ্শ কৰিব নোৱাৰে। সৰ্ব্বতে ভগৱন্ত বিৰাজমান যদিও

তেওঁৰ একৰূপত নাথাকে সৰ্ব্বৰূপত তেওঁ প্ৰকাশ নাম হৈ থাকে। সমস্ত প্ৰাণীয়েই তেওঁৰ ৰূপ।

"সমস্তে প্ৰাণীক মোৰ ৰূপমনে মান।
কৰা তুতি প্ৰণতি উদ্ধৱ মহাজ্ঞানী।।

"সমস্ত প্ৰাণীকে ঈশ্বৰ বুলি দেখিব , মানিব, শ্ৰদ্ধা কৰিব; তেতিয়াই মোক ভক্তি কৰা হয়।" কৃষ্ণই এইদৰে কয়।

"ব্ৰাহ্মণ, চণ্ডাল, চোৰ দাতা ক্ৰুৰ শান্ত।
সবাতে আমাক তুমি দেখিবা নিতান্ত।।"

ব্ৰাহ্মণ-চণ্ডাল, চোৰ-শান্ত আদি সকলোতে ভগৱানৰ ৰূপ বুলি ভাবি সমভাৱে ব্যৱহাৰ কৰিব। এই সমদৃষ্টিৰে সকলোকে দেখিলে ভগৱান তুষ্ট হয়, কাৰণ সকলোতে তেওঁৰ অংশ আত্মা বিৰাজ কৰিছে।

"তেজি লাজ গৰ্ব্ব-মান আদি সকলোবোৰ পাৰ্থিব। দেহধৰ্মী এই দ্বন্দ্ববোৰৰ মাজত স্বৰূপতে কোনো পাৰ্থক্য নাই। আত্মাৰ লাজ-মান, গৰ্ব্ব-অহঙ্কাৰ নাই। মান -গৰ্ব্ব সদায় নাথাকে, লাজ অপমান সদায় নাথাকে, এইবোৰ দেহৰ অবসানৰ লগে লগে মাৰ যায়।

সমস্ত ভূততে যি পৰ্য্যন্ত সাম্যভাব নাহিব, সমস্ত ভূতকে ভগৱানৰ ৰূপ বুলি ভাবিব নোৱাৰিব, সেই পৰ্য্যন্ত কায় বাক্যমনে যত্নসহকাৰে ভগৱানক উপাসনা কৰিব লাগে। যেতিয়া সকলোতে ঈশ্বৰ স্বষ্ট প্ৰাণীক ঈশ্বৰ বুলি ভাবিব পাৰিলে মনৰ সংশয় দূৰ হ'ব।

সকলো সাধনাৰ ভিতৰতে ই মহামুখ্যতম আৰু এই সাধনাত ভগাৱানৰ পৰম সন্তোষ্টি। মোক্ষৰ অনেক উপায় থাকিলেও ই মুখ্য পন্থ। ভগৱন্তক ভজা ভক্তি কেতিয়াও বিনাশ প্ৰাপ্ত নহয়। সকলো লৌকিক ধৰ্ম নিষ্ফল। ভয়, শোক আদিৰ বাবে লোকে নিৰন্তৰ দুখভোগে, পলায়ন, ক্ৰন্দন আদি ভাৱে লোকক নেৰে, কোনো দিনে শোক-তাপৰ পৰা অব্যাহতি নাপায়। কিন্তু নিৰ্মল ধৰ্মত থকা সকলে শোক, তাপ, ভয় আদিৰ পৰা আতৰি থাকি সফল জীৱন যাপন কৰে। যি জন পৰম বুদ্ধিমন্ত আৰু চতুৰ, তেওঁলোকে বিনাশী শৰীৰতে ভগৱানক ভজি জীৱন সাৰ্থক কৰে। একাদশ স্কন্ধত কৃষ্ণই এইখিনি কথা উদ্ধৱক কৈছিল -

এই তত্ত্বজানি ঈশ্বৰৰ চৰণত একান্ত শৰণ লৈ মুখ্যতমা অন্তৰঙ্গ। ভক্তি কৰি ভগৱান্তক লাভ কৰিব পাৰে। অন্য প্ৰকাৰে ঈশ্বৰক লাভ কৰা দুৰূহ।

অন্তৰঙ্গ ভকতি মানে অন্তৰত আনন্দ দিব পৰা ভকতি। অন্তৰৰ আনন্দ উদভাসিত কৰিব পৰা ভক্তিয়েই আচল ভক্তি। অন্তৰ মানে হৃদয় বা চিত্ত। হৃদয়ত ভগৱন্তই আত্মাৰূপে বিৰাজ কৰে। সৎ চিতআনন্দই ঈশ্বৰ। ভগৱান পৰমসত্য, ভগৱান চিত্তত আভাসৰূপে থাকে, ভগৱান আনন্দস্বৰূপ। সেই বাবে ভগৱানক সচ্চিদানন্দ বোলা হয়। প্ৰকৃতি, মহদতত্ত্ব, অহঙ্কাৰ, পঞ্চমহাভূত, ইন্দ্ৰিয়গণ, তিনিগুণ, দেহতবন্দী আৰু এই সাতাইশ তত্ত্ব জড়। চৈতন্য শক্তিহে সনাতন। পৰমাত্মাৰ অংশস্বৰূপ আত্মা আৰু আত্মাৰ প্ৰতিফলিত জীৱাত্মাই দেহৰ ভোক্তা হিচাবে কৰ্মকৰে। গতিকে আত্মাত আনন্দৰ সৃষ্টি হ'লে বাকীবোৰ আত্মাৰ আনন্দেৰে আনন্দিত হয়। অন্তৰত আনন্দ দিব পৰা ভক্তি হৈছে- উত্তম ভক্তি। ভগৱন্তৰ চৰণ পঙ্কজত একাত্মভাৱে ভজিব পাৰিলেহে মুক্তিলাভ কৰিব পাৰে। ভক্তি ৰসত আপ্লুত হ'লে মুক্তিকো নেওচিব পাৰে। যি ভক্তিৰ দ্বাৰা ভগৱানৰ লগত নিবিড় সম্বন্ধ গঢ়ি উঠে, সেয়ে অন্তৰঙ্গ ভকতি বোলা হয়। সকলো প্ৰাণীতে ঈশ্বৰক দেখা মানেই ভাগৱত ধৰ্ম।

**কথা ভক্তিৰত্নাকৰ**

**ত্ৰয়োদশ অধ্যায় বা মাহাত্ম্য**

নিৰ্গুণা -ভকতি

ভক্তি প্ৰধানত দুবিধ সগুণ আৰু নিগুণ। সগুণ মানে তিনি গুণৰ মাজত থাকি ভক্তি কৰা আৰু নিৰ্গুণ মানে তিনিগুণৰ পৰা আতৰি কৰা ভক্তি। সগুণ ভক্তিত কামনা থাকে আৰু নিগুণ ভক্তিত কামনা নাথাকে অৰ্থাৎ নিষ্কাম ভকতি। সকামী সকলোকো ভগৱানে বিচৰামতে ফল দিয়ে, নিষ্কামভাৱে ভক্তি কৰা সকলে ভগৱানৰ পৰা কোনো ফলাকাঙক্ষ নকৰে। ঈশ্বৰে সমস্তজগতৰ সমস্ত বস্তুকে বিচৰাজনক দিব পাৰে। ঈশ্বৰক অন্তৰেৰে ভালপোৱা ভক্তিত এটা আৰু কোনোস্বাৰ্থ সিদ্ধিৰ বাবে ভক্তি কৰাওএটা। ঈশ্বৰক ভক্তি কৰি কিবা ফল বিচাৰিলে ঈশ্বৰে সেইফলকে দিয়ে আৰু ই সীমাবদ্ধ; কিন্তু কোনো ফলাকাঙক্ষা নকৰিলে ভগৱানে তেওঁক সকলো দি সন্তোষ্ট কৰে। সেইবাবে গাতাতো নিষ্কাম ভক্তিৰ কথাহে কৃষ্ণই কৈছে। নিৰ্গুণ ভক্তি নিষ্কাম ভক্তিৰ সমগুণ বিশিষ্ট।

তৃতীয় স্কন্ধৰ উনত্ৰিশ অধ্যায়ত ভগৱান কপিলে মাতৃ দেৱহুতিৰ আগত কৈছে যে সগুণা ভকতি একাশী বিধ আৰু নিৰ্গুণা ভকতি মাত্ৰ এবিধ।

"সগুণ-ভকতি-ভেদ একাদশী প্ৰকাৰ।
নিৰ্গুণ ভকতি একবিধ মাধবৰ।।
জানা মাতৃ মোৰ গুণ শ্ৰৱণ মাত্ৰত।
মোতসে পৰম ৰতি ভৈলেক সতত।।

ভেদ দূৰ ভৈলে কৰে নিষ্কামে ভকতি।
নির্গুণ-ভকতি এহি কহিলো সম্প্রতি।।"

কপিলে কৈছে- "মোৰ গুণ শ্ৰৱণ কৰিলে মোত পৰম ৰতি হয়, তেতিয়া ভেদজ্ঞান দূৰহয়, আৰু মনত নিষ্কাম ভাৱৰ উদয় হয়। কামনা শূন্য হ'লে মন নির্মল হয় আৰু ঈশ্বৰত আচলা ভক্তি হয় আৰু তেতিয়াই নির্গুণ ভকতিৰে ভগৱন্তক লাভ কৰিব পাৰে।

একাদশ স্কন্ধৰ বিংশতি অধ্যায়ত কৃষ্ণই উদ্ধৱক কয়- "জ্ঞান কর্ম তিনি গুণময়, কর্মত বন্ধ হৈ জীৱই সংসাৰত বাৰম্বাৰ সংসাৰত জন্ম গ্ৰহণ কৰি সংসাৰ চক্ৰত অহা-যোৱা কৰে। গুণমায়াৰ দ্বাৰা আবৰ্ত্তিত জীৱই মুক্তি নাপায়। মায়াৰ পৰা আতৰি আহিব নোৱাৰা লৈকে তাতে পিঞ্জৰাবদ্ধ পক্ষীৰ দৰে বন্দী হৈ থাকে। যিদিনাই মায়াৰ বান্ধোনৰ পৰা ওলাই আহিব সেইদিনা মুক্তি পাব। মায়াৰ পৰা মুক্তি পোৱাৰ ভক্তিৰ বাহিৰে আন নাই।"

"তিনি গুণময়, জ্ঞান-কর্ম আদি যত।
সেহি কর্মে বন্ধ হুয়া। জীৱে সংসাৰত।।
ঘূৰি থাকে নানা বিধ শৰীৰক ধৰি।
এৰাৱে গুণক মোৰ ভকতি আচৰি।।
মোতে নিষ্ঠ হুয়া মোক ভক্তি মাত্ৰ কৰে।
তেবে অনায়াসে মোক্ষ পাৱে সিটো নৰে।।"

"গতিকে মোতে নিষ্ঠ হৈ মোক ভক্তি কৰা, মোৰ ভকতিৰ প্ৰভাৱে ত্ৰিনিগুনাত্মক মায়াৰ পৰা উদ্ধাৰ হ'বা।" সেইবাবে বিচক্ষণ জনে কৃষ্ণ-ভক্তি আচৰি মুক্ত হয়। মানৱ জন্ম পোৱাটো বহু সাধনাৰ ফল আৰু ই উত্তম জন্ম। মানৱ জন্ম-বিজ্ঞানৰ জন্ম, বিজ্ঞানময় দেহ লাভ কৰি ভগৱানক সাধনা কৰিব পাৰে। আন কোনো প্ৰাণীৰ জন্মলৈ হৰি ভক্তি কৰিব নোৱাৰে।

"পায়া আছে নৰদেহা সবাতে উত্তম।
জ্ঞান বিজ্ঞানৰ ইটো সাধন পৰম।।
হেন দেহা পায়া গুণ-সঙ্গ পৰিহৰি।
ভজোক মোকেসে মাত্ৰ একচিত্ত কৰি।।"

"গুণৰ সান্নিধ্য এৰি মোক ভজিলে জীৱন সাৰ্থক হ'ব।"

প্ৰথমস্কন্ধৰ অষ্টম অধ্যায়ত কুন্তীয়ে কৃষ্ণৰ আগত কৈছে - গঙ্গাৰ প্ৰবাহ যেনেকৈ কোনো বাধা নগৰি অনবৰতে বৈ গৈ সাগৰত পৰিছে, তেনেকৈ সকলো বাধা-বিঘিনিকো নগনি কৃষ্ণত মতি দি কৃষ্ণকে ভক্তি কৰিব আৰু কৃষ্ণতে মিলিযোৱাৰ চেষ্টা কৰিব। একাদশ স্কন্ধৰ একাদশ অধ্যায়ত উদ্ধৱক কৃষ্ণই কৃষ্ণ ভজনৰ মাহাত্ম্য প্ৰকাশ কৰিছে। সমস্ত বিধি নিষেধ আৰু বেদধৰ্ম, অন্যকৰ্ম ত্যাগ কৰি কায়-বাক্য মনে কৃষ্ণত শৰণ ল'বলৈ কৈছে । কৃষ্ণই সমস্ত ভয়, আপদ, বিপদ দূৰ কৰি কৃষ্ণত শৰণ লোৱা জনক ৰক্ষা কৰে। চক্ৰপাণিয়ে সমস্ত গীতাৰ সাৰ আনি অৰ্জ্জুনক কৈছে যে তেওঁ শৰণীয়াৰ মনৰ ভয় দূৰ কৰিবই।

"নকৰিবা ভয় তুমি কিঞ্চিতো মনত।।
সমস্তে গীতাৰ মৰ্ম উদ্ধদ্ধাৰিয়া আনি।
অৰ্জ্জুনত কৃপায়ে কহন্ত চক্ৰপানি।।
বোলে অৰ্জ্জুনক শুনা বান্ধৱ পৰম।
কহোঁ গুহ্যতমতো পৰম গুহ্যতম।।
সিজয় সমস্তে ধৰ্ম মোৰ ভকতিত।
সুহৃদ বিশ্বাসে হেন কৰিয়া বুদ্ধিত।।
তেজি বিধিকিঙ্কৰ যতেক ধৰ্মগণ।
মোতেসে কেৱল এক হয়োক শৰণ।।"

কৃষ্ণই অৰ্জ্জুনক কৈছে - "তুমি কিঞ্চিতো মনত সংশয় নাৰাখিবা, মই তোমাক অতি গোপনীয় তত্ব কথা কম, সকলো ধৰ্ম পৰিহাৰ কৰি মোত শৰণ লোৱা; শৰণত দৃঢ় বিশ্বাস ৰাখিবা; মই তোমাক সমস্ত পাপৰ পৰা উদ্ধাৰ কৰিম।"

'যিহেতু আমাতে তুমি লৈলাহা শৰণ।
সমস্ত পাপতে মই কৰিবো ৰক্ষণ।।"

পাপে মোচন, পৰম মুক্তি পাবলৈ ঈশ্বৰ কৃষ্ণত একান্ত ভাৱে অনন্য শৰণ ল'ব লাগিব। শৰণ বা আশ্ৰয় লোৱাৰ পাচতে কৃষ্ণই অশ্ৰিতক সকলো প্ৰকাৰে ৰক্ষনা-বেক্ষন দিব। কৃষ্ণক নিৰ্গুৰ্ণ ভকতি কৰিলে কৃষ্ণই কৰোতা বশ্য হয় আৰু আশা পূৰণ কৰে অৰ্থাৎ মহামুক্তি প্ৰদান কৰে। আন কোনো উপায়েৰে ভগৱন্ত কৃষ্ণতৰ কৃপা লাভ হ'ব নোৱাৰে। এয়ে নিৰ্গুণা ভক্তিৰ মাহাত্ম্য।

**কথা ভক্তিৰত্নাকৰ**

**চতুদৰ্শ অধ্যায় বা মাহাত্ম্য**

সপ্ৰেম ভকতি

সপ্ৰেম ভকতি মানে প্ৰেমযুক্ত ভক্তি। মাতৃয়ে সন্তানৰ প্ৰতি যি স্নেহ কৰে, তাত কোনো স্বাৰ্থ নাথাকে; ই পৱিত্ৰ মৰম বা প্ৰেম। যশোদাৰ পুত্ৰ কৃষ্ণৰ প্ৰতি যশোদাৰ যি পুত্ৰস্নেহ, সেই স্নেহেই কৃষ্ণৰ প্ৰতি যশোদাৰ প্ৰেম; এই প্ৰেম বা বাৎসল্য প্ৰেম। অৰ্জ্জুন-উদ্ধৱ- বিপ্ৰদামোদৰৰ কৃষ্ণৰ প্ৰতি থকা প্ৰেম ময়ীভাব

বা বান্ধৱ স্নেহ সখ্যভাব; সখ্যভাবে কৰা ভক্তিক সখ্যভক্তি বোলে। এই ভক্তিত প্ৰেম বা ভালপোৱা থাকে। দাস হিচাবে গিৰিহঁতক ভক্তি কৰা দাস্যভক্তি। দাসৰ যি আনুগত্য তাত প্ৰেম আৰু শ্ৰদ্ধা মিহলি হৈ থাকে। গোপী সকলে কৃষ্ণক ভাল পাইছিল কৃষ্ণক স্বামী হিচাবে লৈ তেওঁলোকৰ প্ৰেম পাৰ্থিৱ নহয়, সেই প্ৰেমত জোনাকী পৰুৱাৰ পোহৰ আছে, দহিকাশক্তি নাই। গোপীসকল পৰম ভক্ত, কৃষ্ণ জগতৰ স্বামীৰূপী পতি-পৰমাত্মা। গোপী আৰু কৃষ্ণৰ মাজত থকা প্ৰেম ভক্তিপ্ৰেমেৰে আপ্লুত। সেইবাবে ঈশ্বৰক কেতিয়াবা পুত্ৰ, কেতিয়াবা বন্ধু, কেতিয়াবা গিৰিহত আৰু কেতিয়াবা পতি হিচাবে লৈ ভক্তি প্ৰেমৰ জৰীৰে টানকৈ বন্ধা অভেদভাৱক সপ্ৰেম ভকতি বোলা হয়।

ভক্তি ৰত্নাকৰত গুৰুজনে ভাগৱতৰ উদ্ধতিৰে সপ্ৰেম-ভকতিৰ মাহাত্ম্যৰ কথা বৰ্ণনা কৰিছে। একাদশ স্কন্ধৰ দ্বিতীয় অধ্যায়ত কবিয়ে নিমিৰজাক কৈছিল- যে ভগৱানক পোৱাৰ চাৰিটা পথ গীতাত উল্লেখ আছে কৰ্মযোগ, জ্ঞানযোগ, যোগ আৰু ভক্তিযোগ। ইয়াৰ ভিতৰত জ্ঞান আৰু কৰ্মযোগ সাধনা কৰাটো পৰম দুষ্কৰ। কিন্তু মাধৱৰ জন্ম কৰ্ম,লীলাসমূহ, ভগৱন্তৰ নাম সমূহ পৰম সুখদ আৰু এইবোৰ গীত গাই, শ্ৰৱণ কীৰ্তন কৰিব লাগে। লাজ, ভয় আদি এৰি পৰম আনন্দেৰে এইবোৰ কৰ্মসাধন কৰিলে ভগৱানক সততে জয় কৰিব পাৰে। লগতে প্ৰেম ভক্তিৰে কৃষ্ণক ভক্তি কৰিলে চিত্ত শুদ্ধ হয় ভগৱন্তই কৌতুক লাভ কৰি ভক্তক পৰম পদ দিয়ে। ইমান কালধৰি কৃষ্ণৰ পৰা বঞ্চিত হৈ আহিলো বুলি লোকে অনুতাপ কৰিলে কৃষ্ণই লোকক আদৰি লয়। কৃষ্ণক পালো পালো বুলি কেতিয়াবা ভক্তই চিঞৰি উঠে, তেতিয়া কৃষ্ণই লোকক সংসাৰ চক্ৰৰ পৰা টানি বাহিৰ কৰে। যোগসাধন দ্বাৰাও যোগীয়ে বহু কষ্ট কৰি ভগৱানক পোৱাত অসুবিধা হয়। ভোকাতুৰ লোকে প্ৰতি গৰাহ অন্ন ভুঞ্জাৰ লগে লগে পৰম তৃপ্তি লাভ কৰে, ক্ৰমে উদৰ পূৰণ হ'লে-সমস্ত ইন্দ্ৰিয়ই শান্তি লভে। সেইদৰে ভগৱানৰ সাধনা কৰোঁতে কৰোঁতে ক্ৰমে মন পৱিত্ৰ হয়, বৈৰাগ্য আহে।

সিন্ধু প্ৰবুদ্ধই একেকথাকে প্ৰকাশ কৰিছে। হৰিক সুমৰণ কৰিলে চিত্ত ক্ৰমে পৱিত্ৰ হৈ আহে আৰু অৱশেষত মন ঈশ্বৰত স্থিত হয়। তেতিয়া কৃষ্ণই কৰাৰ দৰে কৰ্মলীলা কৰে, কেতিয়াবা নাচে, কেতিয়াবা পুতনাক স্তন পান কৰি বধ কৰাৰ অভিনয় কৰে, কেতিয়াবা শকতক ওভটাই পেলায়, কেতিয়াবা অৰ্জুৰ্ণ বৃক্ষ উভালি পেলায়। একাদশৰ চতুৰ্দ্দৰ্শ অধ্যায়ত কৃষ্ণই উদ্ধৱক কৈছে-

"বোলন্ত উদ্ধাৱ শুনা ভক্তিৰ মহিমা।
ভকতিৰ অপাৰ গুণৰ নাহিসীমা।।
মোৰ ভকতিক কৰে যিজনে আশ্ৰয়।
কৈবো কিবা ভক্তিতাক পৱিত্ৰ কৰম।।"

ভক্তিৰ মহিমা অপাৰ। কৃষ্ণত আশ্ৰয় লোৱা জনৰ কোনো ভয় নাথাকে কৃষ্ণক ভকতিৰ মূল্য অনন্ত। প্ৰেমৰ ভৰত মাত গদগদ হয়, চিত্ত দ্ৰবীভুত হয়, প্ৰেমত মস্ত হৈ ক্ষণে কান্দে, ক্ষনে হাঁহে, লজ্জা এৰি নৃত্য কৰে, কৌতুক ভাৱে গীত গায়। এনে ভক্তই ত্ৰিভূবনক জয় কৰিব পাৰে। দেহে মনে চিত্তে কেৱল কৃষ্ণময় হৈ ভক্তি কৰে।

একাদশৰ পঞ্চম স্কন্ধত নাৰদে বসুদেবৰ আগত কয় -

"শয়ন ভোজন আদি নানা সময়ত।
বৈৰভাৱে সদায়ে চিন্তিলে মাধৱক।।
পহিলেক কৃষ্ণৰ দৰে সমান ৰূপক।।
প্ৰেম ভাৱে ভাৱে যিটো ঈশ্বৰ কৃষ্ণক।
কি কহিবো তেবে আৰ তাহাৰ ভাগ্যক।।"

"কৃষ্ণক বৈৰভাৱে অনবৰতে চিন্তলে কৃষ্ণৰ সাৰুপ্য মুক্তি লাভ কৰে। কংসই খাওঁতে, শুওঁতে, উঠোতে, বহোতে, দিনে-ৰাতিয়ে মৃত্যুৰ ভয়ত কৃষ্ণক চিন্তা কৰাৰ বাবে কংসই ঈশ্বৰৰ হাতত মৃতু লভি সাৰূপ্য গতিপালে। কিন্তু প্ৰেমভাৱে কৃষ্ণক ভজিলে কি ফল পাব, তাক কৈ শেষ কৰিব নোৱাৰি। প্ৰেম-ভকতিৰ কথা কৈ ওৰ পেলাব নোৱাৰি। সেইবাবে গুৰুজনে উপদেশ দিছে -

"শুনি লাহা সবে প্ৰেম ভক্তিৰ মাহাত্ম্য।
কৰিয়ো নিশ্চয় বুদ্ধি আপোন মনত।।"

যংশয়াত্মিকা প্ৰবৃত্তি মনক নিশ্চয়াত্মিক প্ৰবৃত্তি বুদ্ধিৰে মনত নিশ্চিত কৰিব কৃষ্ণত প্ৰেমময় ভকতি স্থাপনৰ বাবে। গোপীৰ প্ৰেমময়ী ভকতিয়ে কৃষ্ণক বান্ধিব পাৰিছিল বাবে গোপীগণ কৃষ্ণৰ পৰম ভক্তা।

**কথা ভক্তিৰত্নাকৰ**

**পঞ্চদশ অধ্যায় বা মাহাত্ম্য**

সগুণ-নিগুণ ভেদ

সত্ব ৰজ্য-তম তিনিগুমযণময় ভকতিক সাত্বিক, ৰাজসিক আৰু তামসিক ভক্তি হিচাবে গীতাত কৃষ্ণই ব্যক্ত কৰিছে। নিগুৰ্ণ বুলিলে তিনি গুণে ঢুকি নোপোৱা ভকতি। সগুণ আৰু নিগুৰ্ণৰ মাজত প্ৰভেদ আছে। ভক্তি-ৰত্নাকৰ শাস্ত্ৰত সগুণ-নিগুৰ্ণৰ ভেদ বৰ্ণনা কৰিছে। দেহা দিক এৰি এক আত্মা ঈশ্বৰৰ জ্ঞান হ'লে সাত্বিক জ্ঞান হয় আৰু ই পৰম প্ৰসিদ্ধ। দেহাৰ বাবে কৰা ভক্তিক

ৰাজসিক ভক্তি বোলে আৰু তামাসিক জ্ঞান বালক আৰু বোবাৰ তুল্য। কৃষ্ণই কৈছে- “মই ঈশ্বৰত মাত্ৰ যাৰ জ্ঞান হ’লে নিৰ্গুণ ভক্তি হয়। সাত্ত্বিক সকলে বনত, ৰাজসিক সকলে নগৰ আৰু গাঁৱত আৰু তামসিক সকলে জুৱা-পাশা খেলাদিত বাস কৰে। মই কিন্তু যি স্থানত থাকো সেই স্থান নিগুৰ্ণ স্থান।” বাস কৰা স্থান অনুসৰি বাসিন্দাই জ্ঞান আহৰণ কৰে। বনবাস বা নিৰ্জ্জণ পৰিবেশত সত্ত্ব জ্ঞানৰ, নগৰ-গ্ৰামত ৰাজসিক জ্ঞানৰ আৰু জুৱা-পাশা-মদ্যপানাদি কৰা স্থানত তামাসিক জ্ঞানৰ প্ৰাবল্য ঘটে আৰু ভগৱন্ত এনে স্থানত প্ৰকাশ নাপায়, প্ৰকাশ পাই সত্ত্ব ৰজ-তম গুণ শূন্য স্থানত। অৰ্থাৎ তিনিগুণময় স্থানৰ পৰা ভগৱন্ত আঁতৰি থাকে। সেই স্থান নিগুৰ্ণ, নিৰ্ম্মল, মহাপৱিত্ৰ। নিৰ্গুণ পুৰুষ সকল এনে ঠাইতহে বাস কৰে।

কৰ্তা চাৰিবিধ- সাত্বিক, ৰাজসিক, তামাসিক আৰু নিৰ্গুণ।

সাত্বিক কৰ্তা- যি সকলে ফলৰ আসক্তি এৰি কৰ্ম্মকৰে তেওঁলোক সাত্বিক কৰ্তা।

ৰাজসিক কৰ্তা- কৰ্ম্মফলত যাৰ মন নিমৰ্জ্জিত হয় তেনে লোক ৰাজসিক কৰ্তা।

তামাসিক কৰ্তা- জ্ঞানশূণ্য, নাজানি কৰ্ম কৰা সকল তামাসিক কৰ্তা।

নিগুৰ্ণ কৰ্তা - যি সকলে কৃষ্ণত একান্ত শৰণ লৈ কৰ্ম্মকৰে তেনেলোক নিগুৰ্ণ কৰ্তা।

সেইদৰে শ্ৰদ্ধাত চাৰিবিধ- সাত্বিক, ৰাজসিক, তামাসিক আৰু নিৰ্গুণশ্ৰদ্ধা।

সাত্বিক শ্ৰদ্ধা- এক আত্মাক শ্ৰদ্ধা কৰিলে-

ৰাজসিক শ্ৰদ্ধা- কেৱল কৰ্মত প্ৰবতন কৰিলে-

তামাসিক শ্ৰদ্ধা- ধৰ্মবুলি অধৰ্মত শ্ৰদ্ধা হ’লে-

নিগুৰ্ণ শ্ৰদ্ধা- ভগৱন্তৰ সেৱাৰ প্ৰতি শ্ৰদ্ধা হ’লে-

ভোজনো সেইদৰে চাৰিবিধ-

সাত্বিক ভোজন- অনায়াসে পোৱা শব্দ হিত দ্ৰব্য ভোজন সাত্বিক জনে কৰে।

ৰাজসিক ভোজন- ইন্দ্ৰিয়ৰ প্ৰাতি দায়ক জলা, টেঙা আদি দ্ৰব্য ভোজন কৰা।

তামাসিক ভোজন- শৰীৰক দুঃখ দিয়া, অপবিত্ৰ দ্ৰব্য তামাসিকে ভোজন কৰে।

নিৰ্গুণ ভোজন- কৃষ্ণতত অৰ্পণ কৰা দ্ৰব্য ভোজন নিৰ্গুণ।

সুখো চাৰি প্ৰকাৰৰ -

সাত্বিক সুখ- আত্মাৰ বাবে যি সুখ উদ্ধৱ হয়-

ৰাজসিক সুখ- বিষয় ভোগৰ বাবে যিটো হয়-

তামাসিক সুখ- দ্বন্ধ বাদ, মোহৰ বাবে হোৱা সুখ-

নিৰ্গুণ সুখ- ঈশ্বৰ সেৱা কৰি পোৱা সুখ-

মৃত্যুৰ সময়ত যি গুণৰ প্ৰাধান্য ঘটে তাৰ পৰিণাম-

সত্বগুণ বৰ্তি থাকিলে- স্বৰ্গ প্ৰাপ্তি হয়।

ৰজগুণ বৰ্তিলে- মনুষ্য লোক পায়।

তমগুণ বৰ্তিলে- নৰক প্ৰাপ্তি ঘটে।

নিৰ্গুণৰ প্ৰাবল্য ঘটিলে- ভগৱন্তত লয় পায়।

কৰ্মত তিনিবিধ-

সাত্বিক কৰ্ম- কৰ্ম কৰি ঈশ্বৰত অৰ্পণ কৰিলে-

ৰাজসিক কৰ্ম- নানা ফল সংকল্প কৰিলে-

তামাসিক কৰ্ম- দম্ভ, দৰ্প, মৎসৰাদি কৰ্ম কৰিলে-

“গুণেসে কেৱল ইটো জনম মৰণ নানা
সংসাৰৰ যত দুঃখ মানে।
মোৰ পুন্য কথা যশে শ্ৰৱণাদি ভক্তি বসে
চিন্দা গুণ চতুৰ যিজন।

গুণৰ বাবেই মানুহৰ দুখ-কষ্ট হয়, জন্ম-মৃত্যু হয়, গতিকে গুণৰ দ্বাৰা মানৱজীৱন প্ৰবৰ্তন হয়। মনুষ্য জীৱন পাই গুণৰ পৰা মুক্ত হ’বলৈ ঈশ্বৰৰ চৰণত আশ্ৰয় লব লাগে।

“তেজি গুণ কৰ্মচয়, মাধৱৰ গুণয়ে
কৰা সদা শ্ৰবণ-কীৰ্তন।
তৰয় সংসাৰ ক্লেশ নতৰে অন্যায় কৰ্মে
এহিমানে ভৈলেক নিৰ্ণয়।।”

সেইবাবে কৃষ্ণৰ চৰণত শৰণলৈ কৃষ্ণৰ কৰ্মলীলা শ্ৰৱণ কৰি, কীৰ্তন কৰি সংসাৰৰ মায়াৰ পৰা তৰণ হোৱা উচিত।

**কথা ভক্তিৰত্নাকৰ**

**ষোড়ষ অধ্যায় বা মাহাত্ম্য**

উত্তম ভক্তৰ লক্ষণ

ভগৱন্তৰ ভক্ত হ’বলৈ হ’লে কিছুমান লক্ষণ থাকিব লাগিব। ভকতৰ সাধাৰণ লক্ষণ খিনি নাথাকিলে ভক্ত বুলি নিজকে কব পৰা নাযায়। সৰ্বসাধাৰণ গুণাৱলী থকাৰ উপৰিও বিশেষ লক্ষণ থাকিলেহে উত্তম ভক্ত হ’ব পাৰে। লক্ষণ সমূহ প্ৰতিভাত হ’লেহে ভকত হ’ব পাৰে। নিমি ৰজাৰ আগত নৱসিদ্ধৰ হৰিয়ে ভক্তখ লক্ষণ সম্পৰ্কত কৈছিল একাদশ স্কন্ধৰ দ্বিতীয় অধ্যায়ত।

"সমস্ত প্ৰাণীক দেখে ঈশ্বৰ কৃষ্ণত।
অধিক দেখয় যিটো প্ৰাণী সমস্তত।।"

ভগৱান জগতৰ সমস্ত ঐশ্বৰ্য্যৰূপে বিৰাজমান। যিজনে ঐশ্বৰ্য্যৰ প্ৰতীকভগৱানক ঐশ্বৰ্য্যৰ মাজত দেখা পায়, তেওঁ মহাভাগৱত। তেওঁৰ চিত্ত কৃষ্ণত নিমৰ্জ্জিত হৈ থাকে। সমস্ত মায়াবৃত জগতৰ মাজত বিযুক্ত যিজনে দৰ্শণ কৰে, ইন্দ্ৰিয়ৰ ভোগক আক্ৰোশ নকৰে কাকো দ্বেষ নকৰে, ভোগ কৰিলেও তাক মায়াময় বুলি যদি ভাৱে, তেনে লোক উত্তম ভকত।

"জনম মৰণ শ্ৰম ক্ষুধা তৃষ্ণা-ভয়।
দেহ-ইন্দ্ৰি প্ৰাণ বুদ্ধি মনৰ হোৱয়।
সংসাৰৰ ধৰ্ম ইটো মোৰ নুহিকয়।
এহিমনে আমি সদা হৰি উচ্চাৰয়।।"

মানৱ জন্মৰ মৰণ আছে, জীৱনত শ্ৰম আছে, ক্ষুধা আৰু তৃষ্ণাই মানৱক জুৰুলা কৰে; ভয়ে সৰ্বত্ৰতে মনক পীড়ন কৰে। দেহত থকা ইন্দ্ৰিয়গ, প্ৰাণ, বুদ্ধি আদি মনৰহে সৃষ্টি। এইবোৰ সংসাৰৰ ধৰ্ম। ভগৱানে কৈছে যে এইবোৰ তেওঁৰ অৰ্থাৎ ঈশ্বৰৰ নহয়। প্ৰপঞ্চৰ এই সত্বসমূহ দেহৰহে। গতিকে অনিশ্বৰ দেহে ঈশ্বৰ গুণানুকীৰ্তন কৰিব লাগে। যি জনৰ মনত হৰি-স্মৰণ সৰ্বতো কালে থাকে, সেইজন পৰম ভকত। যিজনে এক কৃষ্ণ দেৱকে আশ্ৰয় কৰিছে, কাম্য কৰ্ম বাসনা যাৰ। চিত্তত নুপজে, মনত হৰি স্মৰণ যাৰ এখন্তেকো নুগুছে- তেওঁ উত্তম ভকত।

কাম-ক্ৰোধ-লোভ- মোহ ত্যাগ কৰি যিজনে আনন্দ মনেৰে হৰি স্মৰণ কৰি ফুৰে- তেওঁলোক মহাভক্ত। কোনো কৰ্ম, বৰ্ণাশ্ৰম ধৰ্ম আচৰণ কৰিলেও তেওঁ যদি অহঙ্কাৰ নকৰে, তেন্তে তেওঁ মহাভাগৱতৰ শ্ৰেণীত পৰে। ভক্ত সকলৰ স্বভাৱৰ সম্পৰ্কত কোৱা হৈছে যে সমস্ত ভূততে তেওঁ শাস্ত্ৰ সমাহিত, ধন-জন, আত্ম-পৰ ভেদ বুদ্ধি তেওঁৰ নাথাকে, সকলোকে এক আত্মাৰ সমাহাৰ বুলি তেওঁ ভাৱে। তেনে গুণ আৰু আচাৰ সম্পন্ন ভকতসকল উত্তম ভকত। কৃষ্ণক ভজিলে ত্ৰৈলোক্যৰ সৰ্ব সম্পত্তিৰ অধিকাৰী হ'ব পাৰে আৰু তাক পাই তিলমানো যি হৰি পদ সেৱা নেৰে, হৰিভক্তিনেৰে, তেওঁলোক আচল ভকত। দেৱসৱেও এনে সম্পদৰ গৰাকী হ'বলৈ বিচাৰে যদিও নাপায়, কিয়নো তেওঁলোকে হৰিপদ সেৱাত ব্ৰতীনহয়। হৰি চৰণ সেৱা কৰিলে সংসাৰ তাপৰ পৰা ৰক্ষা পায়।

উত্তম ভকতে হৰিকথা এৰি অন্যকথা নাপাতে, তেওঁলোক শ্ৰেষ্ঠতমপুৰুষ। কৃষ্ণত যি সকলৰ প্ৰেম ভকতি হয়, তেওঁলোকৰ হৃদয় এৰি ভগৱন্ত আতৰি নাযায় অকস্মাতে কৃষ্ণৰ নাম ল'লেও তেওঁৰ অসংখ্য মহাপাপ নাশ হয়, এনে কৃষ্ণ নাম ভকতে কেনেকৈ এৰিব। এই খিনি কথা সিদ্ধ পুৰুষ হবিয়ে কৈছিল-

একাদশ স্কন্ধৰ চতুৰ্দশ অধ্যায়ত কৃষ্ণই উদ্ধৱক কৈছে -

"মোহৰ পৰম যত ভকত একান্ত।
অতি নিকিঞ্চন সৱ চিত্ত শুদ্ধ-শান্ত।।
মোক মনে ধৰি সদা সন্তোষ হৰিষ।
তাসম্বাৰ সদা সুখময় দশোদিশ।
হয় পৰিপূৰ্ণ মন মোৰ ভজনত।
ইন্দ্ৰ ব্ৰহ্মাপদে ইচ্ছা নাহিকে মনত।।

অৰ্থাৎ- "মোৰ ভকত অতি নিকিঞ্চন হ'ব পাৰে, কিন্তু তেওঁলোকৰ চিত্ত শুদ্ধ শান্ত, মোক তেওঁলোকে পাই পৰম সন্তোষ্টি লাভ কৰে, তেওঁলোকে দশোদিশে সুখকেই লাভ কৰে।"

তেওঁলোকে সাৰ্বভৌম পদ, পাতালৰ অধিকাৰী, যোগ সাধনা আদি লাভ কৰিবলৈ নিবিচাৰে, মোক্ষৰ ইচ্ছাত তেওঁলোকে নকৰে, ভকত ঈশ্বৰৰ পৰমপ্ৰিয়, ব্ৰহ্মা, লক্ষ্মী, মহাদেৱ, সঙ্কৰ্ষণ, ভগৱন্তৰ মূৰ্তি হ'লেও ভকতৰ সমান প্ৰিয় নহয়।

"ব্ৰহ্মা লক্ষ্মী মহাদেৱ ভাতৃ সঙ্কৰ্ষণ।
ইটো মোৰ মূৰ্তিদেখা অতি সুশোভন।।
ইসবো নুহিকে প্ৰিয় ভকতৰ সম।
ভকতেসে জানামোৰ সুহৃদ পৰম।।"

"মোৰ উদৰত যিমানবোৰ ব্ৰহ্মাণ্ড আছে, তেওঁলোকৰ পাচে পাচে গৈ মই সকলোকে উদ্ধাৰ কৰিবলৈ ভ্ৰমণ কৰি ফুৰো কিয়নো ভকতৰ চৰণত ধূলি পৰি পৰি সেই সকল উদ্ধাৰ হয়। সৰ্ব ব্ৰহ্মাণ্ডত ভকতৰ পদজল পৰি পৰি সকলোকে পৱিত্ৰ কৰে। মোৰ ভক্তই মোক ভজনা কৰি পৰম আনন্দ লাভ কৰে। ভকতেহে সেই সুখ অনুভৱ কৰে, আনে কৰিব নোৱাৰে। ভকতিৰ মাহাসুখ কেৱল ভকতেহে জানে। মোক্ষকাঙক্ষী ভকতে প্ৰকৃত সুখ নাপায়, মুক্তিকো নেওচি ভক্তি কৰিলেহে আচল সুখ পায় অৰ্থাৎ ভক্তিত মুক্তি সুখৰ প্ৰয়োজন নাই,

পঞ্চম স্কন্ধৰ চতুৰ্দ্দশ অধ্যায়ত পৰীক্ষিতক শুকমুনিয়ে ভকতৰ প্ৰশংসাৰ বিষয়ে কৈছে।

"যুৱা কালে ভাৰ্য্যা-পুত্ৰ মিত্ৰযত বাজ।
বিষ্ঠা হেন তেজিয়া গৃহৰ ভৈলা বাজ।।"

যুৱা কালত পুৰুষৰ ভাৰ্য্যাৰ প্ৰতি, পুত্ৰ কন্যাৰ প্ৰতি যিমান মমতা থাকে তাক বিষ্ঠাবুলি ত্যাগ কৰি গৃহ কৃষ্ণ সাধনাত আত্ম-নিয়োগ কৰিলে সেই পুৰুষক প্ৰশংসা কৰা হয়। পঞ্চম স্কন্ধৰ প্ৰথম অধ্যায়ত প্ৰিয়ব্ৰতক ব্ৰহ্মাই কোৱা কথামতে গৃহত থাকি বিষয় ভোগ কৰি থাকিলে তাৰ অভিমান কেতিয়াও নাযায় আৰু মোক্ষলাভ ও সংসাৰ তৰণ সম্ভৱ হ'ব নোৱাৰে। সেইবাবে গৃহ ত্যাগ কৰি তপোবন গমন কৰিব লাগে। প্ৰমত্ত পুৰুষে ৰণলৈ গৈয়ো তাৰ সংসাৰ ভাৱনা দূৰ কৰিব নোৱাৰে। কিয়নো তেওঁ গৃহতেই থাকক বা বনতে থাকক তেওঁৰ লগত থকা ছয় শত্ৰুৱে তেওঁক এৰা নিদিয়ে। ছয় শত্ৰু হৈছে ছাল, চকু, নাক কান, মন আৰু মুখ।

'ত্বক চক্ষু নাসিকা শ্ৰৱণ মুখ মন।
এহি ছয় শত্ৰু পীড়া কৰয় সঘন।।"

যি জন জ্ঞানী, যি জন জিতেন্দ্ৰিয় তেওঁ এইবোৰৰ ওপৰত ভাৰসা নাই, আত্মাত হে কেৱল ৰমন কৰে। গৃহকস দোষে তেওঁক চুবই নোৱাৰে।

'যিটো জ্ঞানী জিতেন্দ্ৰিয় আত্মাত ৰময়।
গৃহবাস দোষে বা তাহাত কি কৰয়।।
হৰিৰ সেৱক তুমি পৰম মহন্ত,
ইন্দ্ৰিয় সবক জিনি ভৈলা উপশান্ত।।"

ইন্দ্ৰিয় গণক দমন কৰিব পাৰিলে গৃহবাস বনবাস সমানে। প্ৰথম স্কন্ধৰ সপ্তম অধ্যায়ত সুতে শৌনকাদিক কৈছিল -

"জীৱন্তে মুকুত যিটো আত্মাক ৰময়।
নিবৰ্ত্তিলে হৃদয়ৰ য'ত গ্ৰন্থিয়ে।।

আত্মাত ৰমন কৰি থকাজনে জীয়াই থকা অৱস্থাতো মুক্ত জীৱ হৈ থাকে। কিয়নো তেওঁ হৃদয়-গন্থিত ভগৱানক বান্ধি ৰাখিব পাৰে, পৰম শ্ৰদ্ধাৰে একান্ত ভাৱে, দৃঢ়মন ভগৱানক ধৰি ৰাখিব পাৰে। তেনে মুক্তজনে কিয় ভকতি কৰে? হৰি নামৰ প্ৰভাৱে তেনে মুক্তজনৰ মন আকৰ্ষণ কৰি আনে। প্ৰথম স্কন্ধৰ ত্ৰয়োদশ অধ্যায়ত যুধিষ্ঠিৰে বিদুৰৰ আগত কোৱা বাক্য মতে-তীৰ্থ শ্ৰেষ্ঠনে, ভকত শ্ৰেষ্ঠ তাৰ ব্যাখ্যা আছে।

"অনেক তীৰ্থত তুমি কৰিলা ভ্ৰমণ।
তীৰ্থক তোমাৰ কিছু নাহি প্ৰয়োজন।।
কিন্তু অনুগ্ৰহ মাত্ৰ কৰিলো তীৰ্থক।
তীৰ্থো শুদ্ধি হোৱে লাগ পাইলো মহন্তক।।
পাপীৰ সম্পৰ্কে লৈয়া ভক্তে পৰশয়।।
হৰিক মনত লৈয়া ভক্তে পৰশয়।।"

বিদুৰে অনেক তীৰ্থ পৰিভ্ৰমণ কৰিলে, তেওঁৰ আৰে তীৰ্থৰ প্ৰয়োজন নাই। তেওঁ তীৰ্থভ্ৰমণ কৰি তীৰ্থ সমূহক হে পৱিত্ৰ কৰিলে। মহন্তৰ স্পৰ্শত তীৰ্থ পৱিত্ৰ হয়। ভক্ত বিহনে তীৰ্থ মলিন। পাপীয়ে ভীমক মলিন কৰে। কিয়নো ভক্ত ঈশ্বৰক মনত লৈ, পাপীয়ে কুভাৱ লৈ তীৰ্থত প্ৰৱেশ কৰে। গতিকে ভকতৰ প্ৰৱেশে তীৰ্থক পবিত্ৰ আৰু পাপীৰ প্ৰৱেশে অপবিত্ৰ কৰে।

প্ৰথম স্কন্ধৰ অষ্টাদশ অধ্যায়ত শমীকে শৃঙ্গীক কৈছিল - "পৰীক্ষিতক শাপ দি পাপ অৰ্জ্জিলা। পৰীক্ষিতে যদি আমাক শাপ দিয়ে, তেনেহ'লে আমাৰ পাপৰ প্ৰায়চিত্ত হ'ব। কিন্তু ৰজা মহাভাগৱত, তেওঁ শাপ নিদিয়ে। মহন্তক শাপদিব নাপায়। বিষ্ণু ভকতক শাপ দিয়া মানে ভগৱানক শাপ দিয়া হয়। সাধুজনে কেতিয়াও প্ৰতিশোধ নলয়।

"হৰিষ বিষাদ ভকতখ নাহিকয়।
তিনিগুণ বৃত্তি সুখে দুঃখে নোচোৱয়।।"

বিষ্ণু ভক্তৰ দুঃখো নাই, সুখো নাই, তিনিগুণৰ পৰা উপজা সুখ দুঃখে তেওঁ লোকক স্পৰ্শ কৰিব নোৱাৰে।

সাধাৰণ ভক্তিতে মুক্তি পোৱা যায়, উত্তম ভকতিক কথা কৈ ওৰ পেলাব নোৱাৰি।

"সাধাৰণ ভকতিতে মুকুতি পাৱয়।
উত্তম ভক্তিৰ কথা কি কৈবে লাগয়।।
জানি এক শৰণ হয়োক মাধৱত।
উত্তম ভকতি মাত্ৰ কৰিয়ো কীৰ্তন।

**কথা ভক্তিৰত্নাকৰ**

**সপ্তদশ অধ্যায় বা মাহাত্ম্য**

মধ্যম ভক্ত

ভকত গুণ অনুসাৰে কেইবাবিধো -

(১) উত্তম ভক্ত
(২) মধ্যম ভক্ত
(৩) প্ৰাকৃত ভক্ত
(৪) আচাৰ ভ্ৰষ্ট ভক্ত

উত্তম ভক্তৰ কথা ইতিমধ্যে বৰ্ণনা কৰা হৈছে; প্ৰাকৃত আৰু আচাৰ

ভ্ৰষ্ট ভক্ত ভক্তৰ কথা পাচত আলোচনা কৰা হ’ব। ইয়াত মধ্যম ভক্তৰ কথা তলত আলোচনা কৰা হ’ব।

মধ্যম ভকতে ঈশ্বৰক কি দৰে সেৱা কৰে তাৰ কথা ভাগৱতত কোৱা হৈছে। একাদশ স্কন্ধৰ দ্বিতীয় অধ্যায়ত নিমিৰ আগত সিদ্ধ হৰিয়ে কৈছে -

“ঈশ্বৰক দেখি যিটো মনে সমস্তত।
সমানত মৈত্ৰী কৰে প্ৰীতি উত্তমত।।
বিপক্ষত ক্ষমা কৰে কৃপা দুঃখিতত।
জানা ৰাজা সেহি জন মধ্যম ভকত।।”

সৰ্ব্বত্ৰতে যিজনে ঈশ্বৰক মনেৰে দেখে, যি জনে সমানত মৈত্ৰী কৰে, উত্তমত প্ৰীতিকৰে, শত্ৰুক ক্ষমা কৰে, দুঃখীতক কৃপা কৰে তেনে জন ভকতক মধ্যম ভকত বোলে। মধ্যম ভকতে প্ৰথমতে মহন্তৰ সঙ্গ লয় বুলি তৃতীয় অধ্যায়ত উল্লেখ কৰিছে। মহন্তৰ সঙ্গত থাকিলে অনাসক্তি আহে। সবাতে ঈশ্বৰ আছে বুলি মনত জ্ঞান হয় আৰু উত্তমত শ্ৰদ্ধাৰে সেৱা আগবঢ়ায়। তেওঁলোকে তুচ্ছ সকলক দয়া কৰে, সমানৰ প্ৰতি বন্ধুত্ব ব্যৱহাৰ কৰে, এওঁলোকেই মধ্যম ভক্ত।

চতুৰ্থ স্কন্ধৰ অষ্টম অধ্যায়ত নাৰদে ধ্ৰুৱক কৈছে যে নিজতকৈ গুণীলোকক আদৰ কৰিব, প্ৰীতি সম্ভাষণ জনাব; কোনো দিনো তেনেলোকৰ প্ৰতি অসূয়া নকৰিব, আৰু দয়া কৰিব। সমানজনৰ লগত মিত্ৰতা কৰিব। সংসাৰৰ তিনি তাপে তেওঁলোকক লালায়িত কৰিব নোৱাৰে। তৃতীয় স্কন্ধত কপিলে মাতৃ দেৱহুতিক কৈছিল “মই সমস্ত ভূতৰ হৃদয়-পদ্মত বাস কৰো, মই চাৰিবিধ প্ৰাণীৰ হৃদয়ত অন্তৰ্য্যামীৰূপে থাকি যথাযোগ্য মতে চলাওঁ বুলি মনত ভাবিব, গতিকে চাৰিবিধ প্ৰাণীকে অৰ্চ্চনা কৰিব। সমানৰ লগত মিত্ৰতা, উত্তম জনত মান, বিপক্ষজনক ক্ষমা কৰিব। এনেদৰে চলাজনক তিনিতাপে পীড়ন কৰিব নোৱাৰে।” ওপৰৰ কথাবোৰ মানি কৃষ্ণত এক শৰণ হ’ব লাগে। এয়ে ভক্তিযোগৰ মূল কথা -।

“হুয়া একশৰণ কৃষ্ণৰ চৰণত।।
এহিটো ভকতি যৌগে প্ৰায় মাধৱক।
অন্যাথা প্ৰকাৰে নাপায় ঈশ্বৰ কৃষ্ণক।।





**অষ্টাদশ অধ্যায় বা মাহাত্ম্য**

প্ৰকৃত ভকত

একাদশ স্কন্ধৰ দ্বিতীয় অধ্যায়ত হবিয়ে নিমি ৰজাৰ আগত কৈছে -

“নাহি মান্য ভক্ততো আনকো নাহি কয়।
একে প্ৰতিমাতে মাত্ৰ হৰিক পূজয়।।
প্ৰকৃত ভকত ত্ৰহি জানিবা নৃপতি।
হুইবে শ্ৰেষ্ঠ সিয়ো পাচে কৰন্তে ভকতি।।”

“যি ভকতে ভক্তত নামানে আৰু আনকো সন্মান নজনায়, একে প্ৰতিমাতে মাত্ৰ হৰিক পূজা কৰে, তেনে ভক্তক প্ৰকৃত ভকত বোলে। প্ৰকৃত ভকতেও হৰিক ভক্তি কৰি কৰি শ্ৰেষ্ঠভকত হ’ব পাৰে।” একাদশ স্কন্ধৰ চতুৰ্দ্দশ অধ্যায়ত কৃষ্ণই উদ্ধৱক কৈছে যে উত্তম ভক্তৰ দৰে প্ৰকৃত ভকততো ভগৱানে কৃতাৰ্থ কৰে। ভকতে ইন্দ্ৰিয়ক দমন কৰিব নোৱাৰিলে বিষয়ে বেৰিধৰে মনক, তথাপি ভগৱন্তে ভকতক বিষয়ৰ পৰা মুক্ত কৰে। অন্নৰান্ধিবৰ বাবে অগ্নি জলোৱা হয়, সেই অগ্নিয়ে কাঠসমূহ ভস্ম কৰে, সেইদৰে যদি ঈশ্বৰক ভক্তিকৰা হয়, বিষয়ৰ ৰাগে যদি মনক আকৰ্ষণ কৰে, তথাপি তাৰ সমস্ত পাপ দগ্ধ কৰে। ভক্তিৰ মহিমা-অপাৰ। ভক্তিৰ অদ্ভূত মহিমা দেখি ভগৱন্তয়ো আশ্চৰ্য্য প্ৰকাশ কৰে।

প্ৰথম স্কন্ধৰ পঞ্চম অধ্যায়ত নাৰদে ব্যাসক কৈছে যে কাম্য কৰ্ম্ম মানে অনৰ্থক মূলকাৰণ। গতিকে কাম্য-কৰ্ম ত্যাগ কৰি হৰিৰ চৰণত কীৰ্তন কৰিব লাগে। স্বধৰ্ম আৰু নিত্য নৈমিত্তিক কৰ্মকো আদৰ নকৰি ভকতি কৰিব লাগে। স্ব-ধৰ্ম পালন কৰি কৰি যদি মৃত্যু হয় তেওঁৰ অন্নৰ্থ হয়, স্ব-ধৰ্মক ত্যাগ কৰি ভকতি কৰিলে তাৰ ফল পূৰ্ণপৰ্য্যায়ত পায়। হৰিক নভজি স্ব-ধৰ্ম কৰাৰ পৰা পৰিপূৰ্ণ ফল লাভ নোহোলাৰ বাবে তেনে লোকৰ মুক্তি লাভত বিলম্ব হয়। কুযোযিত জন্মল’লেও যদি মুকুন্দৰ চৰণ সেৱা কৰে, তেনে জনে তিনিতাপখ পৰা ৰক্ষা পায়। যষ্ঠ এবাৰ কেনেবাকৈ মুকুন্দৰ চৰণ-সেৱাত ব্ৰতী হ’লে তেওঁ তাৰ পৰা আতৰি আহিবই নোৱাৰে। কিয়নো মুকুন্দই ভক্তৰ মন শান্ত কৰি পেলায়।

ষষ্ঠস্কন্ধৰ প্ৰথম-অধ্যায়ত শুকে পৰীক্ষিতক কৈছে যে- অকনমান ভকতিয়েও লোকক পৱিত্ৰ কৰে। যি জনে ভকতিৰ প্ৰতি অজ্ঞ, কৃষ্ণৰ চৰণত যাৰ মন নবহে, তেনেলোক যমদূতৰ আলহী। যিজনে নিজকে চিনি নাপায়, তেওঁৰ মহা পাপ সঞ্চয় হয়। দশম স্কন্ধত কৃষ্ণক ব্ৰহ্মাই কোৱা কথা -“পুতনায়ে তোমাক মাৰিবৰ কাৰণে স্তন দিলে, কিন্তু তুমি তাইক মুক্তিহে দিলা। ব্ৰজবাসী

সকলে তোমাতে মন উৎসৰ্গা কৰিলে, তুমি তেওঁলোকক ততোধিক দয়া কৰিলা। তোমাৰ ঋণ ব্ৰজবাসীয়ে শুদ্ধিব নোৱাৰে। মনৰ ৰাগ দ্বেষ দূৰ কৰিব পাৰিলেহে কৃষ্ণৰ দয়াৰ পাত্ৰ হয়। গৃহাদিত আসক্ত ব্ৰজবাসীক তুমি দয়া কৰি বিষয়ৰ পৰা উদ্ধাৰ কৰিলা।"

ৰাগ-লোভ আদিয়ে লোকক গৃহবাসত ৰাখি বন্ধন কৰোৱায়। কিন্তু কৃষ্ণ-প্ৰেমত আপ্লুত হৈ থকাসকলে গৃহবাস আৰু সংসাৰ বন্ধনৰ পৰা মুক্ত হয়। ৰাগ-দ্বেষ আদিৰ পৰাও তেওঁলোক কৃষ্ণ ভক্তিৰ প্ৰভাবেৰে মুক্ত হয়। সন্ন্যাসীত কৈ ব্ৰজবাসীয়ে কৃষ্ণ ভক্তি কৰি সংসাৰ মুক্ত হ'ল। বিষয়ত আসক্ত পুৰুষেও কৃষ্ণক একান্ত ভক্তি কৰিলে মুক্তিৰ অধিকাৰী হয়। এই সমস্ত কথা জানি শুনি পৰম ঈশ্বৰ কৃষ্ণৰ চৰণত একশৰণ গ্ৰহণ কৰা উচিত।

**কথা ভক্তিৰত্নাকৰ**

**উনবিংশ অধ্যায় বা মাহাত্ম্য**

আচাৰ ভ্ৰষ্ট ভক্ত

আচাৰ ভ্ৰষ্ট, দুৰাচাৰী ভক্তই ঈশ্বৰক ভজি শ্ৰেষ্ঠতৰ ভকত হ'ব পাৰে। গীতাৰ নৱম অধ্যায়ত কৃষ্ণই অৰ্জ্জুৰ্নক কৈছিল- "যদি দুৰাচাৰী ভক্তই অন্যদেৰ-দেৱীক নভজি কেৱল মোকে ভজে, তেন্তে তেনে দুৰাচাৰী ভকতকো মই শ্ৰেষ্ঠতৰ কৰিহে এৰো। কিয়নো তেওঁ লোকে মোকে সাৰ বুলি ভাবি সেৱা কৰিলে।" কৃষ্ণক দুৰাচাৰী শুদ্ধভাৱে ভজিলে অল্পকালে ভগৱানৰ শ্ৰেষ্ঠভকত হয়। ঈশ্বৰৰ প্ৰতি নিষ্ঠা অহাৰ ল'গে ল'গে চিত্তৰ বিকাৰ গুচে; কিন্তু কুতকী, বিবাদী আদিয়ে কৃষ্ণ কথা শুনিব নোৱাৰে বাবে তেওঁলোকৰ চিত্ত নিৰ্মাণ হ'ব নোৱাৰে। কৃষ্ণই অৰ্জুৰ্নক এই বিষয়ে শঙ্কা কৰিবলৈ কোৱা নাই। গতিকে নানা বাদ্য যন্ত্ৰ বজাই বিৰোধী সকলৰ সভাত প্ৰবেশ কৰি নিশঙ্কোচে মনে উদ্ধবাহু কৰি সত্য বচন প্ৰচাৰ কৰিবলৈ কৈছে। তেনে আচাৰভষ্ট কুতকীজনৰ মন জয় কৰি কৃষ্ণ কথা শুনাৰ লাগে। ভগৱন্তই আচাৰ ভ্ৰষ্ট সকলকো যে কৃতাৰ্থ কৰিব, সেই বিশ্বাস তেওঁলোকৰ ভিতৰত সোমোৱাব লাগিব। অন্ত্যজাতিকো কৃষ্ণই সংসাৰ-মায়াৰ পৰা উদ্ধাৰ কৰে।

স্ত্ৰী, শূদ্ৰ, বৈশ্যাদি পাপজাতিয়েও কৃষ্ণক ভক্তি কৰি পৰম গতি লাভ কৰিব পাৰে। সদাচাৰী, কুলৱন্ত সকলে কৃষ্ণক ভজি দুল্লভ পৰম পদ অনায়াসে লাভ কৰে। ক্ষত্ৰীয় জন্ম লাভ কৰি কৃষ্ণ ভজি তৰিযাবলৈ কৃষ্ণই অৰ্জুনক আহ্বান জনাইছে। সুখশূন্য সংসাৰ, ত্যাগ কৰি পৰমাত্মাক ভজিব লাগে। কৃষ্ণই নিজৰ ঐশ্বৰ্য্যক ভকতত অৰ্পণ কৰি ভকতৰ বৈভৱ প্ৰকাশ কৰে। নৱম অধ্যায়ত কৃষ্ণই ৰাজ-গুহ্য নাম দি অৰ্জুণক এই কথা বুজাইছে। ভাগৱতৰ একাদশ স্কন্ধত কৃষ্ণই উদ্ধবৰ আগত কয় যে ভকতিৰ মহিমা অসীম। ঈশ্বৰ ভকতিৰ অধীন; ভক্তিত তেওঁ বশ্য হয় বুলি ব্যক্তকৰিছে। চণ্ডালেও শ্ৰদ্ধাৰে ভকতি কৰি পৱিত্ৰ হয়। তেওঁৰ ভক্তিত জাতি দোষ নাই।

৬ষ্ঠ স্কন্ধত শুকে ৰজাক কৈছে যে ভকতক সেৱা কৰি পাপীসকলে চিত্তৰ যি শুদ্ধতা লাভ কৰে। ৬ষ্ঠ স্কন্ধ টীকাত পুনৰ কোৱা হৈছে- ৬ষ্ঠ স্কন্ধৰ উনৈশ অধ্যায়তো ব্যক্ত হৈছে 'পোষণ' নামৰ সন্দৰ্ভত'। অজামিল, বিশ্বৰূপক বধ কৰা ইন্দ্ৰ প্ৰকৃততে পাপী, এওঁলোকে ব্ৰহ্ম পাপত নিমগ্ন হৈছিল। নাৰায়ণ নাম ধৰি পুত্ৰক মতাত বিষ্ণুদূতক পঠাই মাধৱে অজামিলক ৰক্ষা কৰিলে, ইন্দ্ৰয়ো বামন ৰূপী বিষ্ণক সেৰি ঐশ্বয্য লাভ কৰিলে আৰু শত্ৰুকো জয় কৰিলে।

নৰ সিংহ পুৰানত যমৰ বাণী হৈছে যে মহাপাপীগণে অন্যান্য চিত্তে কৃষ্ণক সেবি অৰ্জ্জিত পাপ ক্ষয় কৰিব পাৰে। তেওঁলোকে পাপ বিনাশ কৰি মহাশুদ্ধ হ'ব পাৰে। আন্ধাৰে চন্দ্ৰৰ পোহৰক ঢাকি ৰাখিব নোৱাৰাৰ দৰে পাপীৰ পাপ সমূহে কৃষ্ণ নামক ঢাকি ৰাখিব নোৱাৰে। যমে সকলো দূতক একত্ৰিত কৰি কলে -

"শুনা চিত্ৰগুপ্ত শুনিয়োক মৃত্যু
কিন্তু ভক্ত যিটো জন।।
পাপী বুলি তাক নধৰিবা কেৱে
নাহি মোৰ অধিকাৰ।
এহিমানে যম ৰাজাৰ বচন
থৈলোহো কৰি সংহাৰ।।"

একাদশ স্কন্ধৰ পঞ্চম অধ্যায়ত নিমিক সিদ্ধ কৰভজনে কৈছে - "কায় বাক্য মনে মুকুণ্ডৰ চৰণত যি জনে শৰণ লয়, তেওঁক দেব, ঋষি, ভূত, পিতৃ-সুহৃদসকলৰ ঋণী হ'ব নেলাগে। তেনে জনে দেহ-ভাব ত্যাগ কৰিব পাৰে আৰু কাহানিও পাপ কৰিব নোৱাৰে। কেতিয়াবা ভুলক্ৰমে পাপহ'লেও তেনেলোকক হৰিয়ে পাপৰ পৰা উদ্ধাৰ কৰে। হৰি যমৰো নিয়ন্ত্ৰণ, গতিকে হৰিসন্তোষ্ট হ'লে যমেও ক্ষমা কৰে। ভকতহে মাধৱৰ প্ৰিয়তম, সেইবাবে ভকতৰ দোষ ভগৱানে নধৰে। হৰিক হৃদয়ত অনবৰতে ধৰি ৰাখিব পাৰিলে পাপে আক্ৰমণ কৰিব নোৱাৰে।

৬ষ্ঠ স্কন্ধে যমে দূতসকলক কয় যি সাধুলোকে কৃষ্ণক ভকতি কৰে তেওঁ যম - দণ্ডৰ পৰা অপ্ৰয়াসে ৰক্ষা পায়। হৰিভকতৰ সমস্ত পাপেই বিনাশ

ঘটে, হৰিৰ কীৰ্ত্তন কৰি থাকিলে পাপে কেতিয়াও ওচৰ চাপিব নোৱাৰে। বৃহৎ নাৰদী পুৰাণত কোৱা হৈছে যে যিমান দুৰাচাৰী-সদাচাৰী, মুৰ্খ-পণ্ডিত হ'লেও হৰিভক্তিত ৰত হ'লে - হৰি সন্নিহিত হৈ থাকে আৰু পাপে ওচৰ চাপিব নোৱাৰেষ পদ্ম পুৰাণত বিকুণ্ডলৰ আগত যমদূত সকলে কৈছে -

"হৌক দুৰাচাৰ হৌক সদাচাৰ
বৈষ্ণৱ যিটো হোৱয়।
সিটোজন ভৈল আমাৰ বৰ্জ্জিত
কৈলো আমি নিষ্ঠা কৰি।।
এতেকে সমস্ত নৰে মহাযত্নে
ভজোক দেবতা হৰি।

অবিদ্যা দূৰ কৰাৰ একমাত্ৰ পথ কৃষ্ণত শৰণ। দুৰাচাৰী ভকতেও ভগৱন্তক ভজনা কৰি মুক্তি পায়, সদাচাৰী ভক্তই নোপোৱাৰ কথাই নাই। এতেকে সকলো জানি শুনি কৃষ্ণত একান্ত ভাবে শৰণ লৈ, ভক্তি কৰি হেলাৰঙে সংসাৰ কুপৰ পৰা উদ্ধাৰ পাবলৈ যত্ন কৰা উচিত। আচাৰ ভ্ৰষ্ট ভক্তই যেতিয়া ভক্তি কৰি মুক্তি পায়, আন সকলে আচাৰ ভষ্ট নহৈ সদাচাৰী হৈ ভক্তি কৰিব লাগে। নীতি- আচাৰ অৱলম্বন কৰি সংসাৰত থাকিলে আৰু সদাচাৰী হৈ কৃষ্ণ ভক্তি কৰিলে মানুহ ঈশ্বৰলৈ পয্যবসতি হয়।

**কথা ভক্তিৰত্নাকৰ**

**বিংশ অধ্যায় বা মাহাত্ম্য**

ভগৱন্ত-ভক্তিৰ প্ৰাৰ্থনা

ভগৱন্তক কিদৰে প্ৰাৰ্থনা কৰি ভক্তি কৰিব লাগে তাক ভাগৱত শাস্ত্ৰৰ যোগেদি ইয়াত বৰ্ণনা কৰা হৈছে। ভগৱন্ত কৃষ্ণৰ ৰূপ বৰ্ণনাৰে প্ৰাৰ্থনা কৰিছে ভাগৱতৰ প্ৰথম স্কন্ধৰ নৱম অধ্যায়ত শৰশয্যাশায়ী ভীষ্মই। শৰশয্যাত পৰি থকা অৱস্থাত কৃষ্ণই পাণ্ডৱ সকলৰ ভীষ্মৰ ওচৰলৈ নিয়ে আৰু ভীষ্মই কৃষ্ণক সন্মুখত দেখি প্ৰাৰ্থনা কৰিছিল। যুদ্ধত অৰ্জুনৰ সাৰথি হৈ থাকোতে কৃষ্ণৰ ৰূপ-বৰ্ণনা কৰি ভীষ্মই প্ৰাৰ্থনা কৰিছিল -

"ত্ৰিভূবন মধ্যে মহা সুন্দৰ শৰীৰ।
নীল তমালৰ বৰ্ণ পৰম ৰুচিৰ।।
প্ৰভাত কালৰ ৰবি ৰশ্মিৰ অন্বয়।
যেন গীত বস্ত্ৰ তাতে প্ৰকাশ কৰয়।।
অলঙ্কা আবৃত সুখ-পদ্ম প্ৰকাশয়।
অৰ্জ্জুনৰ সাৰথি ভৈলাহা কৃপাময়।।"

তিনিভুৱনৰ ভিতৰত সৰ্বসুন্দৰ কৃষ্ণৰ দেহ, তেওঁৰ শৰীৰৰ বৰণ তমাল ফুলৰ দৰে ঘনশ্যাম, পুৱাৰ সবিতাৰ দৰে তেওঁ শৰীৰত আভা প্ৰকাশ পায়, পীতবস্ত্ৰই তেওঁৰ শৰীৰৰ শোভা বৰ্দ্ধন কৰে, কপালৰ ওপৰ ভাগত কেঁকোৰা চুলিৰে সুশোভিত সুখ-পদ্মৰ সুষমা।

ভীষ্মই ৰূপ বৰ্ণনা কৰি প্ৰাৰ্থনা কৰিছে- "হে প্ৰভূ মই নিষ্কম ভাৱে তোমাক প্ৰাৰ্থনা জনাইছোঁ। যুদ্ধ ক্ষেত্ৰত ৰথৰ সাৰথি হৈ থাকোতে ঘোৰাৰ ধূলিৰে তোমাৰ শৰীৰ আবৃত হৈছিল, ঘৰ্ম্ম ডালে তোমাৰ তনু ঢাকি পেলাইছিল, কেকুৰা চুলিৰে তোমাৰ মুখ মণ্ডল সুন্দৰ কৰি তুলিছিল। এনে ৰূপ-ধাৰী তোমাতে মোৰ মন মজি থাকক।"

"অৰ্জুনে যুদ্ধলৈ অহাবীৰসকলক চাবলৈ বিচৰাত তুমি উভয় সেনাৰ মাজত ৰথ ৰাখিছিলা, কৌৰবৰ অগণন সেনাৰ মাজত - কৰ্ণ, দ্ৰোন, দুৰ্য্যোধন আৰু মোক তুমি দেখুৱাই দিছিলা অৰ্জুনক তুমি অৰ্জুনৰ জয় বিচাৰিছিলি, এনে কৃপাময় কৃষ্ণতে মোৰ মন মগ্ন হৈ থাকক।"

তৃতীয় স্কন্ধৰ পঞ্চদশ অধ্যায়ত সনক, সনন্দ, সনাতন আৰু সনতকুমাৰে বৈকুণ্ঠৰ দ্বাৰ ৰক্ষী ভক্ত জয় বিজয়ক শাপ দিয়াৰ পাচত কৃষ্ণ দৰশণ হোৱাত তেৰাসবে কৃষ্ণৰ ওচৰত প্ৰাৰ্থনা জনাইছে। কিয়নো কৃষ্ণভকতক শাপ দিয়াৰ বাবে অনুতপ্ত হৈ কৃষ্ণৰ ওচৰত প্ৰণিপাত জনাই কৈছে - "হে প্ৰভূ আমি পূৰ্বজন্মত নিষ্পাপ আছিলো যদিও এতিয়া এই ভক্ত দ্বয়ক অভিশাপ দি পাপ অৰ্জ্জণ কৰিলো। পাপৰ বাবে আমি নৰক ভূগিবলৈ পাওঁ, এই কৃপা আমাক কৰক।

"ৰমে যদি চিত্তে তযু পদ্ম-কমলত।
থাকে যদি তযু গুণ আমাৰ বাক্যত।।
কৰ্ণ ভৰি থাকে যদি তযু গুণগান।
তেবে নৰকতো ভয় নাহি নাৰায়ন।।"

নৰকত বাস হ'লেও নাৰায়ণৰ পদ্ম-কমলত চিত্ত থাকিলে, বাক্যত কৃষ্ণৰ গুণচয় থাকিলে, কানেৰে ভগৱানৰ গুণ গান থাকিলে হৃদয়ত ভয় নাথাকে।

ষষ্ঠ স্কন্ধৰ একাদশ অধ্যায়ত বৃত্ৰই নাৰায়নক স্তুতি কৰিছে- "হে প্ৰভূ, মোক স্বৰ্গ নালাগে, কেৱল তোমাৰ দৰ্শণ হে লাগে। বাঁহত থকা চৰাই পোৱালিয়ে ভোবা সহ্যকৰি, আন জন্তুৰ বাবে ভয় কৰি ৰোদ্ৰতাপত তাপিত হৈ আহাৰ অন্বেষনত যোৱা মাকলৈ যি দৰে অপেক্ষা কৰে,ময়ো তেনেদৰে তোমাক সান্নিধ্য বিচাৰি আছিলো। গাখীৰৰ বাবে গৰুৰ পোৱালিক ৰচিৰে বান্ধি থলে

সি মাকৰ ওচৰলৈ যাবলৈ যিদৰে ব্যগ্ৰ হৈ পৰে, মোকো তেনেদৰে মায়া-জৰীৰে বান্ধি থৈছে, মই মায়া জৰী চিঙি তোমাৰ ওচৰলৈ যাব বিচাৰিছো, হে নাৰায়ণ মোক দৰ্শণ দি কৃপা কৰা।”

“বান্ধি আজে গাভী বৎস গলে দিয়া জৰী।
মাতৃক বাঞ্চায় মাত্ৰ সিটো যেন কৰি।।
মোক কৰ্মজৰী বান্ধি আছে সেহি নয়।
বাঞ্চাকৰো ময়ো তোমাকেসে কৃপাময়।।”

প্ৰবাসীলৈ যোৱা স্বামীৰ বাবে পতিব্ৰতা পত্নীয়ে অপেক্ষা কৰাৰ দৰে ময়ো তোমাক পাবলৈ উদ্বিগ্ন হৈ পৰিছোঁ। তোমাৰ দৰৰ্শণে মোৰ মনৰ সমস্ত কামনা দূৰ কৰিব। মই কায় মন-বাক্য তোমাৰ চৰণত আশ্ৰয় বিচাৰিছোঁ।

“জন্মে জন্মে হৈবোহো দাসৰো দাস তাৰ।
মোৰ মনে গুণগণ নোৰাক তোমাৰ।
তযু গুণচয় বাক্যে কীৰ্ত্তন কৰোক।
শৰীৰে তোমাৰ কৰ্ম্ম কৰিয়া থাকোত।।”

“জন্মে জন্মে দাসৰো দাস হ’বলৈ, মনত গুণগত সোঁৱৰণ কৰিবলৈ, বাক্যত গুণগত কীৰ্তন কৰিবলৈ আৰু শৰীৰে ঈশ্বৰৰ কৰ্ম কৰিবলৈ যেন পাওঁ।”

“মই নিজ কৰ্ম্মৰ ফলত যেন সংসাৰ চক্ৰ-পৰিভ্ৰমন কৰোঁ, ভক্তৰ সঙ্গত যেন মোৰ বাস হয়, পুত্ৰ-দাৰা গৃহত তোমাৰ মায়াই আসক্তি কৰাই আছে, তাক যেন দূৰ কৰাই মোক ৰক্ষা কৰে- হে প্ৰভু মই তাকেই বিচাৰিছোঁ। বৃত্ৰই কৃষ্ণৰ ওচৰচ এইদৰে প্ৰাৰ্থনা কৰিছে। পুৰানান্তৰত মহাজন সকলেও কৃষ্ণৰ ভৃত্যৰো ভৃত্য হ’বলৈ প্ৰাৰ্থনা জনাইছে। কৃষ্ণৰ কৃপা পাবলৈ তেওঁলোকে মধু সূদশণৰ চৰণত প্ৰতিপাত জনাইছে। দশম স্কন্ধৰ দশম অধ্যায়ত নলকুবেৰে কৃষ্ণক নম্ৰভাৱে অবনত হৈ প্ৰাৰ্থনা কৰি কৈছে -

“কিন্তু বাক্যে তযু গুণ কীৰ্তন কৰোক।।
কৰ্ণে তযু কথা মাত্ৰ সদায়ে শুনোক।।
হস্ত দুই থাকোক তোমাৰ কৰ্ম কৰি।
ৰহোক আমাৰ মন তযু গুণ স্মৰি।।
তোমাৰ নিবাস ভূত সমস্তে জগত।
তাহাক প্ৰণামি মাথো থাকোক সন্তত।।
তোমাৰ ভক্তক চকু চাওক সৰ্ব্বক্ষনে।
এহিমানে পাৰ্থো প্ৰভূ তোমাৰ চৰণে।।”

অৰ্থাৎ- “বাক্যেৰে তোমাৰ গুণ কীৰ্তন কৰক, কানেৰে গুনাৱলী শুনক, হাতেৰে তোমাৰ কৰ্ম্ম সম্পাদন কৰক, মণে গুণাৱলী, স্মৰণ কৰক, ভগৱন সৃষ্ট প্ৰাণী জনাওঁ প্ৰভু।” ৰজা সকলেও কৃষ্ণক প্ৰাৰ্থনা কৰি কৈছে- ‘হে প্ৰভূ সংসাৰ চক্ৰত পৰিভ্ৰমণ কৰোঁতে কৰোঁতে যেন তোমাৰ পাদ-পদ্মৰ অমিয়া লাভ কৰি থাকো- সেই কৃপা আমাক কৰা।”

দশমস্কন্ধৰ চোৰাশী অধ্যায়ত মুনিগণে কৃষ্ণক স্তুতি কৰিছে। কৃষ্ণৰ চৰণদ্বয়ৰ সংস্পৰ্শত পাপ বিনাশ হয়, গঙ্গায়ো তেওঁৰ চৰণযুগলত আশ্ৰয় লয়, মহাযোগীয়েও হৃদয়ত সেই চৰণকে চিন্তে। কৃষ্ণ-ভকত তেওঁলোকে সেৱা কৰে। ভকতে মুনিগণক সুধিলে যে মুনিগণে তপস্যা কৰি পুন্যঅৰ্জ্জন কৰিয়েই থৈছে। মুনি গণে ক’লে যে তপস্যাৰে ভগৱানক পোৱাটো কষ্টসাধ্য। ভকতিৰ যোগে কৃষ্ণৰ চৰণ লাভ সহজ সাধ্য। গতিকে মুনিগণক ভকত কৰি ল’বলৈ তেওঁলোকে কৃষ্ণক স্তুতি কৰিছে।

প্ৰথম স্কন্ধত কুন্তীয়ে নাৰায়নক কৈছে -

“বোলন্ত জগতগুৰু দেৱ সনাতন।
তোমাক দেখিবে পাওঁ যিটো আপদত।।
সেহিসে আপদ হৌক আমাৰ সতত।।”

অৰ্থাৎ - “হে কৃষ্ণ তুমি বিপদ-নাশন, গতিকে মোৰ জীৱনত বিপদ হওক, তেহে তোমাৰ দেখা পাম” বুলি কুন্তীয়ে কৈছে- দশমক বেদেস্তুতি কৰিছে -

“অসুখ সংসাৰ তাকে সুখ বুলি মানি।
কৰিলো আসক্তি মই হেনয় অজ্ঞানী।।
দিয়োক মাধৱ তযু জ্ঞান আবে মোক।
দুঃখময় সংসাৰক স্মৰণ নহৌক।।
নুহি তযু ভক্তি দিয়া শ্ৰবণ-কীৰ্তন।
বিধিৰ কিঙ্কিৰ যেন নোহো নাৰায়ন।।”

“সংসাৰ অসুখ-অশান্তিৰে ভৰা, অজ্ঞানী হৈ সংসাৰতে মজিলো; তোমাৰ জ্ঞানৰ আলোকেৰে সংসাৰ অন্ধকাৰ পোহৰ কৰা, - সংসাৰক যেন পাহৰি যাওঁ, ভক্তি-দান কৰি উদ্ধাৰ কৰা, শ্ৰৱণ-কীৰ্তন কৰি তোমাক যাতে পাওঁ।

ভূজঙ্গ প্ৰয়াত গ্ৰন্থত শঙ্কৰে কৈছে- “হে গোবিন্দ; হে মুৰাৰি, হে নাৰায়ন, মুকুন্দ-মাধব, হৰি, - এই নামকে মুখত উচ্চাৰি অনুক্ষনে ভক্তিভাৱে যেন স্মৰণ হয়। মোৰ প্ৰতি প্ৰসন্ন হওক। কৃষ্ণৰ চৰণত শৰণ ললো; হে প্ৰভু মোক ভকতিৰ প্ৰসাদ দিয়া। ইয়াৰবাদে আৰু গতি নাই। সাধুসবে যেন মোক দোষ নধৰে। তেওঁ কৈছে -

“হে কৃষ্ণ তযু পাৰে পশিলো শৰণ।

অধমক মোক কৃপা কৰা নাৰায়ণ।।”

“সাধু সকলে ভকতি কৰা শুনি মোৰ ভকতি কৰিবলৈ মন গ’ল। বিষয়ত লোকৰ যাতে মতি নহওক। বাল্য-যুবা বৃদ্ধ তিনিকাল ভকতি-বিহীন ভাৱে অতিক্ৰম হ’ল। প্ৰথম কাল অজ্ঞানতে পাৰ হ’ল, যৌৱন কালত নানা কৰ্ম্মত মনদি ধন-জন গৃহবাস সুখে পঠালো, বৃদ্ধ কালত পৰি অসমৰ্থ হ’লো, নানা চিন্তা ভাবনাই বৃদ্ধ কালতো আমনি কৰিছে, এতিয়া মোৰ গতি নাই, হে প্ৰভু, মোক তোমাৰ ভকতৰ সঙ্গলৈ নিয়া; সদায় যেন তোমাৰ কথা শুনিবলৈ পাওঁ, তোমাৰ গুণ-কীৰ্তন শুনো, এই কৃপা মোক কৰা।”

“হেনবা পাতকী মই এৰাওঁ ভব দুঃখ।
হয়োক বান্ধৱ মই পাপীৰ সন্মুখ।।
সৰ্ব্বদায় তোমাৰ ৰহোক মোৰ মন।
বোলাৰাম বাস সবে কৰিয়া যতন।।”

**কথা ভক্তিৰত্নাকৰ**

**একবিংশ অধ্যায় বা মাহাত্ম্য**

কলিৰ পৰণ ধৰ্ম্ম

| | | |
|---|---|---|
| যুগ চাৰিটা | - সত্যযুগ | (Golden age) |
| | - ত্ৰেতাযুগ | (Silver age) |
| | - দ্বাপৰ যুগ | (Copper age) |
| | -কলিযুগ | (Iron age) |

সত্যত আছিলা হৰি/ত্ৰেতাযুগে ৰাম
দ্বাপৰত শ্ৰীকৃষ্ণ/কলিত হৰিনাম

সত্যযুগে ধ্যান/ত্ৰেতাযুগে যজ্ঞ/দ্বাপৰত পূজা/কলিত হৰিনাম প্ৰধান। যুগধৰ্ম অনুসৰি ভগৱানক বিচাৰিলেহে ভগৱানক পাব পাৰি। কলিযুগ পাপেৰে ভৰপূৰ যদিও শ্ৰেষ্ঠযুগ; কাৰণ অল্পায়ু মানুহে কমসময়তে, কমকষ্টতে হৰিভক্তি কৰি তৰি যাব পাৰে।

“ধন্য ধন্য কলিকালে/ধন্য নৰতনু ভাল/ধন্য ধন্য ভাৰত বাৰিষে” ভাৰতৰ্ষ ধৰ্মপ্ৰধান দেশ।নৰজন্ম ভগৱানক ভক্তিকৰাৰ বাবে উপযুক্ত কলি কালত ভগৱানক ভাবিলেই ভগৱান সন্তোষ্টি হয়। কলিৰ ধৰ্ম সাধন অনেক প্ৰকাৰৰ। তাৰে ভিতৰত কলিৰ পৰম ধৰ্ম বা শেষ্ঠধৰ্ম বা শ্ৰেষ্ঠধৰ্ম পন্থা হৰিনাম- শ্ৰৱণ কীৰ্তন ভক্তি।

কলিৰ পৰম ধৰ্ম নিৰূপনৰ বাবে ভাগৱতলৈ যাব লাগিব। ভাগৱতৰ একাদশ স্কন্ধৰ পঞ্চম অধ্যায়ত কৰভাজনে নিমিৰজাৰ কৈছে - যে কলিৰ মুখ্য ধৰ্ম কৃষ্ণ গেদৱৰ গুনানু কীৰ্তন আৰু শ্ৰৱণ। পূৰ্ণ অৱতাৰৰ ৰূপ অতি চমৎকাৰ। কৃষ্ণৰ মাধুৰ্য্যৰূপ অতি মনোহৰ,। শৰীৰত পীতৰস্ত্ৰ, হৃদয়ত হেমহাৰ, নিৰ্মল উজ্জ্বল মূৰ্তি, কণ্ঠত কৌস্তভ, চাৰিভূজত কেয়ুৰ কঙ্কন কাণত মকৰ মুণ্ডল, চাৰিহস্তত শঙ্ঘ-চক্ৰ গদা পদ্ম- এনে কৃষ্ণমূৰ্তিহে সাৰ। কলিৰ ঈশ্বৰক কৰা স্তুতিত প্ৰকাশ পাইছে -

- প্ৰণত পালক নমো তোমাৰ চৰণে।।
সদায়ে চিন্তিবে যোগ্য এহিসে চৰণ।
সবে মনোৰথ এহি কৰয় পূৰণ।।
সংসাৰৰ তাপ যত তাকো বিনাশয়।।
পৰম পবিত্ৰ এহি তীৰ্থৰো আশ্ৰয়।।

অৰ্থাৎ - পতিতক উদ্ধাৰ কৰোতা ভগৱানৰ চৰণ সেবা সদায় কৰিব লাগে তেতিয়াহে লোকৰ মনোৰথ পূৰ্ণ হয়, তিনি তাপৰ পৰা তেতিয়া উদ্ধাৰ হয়, তীৰ্থতকৈ ই পবিত্ৰ। তেওঁৰ চৰণত ব্ৰহ্মা-হৰেও স্তুতি কৰে। কৃষ্ণই তাপ আৰু পীড়াৰ পৰা উদ্ধাৰ কৰে। এনে ঈশ্বৰক সদায় নমস্কাৰ কৰো।”

“ৰাম অৱতাৰ লৈ পিতৃবাক্য পালন কৰি, ৰাজ্য আৰু লক্ষ্মীকো পৰিহাৰ কৰি বনলৈ গৈছিল; তেওঁ পূৰ্ণকাম, তেওঁক কোনো বস্তুৰে প্ৰয়োজন নাই। সীতা-ৰামৰ পৰম ভক্তা, গতিকে ভক্তাৰ বাক্য শুনি মায়া মৃগকো বধিব’লৈ তেওঁ অগ্ৰসৰ হৈছিল। তেনে ভক্তবৎসল ৰামৰ চৰণত সেৱা জনাওঁ ।”

কলিযুগেই চাৰিযুগৰ ভিতৰত শ্ৰেষ্ঠা কলিৰ গুণ সমূহ জানি কলিযুগক প্ৰশংসা কৰা হয়। কলিৰ বহুতো দোষ থাকে সত্বেও কিয় কলিক প্ৰশংসা কৰা হয়? কলিৰ দোষ আৰু গুণ দুয়োটাই আছে। দোষ খিনি এৰি গুণখিনিহে ল’ব লাগে। কলিৰ গুণাৱলী সমূহ হৈছে -

কেৱল কৃষ্ণৰ কৰি কীৰ্তন মুখত।
লভয় এতেকে সৰ্ব পুৰুষাৰ্থ য’ত।।

সত্যযুগে ধ্যান কৰি যি ফল পোৱা যায়, ত্ৰেতাযুগে যজ্ঞকৰি যি ফল লাভ হয়, দ্বীপৰত পূজাৰে যি ফল প্ৰাপ্তি ঘটে, কলিও কীৰ্তন মাত্ৰ কৰিয়েই সেই ফল লাভ কৰিব পাৰি। ধ্যান কৰিবলৈ ঈন্দ্ৰিয় গণক দমন কৰি , মন একাগ্ৰ নেওচিব লাগিব। যজ্ঞ কৰিবলৈ দীৰ্ঘকাল, অপৰ্য্যাপ্ত ধন-জনৰ প্ৰয়োজনয পূজা কৰিবলৈও অতি কষ্ট আৰু ধৈৰ্য্যৰ আৰশ্যক ও অৰ্থৰ প্ৰয়োজনয গতিকে তিনিবিধ প্ৰথাই দুষ্কৰ। কিন্তু কীৰ্তন কৰিবলৈ অৰ্থনালাগে, দীৰ্ঘকালত প্ৰয়োজন

নহয়, কৃচ্ছ সাধনৰ প্ৰয়োজন নহয়। ই অতি সহজ অনায়াসলব্ধ আৰু যিকোনো স্থান, কালতে কৰিব পাৰি। গতিকে কলিযুগৰ যুগধৰ্ম কীৰ্তন আৰু ইয়াক কৰিয়েই সমস্তফল লাভ হোৱাৰ বাবে কলিযুগৰ গুণ অতি চমৎকাৰ।

"সংসাৰত ভ্ৰমে জীৱ যতেক সকল।।
নাহিকে পৰম লাভ কীৰ্তন বিনাই।
যিহেতু পৰম শান্তি কীৰ্তন পায়।"

কলিযুগৰ গুণৰ ভিতৰত কীৰ্তনত লাভ কৰা পৰম শান্তি। কিয়নো কৃষ্ণ কীৰ্তনত সংসাৰ ভাৱনাৰ বিনাশ ঘটে। সংসাৰ ভাৱনা দূৰ কৰাটো পৰম লাভ। সত্য-ত্ৰেতা-দ্বাপৰৰ লোকেও কলিত জন্ম লাভ কৰিবলৈ বৰ হাবিয়াস কৰে। ধ্যান তপস্যা যাগ যজ্ঞ একো নকৰাকৈ কেৱল কৃষ্ণ শৰণ লৈ কীৰ্তন কৰিয়েই মহাফল পাব পাৰি। অন্যান্য স্থানত কিছু কিছু ভক্ত হ'ব, কিন্তু দ্ৰাৱিৰ দেশত বৈষ্ণৱৰ সংখ্যা অধিক হ'ব। তাম্ৰপৰ্ণী, কাবেৰী, প্ৰতিচী পয়স্বীনী, দূতমালা, মহানদী য'ত প্ৰবাহিত হৈছে, সেই সেই স্থানত ভকত সকলে পৱিত্ৰজল পান কৰি নিৰ্মল চিত্তে কীৰ্তন কৰিব।

দ্বাদশ স্কন্ধৰ তৃতীয় অধ্যায়ত শুকে কৈছে -

" কৰিবেক কলি সেবে লোকক দূষিত।
পাপ মাত্ৰ সিজে পুন্য নাহিকে কিঞ্চিত।
দ্ৰব্যত দেশত হন্তে পাপ উপজয়।
আপোনাত হস্তে আসি পাতক সিজয়।।"

কলিৰ প্ৰভাৱে সকলো লোকক দূষিত কৰে, মাত্ৰ পাপেই ব্যাপ্ত হৈ পুন্যক বিনাশ কৰে, সমস্ত দ্ৰব্যই চিত্ত আকৰ্ষণ কৰে, দেশত চলিত কুপ্ৰভাৱে চিত্ত কলুষিত কৰে আৰু নিজৰ দোষতে পাপৰ বৃদ্ধি হয়। ভগৱন্তই চিত্তত থাকি সমস্ত পাপ নাশ কৰে। কলিৰ গুণ এইটোৱেই যে ভগৱানক চিত্তত ধাৰণ কৰিব পাৰিলে অসংখ্য পাপৰ সমাধি ঘটে। কৃষ্ণক অৰ্চ্চনা কৰিলে, আদৰ কৰিলে, গুণ শ্ৰৱণ কীৰ্তন কৰিলেই কৃষ্ণ হিয়াত প্ৰবেশ কৰে। জন্মে-জন্মান্তৰে অৰ্জ্জন কৰা পাপৰাশি কৃষ্ণই ক্ষন্তেকৰে বিনাশ কৰে।

সুবৰ্ণৰ ওপৰত পৰা মলিৰ চামনি অগ্নিয়ে নিচ্ছিন্ন কৰে, ৰোগীৰ যন্ত্ৰণা বিষ্ণুৱে নিৰ্ম্মূল কৰে, মনৰ সকলো দুৰ্ব্বাসনা কেৱল ঈশ্বৰেহে দূৰ কৰিব পাৰে। তপ-জপ তীৰ্থ, যোগ্য, প্ৰাণায়াম, দেব উপাসনা, যজ্ঞাদিয়ে মনৰ আত্যন্তিক শুদ্ধি আনিব নোৱাৰে। মৃত্যু-বেলা হৰিক সোঁৱৰণ কৰিব পাৰিলে পৰম গতি লাভ হয়।

"শুনা ৰাজা কলিযদি দোষৰ সাগৰ।
আছে আত একগুণ মহাশ্ৰেষ্ঠতৰ।।
কৃষ্ণৰ কীৰ্তনমাত্ৰে তৰি সংসাৰক।
চলয় আনন্দে পৰমপদ বৈকুণ্ঠক।।"

কলিত কীৰ্তনেই পৰম ধৰ্ম। কুৰ্ম পুৰাণত কোৱা হৈছে যে দুষ্টকলিসৰ্পই সকলোকে দংশন কৰিলে। তাৰ ঔষধ একমাত্ৰ হৰিনাম; ৰামনামৰ বিনাই অন্য ঔষধ কাম নিদিয়ে। বিষ্ণু ধৰ্ম্মোত্তৰ গ্ৰন্থত কৈছে -

"দুগুটি অক্ষৰ ৰামনাম যিটো নৰে।
সদায় আদৰে মহাশুদ্ধায়ে গাৱয়।
অনায়াসে সিটো নৰে মুকুতি পাৱয়।।
কলি যুগে পাপযুক্ত লোক যত যত।
নহি অধিকাৰ আৰো অন্যত্ৰ ধৰ্মত।।"

ৰাম নামত দুটি মাত্ৰ অক্ষৰ; তাতেই বিশ্বব্ৰহ্মাণ্ডই আশ্ৰয় কৰি আছে। ৰাম নামক সদায় আদৰ কৰি শ্ৰদ্ধাৰে কীৰ্তন কৰিলে সংসাৰৰ পৰা মুক্তি লাভ হয়। কলিত পাপে জৰ্জ্জৰিত লোকে সমস্তক ৰামনাম কীৰ্তনে পৱিত্ৰ কৰে।

ব্ৰহ্মাণ্ড পুৰাণত কৈছে -

"নভৈল অচুৎ দেৱ যাৰ হৃদিগত।
সত্য যুগো কলিযুগ তাৰ আসি ভৈল।"

যাৰ হৃদয়ত অচ্যুতৰ বসতি নহয়, তেওঁৰ বাবে সত্যযুগ কলিযুগৰ সদৃশ। মৎস্য পুৰাণতো কোৱা হৈছে- 'কলিযুগত যাৰ মুখত হৰিনাম বেকত হয়, তেওঁ নিজেও তৰে আৰু আনকো তৰায়, নিজে স্মৰণ কৰি আনকো স্মৰণ কৰাব লাগে।

"আপুনিও স্নৰয় আনকো স্নৰায়।
সেহি ধন্যতমম জানো পূজ্য আতিশয়।।"

সেইজন লোক পৰম সুহৃদ। পুত্ৰ-দ্বাৰা, মিত্ৰও তেওঁৰ সমান আপোন হ'ব নোৱাৰে।

"সেহিসে হোৱয় মহা সুহৃদ পৰম।
ভাতৃ মিত্ৰ পুত্ৰ আদি কেহো নুহে সম।।"

বৃহৎ নাৰদী পুৰাণত নাৰদে ঋষিসকলৰ আগত কৈছিল- "কলিযুগত নামৰ সমান ধৰ্ম নাই। কলিত যিজনে হৰিনাম কীৰ্তন কৰে। তেওঁ সকামীয়েই হওক বা নিষ্কামীয়েই হওক তেওঁক কলিয়ে আক্ৰমণ কৰিব নোৱাৰে। নাৰদে হৰিনামৰ মহিমা নদি প্ৰকাশ কৰে।

"কলিযুগে নাম বিনে অত্যত্ৰউপায়।
নিশ্চয় কহিলো গতি নাই নাই নাই।

কহিলা নাৰদে দৃঢ় কৰি তিনিবাৰ।
কলিত নাহিকে গতি নাম বিনে আৰ।।
কলিত কেৱলে হৰিনামে মহাধৰ্ম।
ত্ৰহিমানে সমস্ত শাস্ত্ৰৰ তত্ব-মৰ্ম।।”

'বৈষ্ণৱানন্দ' শাস্ত্ৰত মাধৱে অৰ্জ্জুনক কোৱা কথা -
“কলিযুগত নামহেসাৰ, নাম এৰি অন্যত গতি নাই। কলিত বৈষ্ণৱৰ সঙ্গ লাভ হ'লে ভকতি হয়, ভকতি কৰিলে মোক পায়।”
প্ৰথম স্কন্ধত সূতে ঋষিসকলৰ কলিৰ কথা কৈছে। ভ্ৰমৰে ফুলৰ মৌৰসহে গ্ৰহণ কৰে; সেইদৰে কলিৰ গুণখিনিহে ল'ব লাগে। হৰিভক্তি কৰিলে পাপ ক্ষয় হয়, মনলৈ পাপ নাহে। কলিৰ গুণ থকাৰ বাবে পৰীক্ষিতে কলিক বধ নকৰি নিৰ্দ্দিষ্টস্থানত ৰাখিলে।

দ্বাদশ স্কন্ধত শুকে কৈছে - যে ভগৱন্তই লোকক দয়া কৰি বিপদ-আপদত ৰক্ষা কৰে।

“ম্ৰিয়মানে আতুৰে পৰন্তে পিছ লন্তে।
অশ্ৰদ্ধায়ে যাৰ নাম কীৰ্ত্তন ।।কৰন্তে।।
কৰ্ম্মবন্ধ এৰাই পাৱে উত্তম গতিক।।”

মনত বেজাৰ হ'লে, আতুৰ হ'লে, ওখ ঠাইৰ পৰা খহি পৰিল, পিছলখালে, অশ্ৰদ্ধাভাবেও ভগবানৰ নাম ল'লে তেওঁ সমাগত বিপদৰ পৰা ৰক্ষা কৰে। এনে ঈশ্বৰত শৰণ ললে তেওঁ শৰনাগতক সৰ্ব্বপ্ৰকাৰে ৰক্ষা কৰে।
গতিকে - “মাধৱৰ গুণগান সন্তৰ সঙ্গত।
শ্ৰৱণ -কীৰ্ত্তন মাত্ৰ কৰিয়ো সতত।।

------ ০০ ------

।।“দ্বাবংশ অধ্যায় বা মাহাত্ম্য।।
।।জীৱ ঈশ্বৰৰ ভেদ।।

ব্ৰহ্ম, পৰমাত্মা, ভগৱন্ত একেজনেই; তেঁৱেই পৰম ব্ৰহ্ম। পৰম ব্ৰহ্মকেই ঈশ্বৰ বোলা হৈছে। তেওঁ মায়াক আশ্ৰয় কৰি জগত আৰু প্ৰাণীক সৃষ্টি কৰিছে। প্ৰাণীৰ পঞ্চভূতৰ দেহৰ ভিতৰত পৰম ব্ৰহ্মাই ক্ষুদ্ৰাতিক্ষুদ্ৰ হৈ আত্মাৰূপে, প্ৰবেশ কৰে আৰু দেহত প্ৰবেশ কৰাৰ লগে লগে দেহ চৈতন্যপূৰ্ণ হয়। আত্মাৰ প্ৰতিবিম্ব হিচাবে দেহৰ আত্মাই নাম লয় জীৱাত্মা। মন-প্ৰাণ চিত্তৰ লগত জীৱাত্মা মিশ্ৰিত হৈ থাকে। গতিকে ঈশ্বৰ সৰ্ব্বময় কৰ্ত্তা, জীৱাত্মাই ভোক্তাৰূপে দেহত বাস কৰে। সেইবাবে ঈশ্বৰ আৰু জীৱৰ মাজত প্ৰভেদ আছে।

“সেহিসে ঈশ্বৰ যাৰ বশ্য মায়া
পৰমআনন্দময়।
মায়া মৰ্দ্দে যাক তাকে বুলি জীৱ
দুঃখতে তাৰ উদায়।।”

পৰম আনন্দ স্বৰূপে ঈশ্বৰৰ মায়াত বন্দী হোৱা সকলেই জীব নাম পায়। জীৱক ভগবানৰ মায়াই মৰ্দ্দন কৰে। মায়াত বন্দী আৰু মায়াই মৰ্দ্দন কৰি ৰখা জন জীৱ আৰু মায়া সৃষ্টিকাৰী জনেই জীৱ।

“অতি সূক্ষ্মৰূপ আনন্দে যুগুত
চৈতন্যৰূপ ঈশ্বৰ।
তাহান মায়ায়ে ঢাকিলেক নিজ
আনন্দ সুখ জীৱৰ।”

ঈশ্বৰ অতি সূক্ষ্মৰূপী, আনন্দৰূপী, চৈতন্যৰূপী; তেনে সূক্ষ্ম-আনন্দ ঘন-চৈতন্যময় ঈশ্বৰৰ মায়াৰে জীবক আনন্দ দান কৰে। মহাদুঃখ আৰু যাতনাৰে ভাৰাক্ৰান্ত হৈ জীৱই সংসাৰত জীয়াই থাকে।

চতুৰ্থ স্কন্ধত ধ্ৰুৱই মাধৱক কৰা স্তুতিত কোৱা হৈছে যে ঈশ্বৰ বিনক্ষণ ৰূপে জীৱত নিহিত হৈ থাকে। ঈশ্বৰ নিত্য, কিন্তু জীৱ জড়। জীৱ ঈশ্বৰৰ সেৱাত ব্ৰতী। ঈশ্বৰৰ সদাশিৱ, শুদ্ধ অতি, সৰ্ব্বজ্ঞ, নিৰ্ব্বিকাৰ, তিনি গুণৰ অধিকাৰী আৰু তেওঁ অনন্ত। বিপৰীতে জীৱ অতি অজ্ঞ, বিকাৰী, অশুদ্ধ, ভাগ্যহীন, গুণৰ অধীন আৰু দৃষ্টিশূন্য। ঈশ্বৰৰ দৃষ্টি অখণ্ড, অনাদি পুৰুষ, অধিষ্ঠতা দেৱতা, জীৱৰ আশ্ৰয়দাতা। জীব-ঈশ্বৰৰ এই বোৰেই বিলক্ষণ।

একাদশ স্কন্ধত কৃষ্ণই উদ্ধৱক কয় যে পৰমাত্মাই কৰ্ম নকৰে, তেওঁ জীৱৰ নিয়ন্তা, মনৰ সঞ্চালক, অন্তৰ্য্যামী আৰু বিদ্যা বা জ্ঞানৰ আলয়, সদ্যপ্ৰকাশিত আৰু তেনে ঈশ্বৰকে জীৱই সঙ্গতি কৰি থাকে। দেহকেই আত্মাজ্ঞান কৰি লোকে নানা কাম-উপভোগত নিজকে ব্ৰতী কৰি ৰাখে। যোগ-সাৰ শাস্ত্ৰ মতে জীৱ আৰু ঈশ্বৰৰ ভেদ হৈছে ঈশ্বৰেই পৰমাত্মা। পৰমাত্মাই হৰি, বিজ্ঞানৰমূৰ্তি, নিত্য-নিৰঞ্জন, আনন্দ-স্বৰূপস, নিৰা বস্তুকে গ্ৰহণ কৰিব পাৰে। পৰমাত্মা গতিশীল, আৰু জগতৰ কৰ্তা পালক ও সংহাৰ কৰ্তা। তেওঁ নিশ্চল, নিৰ্ম্মল, সঙ্গহীন, চেষ্টাহীন, বস্তু পৰিগ্ৰহ নকৰে, আৰু কৰ্মহীন। তেওঁ জগতসৃষ্টি কৰি জগতৰ মাজতে উদাসীন হৈ থাকে। সংসাৰৰ প্ৰতি তেওঁ আকুলিত নহয় আৰু সংসাৰৰ দোষে তেওঁক স্পৰ্শ নকৰে।

তেওঁ দেহৰ সাক্ষীৰূপে দেহত আত্মাৰূপে বিৰাজমান হৈ থাকে। কিন্তু জীৱাত্মা দেহবাদী, ব্যয় সাপেক্ষে, সুখ-দুখভাগী,সংসাৰৰ প্ৰতি বিমুগ্ধ, কৰ্মপাশত আবদ্ধ, ঈশ্বৰৰ পৰা ভিন্ন, ভ্ৰান্তিৰে অভিভূত আৰু সি নিজকে চিনিব নোৱাৰে।

এনে জীৱাত্মাই ঈশ্বৰত শৰণলৈ দুৰ্ল্লভ গতি পাব পাৰে। গতিকে জীৱ- আত্মা আৰু পৰমাত্মাক বুজি কৃষ্ণত ভকতি কৰিব লাগে।

" জীৱ-আত্মা পৰমাত্মা ভেদজানি ভকতি কৰে যিজনে।।
কি কহিবা তাক পাইবে অতিসুখে মহামতি সিটো জন।।

।। ত্ৰয়োবিংশ অধ্যায় বা মাহাত্ম্য।।

।। হৰি ভক্তি-হীনৰ নিন্দা।।

মানবী তনু লাভ কৰি যি সকলে নিজে হৰি ভক্তি নকৰে আৰু আনে হৰিভক্তি কৰিলেও নিন্দা কৰে, তেনেলোক দুগুণ পাপী। যিসকলে হৰিভক্তি নকৰে, তেনেলোকক নিৰূপন কৰি নিন্দা কৰা উচিত। হৰিভক্তিবানক প্ৰশংসা আৰু হৰিভক্তি হীনক নিন্দা কৰা উচিত। তৃতীয় স্কন্ধৰ নৱম অধ্যায়ত মাধৱৰ আগত ব্ৰহ্মাই কৈছিল যে যিসকলে নিষ্কাম কৰে যদিও ভগৱানক আদৰ নকৰে, তেনেজন নৰকৰ ভাগী হয়। অৰ্থাৎ কৃষ্ণৰ গুণগান যশ শ্ৰৱণ-কীৰ্তন নকৰাজন মহাপাপী। তেওঁ কেৱল কাম্য-কৰ্ম্মত লিপ্ত থাকে। তেওঁলোক সংসাৰত অতি মন্দভাগী লোক। অস্থায়ী কাম সুখ-লোভকে মূলহিচাবে লৈ দুঃখৰূপ কৰ্মকে সততে আচৰণ কৰে।

"ক্ষুধা-তৃষ্ণা সহে বাত বৃষ্টি ৰৌদ্ৰচয়।
কফ বাত পীতে পীড়া সদায়ে কৰয়।।
অতিশয় কাম-অগ্নি জ্বলে হৃদয়ত।
নাহি শান্ত চিত্ত ক্ৰোধ নুগুচে মনত।।

ক্ষুধা তৃষ্ণা, বাত বৃষ্টি, ৰৌদ্ৰতাপ, কফ-বাত পিতৰ যান্ত্ৰনা, কাম-তৃপ্তি, চিতৰ উন্মত্ততা সহি তেওঁলোকে অশান্তিময় জীৱন কটায়। অজ্ঞানতাই এওঁলোকক এইবোৰ কৰায়; জ্ঞানে ইয়াৰ পৰা উদ্ধাৰ কৰে। গতিকে বিবেকী জনে সংসাৰ ভাৰৰ পৰা মুক্ত হৈ থাকি শান্তি লাভ কৰে।

ব্ৰহ্মাই নাৰায়নক কৈছে- "হে প্ৰভূ, -তোমাৰ যশ-গুণ কীৰ্তি কৰাৰ পৰা যিজন বিমুখ হ'ল, তেওঁলোকে শান্তি লাভৰ পৰা বঞ্চিত হয়, তেওঁলোকৰ কিঞ্চিতো সুখ নহয়, ইন্দ্ৰিয়গনো নানা কৰ্মত অতিশয় দুখিত হৈছে, ৰাতিৰ নিদ্ৰাতো সুখ নাপায়, টোপনি আহিলেই স্বপ্ন দেখি অশান্তি পায়। তেওঁলোকে দিনে ৰাতিয়ে অৰ্থলাভৰ কাৰণে চেষ্টা কৰে, কিন্তু অৰ্থলাভত ব্যৰ্থ হয়।

প্ৰথম স্কন্ধৰ যোল্ল অধ্যায়ত শৌনকে সুতৰ আগত কৈছে - 'হৰি কথা অমৃতৰ তুল্য, ইয়াক যি পান কৰা নাই, তেওঁৰ জীৱন ব্যৰ্থ।

"ৰাতিৰ বয়স যায় নিদ্ৰাত বিকলে।
ব্যৰ্থ কৰ্মে যাচয় মাত্ৰ আয়ু দিনৰো সকলে।।"
"জ্ঞান আয়ু বয়স সকলে ব্যৰ্থ ভৈল।"
"হৰি-ভক্তি হীনৰো জীৱন যদি হয়।
নিজীয়ে কি তেবে ইটো তৰুবনচয়।।"

হৰিভক্তি হীনৰ দিন ৰাতি বিফলে অতিক্ৰম হয় জ্ঞান-আয়ু এনেয়ে পাৰ হয়। গছৰ নিশ্বাস-ভোজন নোহোৱাৰ দৰে তেওঁলোকৰো কমাৰৰ ভাথীৰ কৰে জীৱন অতিক্ৰম হয়।

"কমাৰৰ ভাথীনায়ে নিশ্বাস কাঢ়য়।
গ্ৰামৰ শূকৰে বিষ্ঠা ভোজন কৰয়।।
জীয়া বুলি ভাথীক কৰয় কোন নৰে।
কোনেনো প্ৰশংসা আদি শূকৰক কৰে।

কমাৰৰ ভাথীৰ নিশ্বাসৰ দৰে তেওঁলোকৰ ইশাহ নিশ্বাস কৃত্ৰিম গ্ৰাম্য গাহৰীয়ে বিষ্ঠাখাই জীৱন ধাৰণ কৰে, বিষ্ঠা ভোজন কৰাটো নিকৃষ্ট, হৰিকথা নপতাজনৰো জীৱন বিষ্ঠাময়।

দ্বিতীয় স্বন্ধৰ তৃতীয় অধ্যায়ত হৰি ভক্তি হীন পুৰুষৰ কথা শৌনকাদি মুনি সমস্তই ব্যক্ত কৰিছে। হৰিভক্তিহীন লোক পশুতকৈ অধম, জীৱন ব্যৰ্থ। যাৰ কৰ্ণই মাধৱৰ নাম নুশুনিলে তেওঁ কুকুৰৰ সদৃশ।

"বিষ্ঠাতুল্য বিষয়ত আশকতি কৰি।
ভৈল সিটো নৰ গ্ৰাম্য শূকৰৰ সৰি।।"

গাঁৱৰ গাহৰিৰ দৰে তেনেলোকে সংসাৰ-বিষ্ঠাখাই জীয়াই থাকে। নতুবা কাঁইট খাই তৃপ্তি পোৱা উটৰ দৰে তেওঁলোক দুৰ্ব্বোধ। উটে কাঁইট খাই ভালপায় আৰু কাঁইটে তাৰ উট ফালি দিয়ে, তাৰ পৰা ওলোৱা তেজ পান কৰি উটে তৃপ্তি পায়। হৰি ভক্তি হীন জনেও সংসাৰত আসক্ত হৈ পৰম তৃপ্তি লভে।

বিদুৰে মৈত্ৰেয়ৰ আগত তৃতীয় স্কন্ধৰ পঞ্চম অধ্যায়ত কৈছে যে যি হৰিকথাত ৰমন নকৰে, কৃষ্ণকথা ব্যক্ত নকৰিলে,শ্ৰৱণ নকৰিলে তেওঁ অতি শোচ্যতম। তেনেজনৰ বাক্য ঘৃণনীয়, মন কলুষিত, দেহ বৰ্জ্জনীয়। বৈকুন্ঠ বৰ্ণনাত, তৃতীয় স্কন্ধৰ পঞ্চদশ অধ্যায়ত ব্ৰহ্মাই কৈছিল যে হৰিৰ চতুবিধ লীলাৰ কথৰ বাহিৰে আন আন ক-কথা যি শ্ৰৱণ কৰে, তেওঁলোকে বৈকুন্ঠ লাভ কৰা অসম্ভৱ। কু-কথা শুনাৰ ল'গে ল'গে লোকৰ সুবাসনা দূৰ হয় আৰু কুৱাসনাই লগ লয় আৰু তমোময় নৰক ভোগ কৰে। বত্ৰিশ অধ্যায়ত কোৱা হৈছে যে কু কথা শুনিবলৈ পায়, তেনেলোক কলা হোৱাই ভাল।

"কলা ভৈল ভাল তাৰ একো নুশুনয়।
তেবে আৰু কু-কথাৰ দোষ নাপাৱয়।।"

হৰি-কথা এৰি অন্য কথাক গুৰুত্ব দিয়াৰ ফল কি হয় তাক ব্যক্ত কৰিছে- 'শূকৰে অমৃত এৰি বিষ্ঠাসম কু-কথাত কাম দি অধোগতি যায়। দশম স্কন্ধত বেদে কয় যে মানৱী জনম লাভ কৰি যি জনে হৰিৰ নাম শ্ৰৱণ কীৰ্তন ভক্তি নকৰে, তেওঁ ভাথীৰ দৰে নিশ্বাস লয়। একাদশ স্কন্ধৰ পঞ্চম অধ্যায়তো চমস সিদ্ধই নিমিৰজাৰ আগত একে কথাকে কৈছে। ব্ৰহ্মণ-ক্ষত্ৰিয় বৈশ্য আৰু শূদ্ৰজাতিৰ পিতৃ কৃষ্ণদেৱ; তেঁৱেই নিজ পিতৃ। সেইবাবে কৃষ্ণৰ নাম শ্ৰৱণ-কীৰ্তন নকৰা,কৃষ্ণক নভজা জন অধোপতি যায়। অতি কম জ্ঞান লৈ পণ্ডিত বোলোৱা, কৃষ্ণক নভজি আন কৰ্ম কৰা, লোক বৰ্জনীয় আৰু তেনেলোকৰ সঙ্গ ত্যাগ কৰিব লাগে।

"মোহ হুয়া বেদ বাদে নভজে হৰিক।
ভৈলা আসকতি কৰ্ম কালত অধিক।।
যেনমতে কৰ্ম পুৰুষক কৰাৱয়।
কিমতে কৰ্মক কৰিবাক নাযায়ন।।

বেদবাদ অৰ্থাৎ বেদৰ কৰ্ম কাণ্ডত নিৰ্দ্ধাৰিত বিধিমতে অজ্ঞানী সকলে কৰ্ম কৰে, বেদৰ পৰমাৰ্থ তত্ব উপলব্ধি কৰিব পৰাহ'লে কৃষ্ণক ভজি পুৰুযে মুক্তি পালে হেঁতেন। মুৰ্খ হৈ বেদজানো বুলি নিজকে পণ্ডিত বুলি তেওঁলোকে গণ্য কৰে। ফলত স্বৰ্গলাভ হ'লেও স্বৰ্গৰ অপেস্বৰাসকলৰ মেৰপাকত পৰি বিকাৰ গ্ৰস্ত হয়। স্বৰ্গসুখ সৰ্ব্বসুখ বুলি তেওঁলোকে ধৰি লয়। তেওঁলোকে অশান্ত মনেৰে হৰিক বুজিব নোৱাৰে। তেওঁলোকে নিজৰ গৰ্ব্বভাবে এৰিব নোৱাৰে। দৈব মনোৰথ সিদ্ধি বুলি নানা প্ৰাণীক বধ কৰি তেওঁলোকে ব্ৰহ্মবধ কৰে, পোহনীয়া জন্তুক বধ কৰি পৰম অন্যায় কৰে, তেওঁলোক নৰকত পৰি যান্ত্ৰনা ভোগ কৰে আৰু মৃত পশুসবে মহাক্ৰোধ কৰি তেওঁলোকক বেঢ়ি বেঢ়ি খায়। ব্ৰহ্মঅংশী জীৱক বধ কৰি তেওঁলোকে ঈশ্বৰমুখী হ'ব পাৰে। এই তত্ব মহন্তই দিয়ে বাবে মহন্তৰ অনুগ্ৰহত ঈশ্বৰক ভজিলে এনে মহাপাপী গণে পাপৰ পৰা উদ্ধাৰ হয়। একেবাৰে অজ্ঞ সকলে এনে কৰ্ম কৰি নষ্ট হয়, কিন্তু অলপ তত্ব বুজি পোৱা সকলে এনে কৰ্ম কৰি সমুলঞ্চে বিনাশ প্ৰাপ্ত হয়। কোটি জন্মতো তেনে মধ্যস্থিত পাপীয়ে নিস্তাৰ নাপায়।

"নোহে মুৰ্খ কিন্তু নপাইবেক তত্ব-জ্ঞান।
ধৰ্ম অৰ্থ কামকেসে কৰয় প্ৰধান।।
নাহি উপশান্তি আৰু ক্ষনেক মনত।
আপোনাক আপুনি কৰিলে সিটো হত।।"

অজ্ঞানকে তেওঁলোকে জ্ঞান বুলি ভাৱে, তেওঁলোক আত্মঘাতী। তেওঁলোক নৰকৰ পোক মাত্ৰ।

একাদশ স্কন্ধৰ এঘাৰ অধ্যায়ত উদ্ধবক কৃষ্ণয়ে কৈছে যে তেওঁলোকে শাস্ত্ৰ সমূহ পঢ়ি ব্ৰহ্মজ্ঞান জানিলেও তাৰ সাধনা নকৰে বাবে তাৰ ফল নাপায়। বাজী গাইৰ পৰা দুগ্ধ নোপোৱাৰ দৰে -"তেওঁলোক মৰাশৰ-তুল্য"।

"আত্মবোধ কৰি অহঙ্কাৰ কৰে ঘোৰ।
মৃত তুল্য ভৰ্য্যাদিক বোলে ইটো মোৰ।
প্ৰতিমাতে কেৱল দেৱতা বুদ্ধি কৰে।
জলত কৰয় তীৰ্থ বুলি নিৰন্তৰে।।
ইটো চাৰি বুদ্ধি মহন্তক নকৰয়।
গৰুতো অধম সিটো কহিলো নিশ্চয়।।"

আত্মবোধ কৰি অহঙ্কাৰ কৰা, ভাৰ্য্যাদিক মোৰ বেলা, প্ৰতিমাত দেব বুদ্ধি কৰা আৰু জলকেই তীৰ্থ বুলি ভবা- এই চাৰিবিধ বুদ্ধি অধম লোকেহে কৰে।

সপ্তম স্কন্ধত প্ৰহলাদে নৰসিংহৰ আগত কোৱা কথা হ'ল- ঈশ্বৰক নভজা ব্ৰাহ্মণৰ বাৰটা গুণ আছে। সততে ইন্দ্ৰিয়ৰ সুখ সাধন কৰা লোকতকৈ চণ্ডালশ্ৰেষ্ঠ। চণ্ডালে ঈশ্বৰৰ পদ পঙ্কজত শৰণ লৈ, কাষ-বাক্য মন ঈশ্বৰত অৰ্পন কৰি কুলক পবিত্ৰ বৃহৎ নাৰদীয় পুৰাণত নাৰদে কৈছে- মুনি সকলৰ আগত- "হৰিভক্তিহীনৰ জীৱন মৃতকৰ সম।

"জীয়ন্ততে শব সম কহিলো নিৰ্ণয়।।
নুশুনে বৈষ্ণৱ শাস্ত্ৰ যিটো নৰাধন।
তাহাৰ সদায়ে স্বামী জানা ৰাজা যম।।"

হৰিৰ কথাই সৰ্ব পাপ বিনাশ ঘটায় এনে হৰিনাম যি নলয় তেওঁ অচিৰ কালতে বিনাশ হয়। ষষ্ঠ স্কন্ধত কোৱা হৈছে যে মুকুন্দৰ চৰণ-পদ্মত নিকিঞ্চনে সেৱা কৰি পৰম গতি পায়। এনে চৰণ এৰাজনে নৰকত পৰে। যাৰ জিভাত হৰিনাম নাহে, যাৰ শিৰে কৃষ্ণক প্ৰণাম নকৰে, কৃষ্ণ-পাদ পদ্মক যি জনে নুসুমৰে,কৃষ্ণকৃষ্ণ বুলি যি এবাৰো সোঁৱৰণ নকৰে, তেনেলোকক ভগৱানে যান্ত্ৰনাও ভোগায়। গীতাত যাদৱে অৰ্জুনক কৈছে, - যোড়শ অধ্যায়ত আসৰী আৰু দৈবী সম্পদৰ বিষয়ে। সি অসুৰী সম্পাদক আশ্ৰয় কৰে তেওঁলোকে দ্বেষ কৰি ঈশ্বৰক ভজে, তেওঁলোক ক্ৰুৰমতি। ঈশ্বৰেও তেওঁলোকক দ্বেষ কৰে আৰু তেওঁলোক অধোগতি যায়।

"অতি ক্ৰুৰ ব্যাঘ্ৰ সৰ্প আদি যোনি য'ত।

সদা তাকে দেওঁ পৰি থাকে সংসাৰত।।
জন্মে জন্মে যেহি যোনি পাবে বাৰম্বাৰ।
জানা কুন্তীসুত মোক নেপাবয় আৰ।।
তাহাতো অধম যোনি ক্রিমি কীটচয়।
সেহি যোনি পায়া ঘোৰ সংসাৰে থাকয়।।”

বাঘ সাপ আদি হিংসুক যোনিজাত প্ৰাণী। ভগৱানে হৰিদ্বেষী লোকক তেনে যোনিত জন্ম দিয়ায়। তেওঁলোকক কীট, ক্রিমি আদি অধম যোনিত জন্ম দিয়াই দুঃখ কষ্ট ভোগাঁও বুলি কৃষ্ণই কৈছে। নৱম অধ্যায়ত কৃষ্ণই কয় যে মূঢ়গণে ভগৱানৰ নাজানে। তেওঁ কৈছে -

“শুদ্ধ সত্ব তনু, মঞি মহা মহেশ্বৰ।
ভক্তৰ ইচ্ছায়ে ৰূপ ধৰো মনুষ্যৰ।।”

ভগৱন্ত শুদ্ধ সত্ব শৰীৰ ধাৰণ কৰে মনুষ্যৰূপ পৰিগ্ৰহ কৰি ভকতখ ইচ্ছাপূৰণ কৰিবলৈ। মূঢ় গণে মোক চিনিব নোৱাৰে। পৰম তত্বকে তেওঁলোকে জানিব কেনেকৈ। তেওঁলোকে ভাৱে যে অন্য দেবগণে তেওঁলোকক শ্রীঘ্রে বাঞ্চিত ফল দিয়ে। গতিকে ঈশ্বৰৰ প্ৰতি বিমুখ হয়। তেওঁলোকে নানা কুতৰ্কীশাস্তৰ জানি বিষয়কে পৰমাৰ্থ বুলি মানে।

“ৰজ-তম গুণে মাত্ৰ সদায় যুগুত।
কাম দৰ্প হিংসা আদি আছয় বহুত।।”

তেওঁলোক স্বভাব ধৰ্মত ব্ৰতীহৈ সংসাৰতে পচি থাকে।

‘বৈষ্ণৱানন্দ’ গ্ৰন্থত কৃষ্ণয়ে কৈছে- “ভিক্ষাৰ আশাত যি মোৰ গুণ-নাম নাগায় তেওঁলোকক দৰ্শন কৰিব নাপায়। তেওঁলোকক দেখা মাত্ৰে আতৰ হ’ব লাগে।” পদ্ম-পুৰাণত ব্যক্ত হৈছে যে ব্ৰাহ্মণৰ জন্ম পায়ো যি সকলে কৃষ্ণক নভজে তেওঁলোক অধম, অন্ত্যজাতি হৈয়ো কৃষ্ণক ভজাজন উত্তম। চণ্ডালও কৃষ্ণভক্তি কৰি ত্ৰিজগত উদ্ধাৰ কৰিব পাৰে। এই তত্ব জানি কৃষ্ণত শৰণলৈ কৃষ্ণভক্তি কৰি পৰম গতিপাবলৈ যত্ন কৰা উচিত। হৰিভক্তিহীনক নিন্দা কৰাটো ভগৱানৰ নিৰ্দ্দেশ, শাস্তৰ নিৰ্দ্দেশ।

---

।। চতুবিংশ অধ্যায় বা মাহাত্ম্য।।

।। ভক্ত-দ্বেষীৰ।।

হৰি-ভক্তিক হিংসা কৰা, বিদ্বেষ কৰা, তিৰস্কাৰ কৰা, ইতিকিং কৰা লোকৰ কি দশা হয়, তাক তলত আলোচনা কৰা হ’ল। একাদশ স্কন্ধৰ পঞ্চম অধ্যায়ত সিদ্ধচমনে ভক্ত দ্বেষীৰ গতি কি হয়, তাক ব্যাখ্যা কৰিছে। অভকত জনৰ মন কেৱল কৰ্মত নিমগ্ন হৈ থাকে, দপ-অহঙ্কাৰত সদায়ে ৰত থাকে, প্ৰাণীবধ কৰি আনন্দ পায়, আৰু হিংসা-ধৰ্মকে সদায় কৰি তৃপ্তি অনুভৱ কৰে।

“কামুক দাম্ভিক আতি। সৰ্পৰ সমান ক্ৰোধী।
উপাহাস ভক্তক কৰয়।।
দান-বিদ্বা ৰূপে বলে। ধন জন বিভূতিয়ে।
অতিমহা গৰ্ব উপজয়।।”

এনে লোকৰ কামুকতা, দাম্ভিকতা, ক্ৰোধ ভাব সদায় থাকে। তেওঁলোকে দান-বিদ্বা ৰূপ-বলৰ দ্বাৰা আৰু ধন জন ঐশ্বৰ্য্যৰ দ্বাৰা বিভুষিত হৈ দৰ্প অহঙ্কাৰ কৰে মহাগৰ্বী হৈ ভক্তক উপহাস কৰে। তেওঁলোকৰ শুদ্ধ বুদ্ধি লোপ পায়, ভাল বেয়া, হিতাহিত জ্ঞান হেৰোৱাই পেলায়, ঈশ্বৰ আৰু ভক্তক চিনিব নোৱাৰে।

তেওঁলোকে ভক্ত-ভগৱানক নিন্দা -তিৰস্কাৰ কৰি পৰম শান্তি লাভ কৰে, তেওঁালোকে নানা যান্ত্ৰনা আৰু নৰক ভোগ কৰে।

চতুৰ্থ স্কন্ধৰ তৃতীয় অধ্যায়ত মহেশে এই সন্দৰ্ভত মহেশে পত্নী সতীক কৈছে- “হে সতী, তুমি ভগৱান দক্ষৰ কথাত দোষ নধৰিবা; কিয়নো ভকতক দেখিব নোৱাৰে, সদায় নিন্দা কৰে, ভকতৰ পুন্য কীৰ্তি যশস্যা দেখি সিহঁতৰ হিয়া পুৰি মাৰে, ভকতৰ ঐশ্বৰ্য্য দেখি তেওঁলোকৰ ঈৰ্ষাত হৃদয় দহে। সেইবাবেই দুৰ্জনে ভকতক তিৰস্কাৰ কৰি শান্তি পায়। অসুৰ সকলে সদায় ঈশ্বৰক নিন্দা কৰে, কিন্তু ভক্তই কাকো হিংসা দ্বেষ নকৰে। ভক্তই একো নকৰিলেও দুৰ্জ্জনে অনাহকতে ভকতক নিন্দা ভৎসনা কৰে।

শেষ অধ্যায়ত দশ প্ৰচেতাক নাৰদে কোৱা কথা যি দুষ্টলোকে বিষ্ণুভকতক নিন্দাকৰে, তেনেলোকৰ পূজা ঈশ্বৰে গ্ৰহণ নকৰে। হৰি নিৰ্ধনীৰ ধন, ভকতৰ প্ৰিয়, ভকতিৰ বলত হৰিক বশ্যকৰে আৰু হৰি সাধনা কৰি ভকত অতি প্ৰিয়তৰ হৈ উঠে। কুল কৰ্ম শ্ৰুতধৰ্মৰ বাবে বৈষ্ণৱক যিসকলে নিন্দা কৰে, তেওঁলোক পাপী আৰু অধোগতি যায়।

ষষ্ঠ স্কন্ধত চিত্ৰকেতুৰে অনন্তৰ আগত কয় - ‘পৰক দ্ৰোহ কৰিলে নিজে নষ্ট যোৱাৰ উপৰিয়ো পৰকো দুঃখ দিয়া হয়। তেনেজন পৰম পাতকী, দুৰ্মতি আৰু তেওঁলোকৰ কোনো কালে কুশল নহয়। পৰহিংসা কৰি নিজে বিনষ্ট হোৱাৰ বাবে পৰহিংসা কৰা অনুচিত।

বৈষ্ণৱানন্দত কৃষ্ণই কৈছে - “মোৰ ভকতক যিয়ে দুঃখ দিয়ে, যি নিন্দা কৰে, তাৰ আৰু গতি থাকিব নোৱাৰে, তেওঁ নিশ্চয়ে অধোগতি যায়।

‘ ইটো সব বচনৰ অনুসাৰে শুদ্ধভাবে

লৈয়ো এক শৰণ কৃষ্ণত।
কৃষ্ণত ভকতি কৰি পাৱয় উত্তম গতি
আনমতে গতি নাহিকয়।।"

০০০০

।। পঞ্চবিংশ অধ্যায় বা মাহাত্ম্য।।

।। ভক্তৰ অঙ্গ প্ৰশংসা।।

নৱম স্কন্ধৰ চতুৰ্থ অধ্যায়ত শুকে পৰীক্ষিতৰ আগত এই সম্পৰ্কে বৰ্ণনা কৰিছে। হৰিৰ ভক্তিয়ে ইন্দ্ৰিয়ক সফল কৰি তোলে। শুকে অম্বৰীষ ভকতিৰ বিষয়ে উদাহৰণ দাঙি ধৰিছে। তেওঁ মনক কৃষ্ণ পাদ-পদ্মত অৰ্পণ কৰিছিল। বাক্যেৰে হৰি গুণ প্ৰকাশ কৰিলে, হাতেৰে হৰিমন্দিৰ মাৰ্জ্জন কৰিলে, কাণেৰে কৃষ্ণ কথা শ্ৰৱণ কৰিলে, চকুৰে মুকুন্দৰ মূৰ্তি দৰ্শণ কৰিছিল, শৰীৰে ভকতক আলিঙ্গন কৰিছিল।তেওঁ নাকেৰে শ্ৰীমন্ত তুলসীৰ ঘ্ৰাণ ল'লে আৰু শৰীৰৰ অঙ্গসমূহক কৃষ্ণত নিবেদন কৰিলে। তেওঁ জিভাৰে তাৰ স্বাদ মাত্ৰ গ্ৰহণ কৰিলে আৰু পদেৰে হৰি ক্ষেত্ৰলৈ গমন কৰিছিল। শিৰেৰে তেওঁ হৰিবন্দনা কৰিলে আৰু দাসভাৱে ঈশ্বৰৰ প্ৰসাদ বুলি মনে মানি অৰ্পনাদি কৰিলে। ইন্দ্ৰিয়ৰ ভোগ ত্যাগ কৰি তেওঁ কেৱল ভক্তৰ লগতে ৰতি কৰিলে, ভকতত তেওঁৰ পৰম ভাব আছিল।

দশম স্কন্ধৰ আশী অধ্যায়ত পৰীক্ষিতে শুকৰ আগত ব্যক্ত কৰিছিল - বচনে কৃষ্ণ কথা ব্যক্ত হ'লেহে হাতেৰে কৃষ্ণ কৰ্ম কৰিলে, মনেৰে কৃষ্ণক স্মৰণ কৰিলে- বাক্য' মন হস্ত সফল হয়। মাধৱৰ পুন্যকথা সদায়ে শুনিব লাগে, তেহে কৰ্ণৰ সফলতা আহে। স্থাৱৰ জঙ্গমসকলোবোৰ মাধৱৰে ৰূপ; গতিকে সকলোকে ঈশ্বৰ বুলি জ্ঞান কৰি দৰ্শন কৰিলে চকু সফল হয়। হৰিসেৱাৰ পৰা নিৰ্মল আনন্দ আৰু সন্তোষ্টি আহে। যি জিভাই হৰিৰ স্তুতি কৰে, তেনে জিভা সফল জিভা হয়। চিত্তই হৰিক চিন্তিলে চিত্ত নিৰ্মল আৰু ফলৱতী হয়।

যি জনে সদায়ে হৰিৰ পূজা কৰে, কৃষ্ণত একান্ত শৰণ লয়, তেনেলোকে মুকুতি লাভ কৰে। সমস্ত ইন্দ্ৰিয় গণক যি মাধৱৰ সেৱাত লগায়, তেওঁৰ সমস্ত ইন্দ্ৰিয় মহাপৱিত্ৰ হয়। শৰীৰ মূল্যবান অঙ্গ সমূহ ভগৱানে মহৎ কৰ্ম সাধনৰ বাবেহে দিছে, সেই অঙ্গৰাজি কৃষ্ণৰ সেৱাত উৎসৰ্গা কৰিলে অঙ্গ আৰু অঙ্গধাৰী শৰীৰ সংসাৰত অমূল্য শৰীৰ ৰূপে পৰিগণিত হয়। শৰীৰত থকা জীৱাত্মাই শৰীৰৰ সৎ কৰ্মৰ দ্বাৰাই মুক্তি লাভ কৰে।

---

।। ষড়বিংশ অধ্যায় বা মাহাত্ম্য।।

।। ভক্তৰ জন্ম -কৰ্মাদি প্ৰশংসা।।

ভকতৰ জন্ম-কৰ্মাদিক ইয়াত প্ৰশংসা কৰা হৈছে। চতুৰ্থ স্কন্ধৰ উনত্ৰিংশ অধ্যায়ত মাধৱে প্ৰাচীনবত্ৰিৰ আগত কৈছিল - ভক্তখ জন্ম-কৰ্ম আদিক প্ৰশংসা কৰি। যি কৰ্মৰ যোগেদি ঈশ্বৰত ৰতি হয়, দেহীৰ নিজ আত্মা হৰিৰ প্ৰিয়তম। প্ৰকৃতি ঈশ্বৰৰ অতি আপোন, হৰিৰ বাদে বাকীবোৰ বিনাশ প্ৰাপ্ত হয়। সেই অধ্যায়তে নাৰদে কৈছে যে যি জনে হৰিক সেৱা কৰে - তেওঁৰ জন্ম কৰ্ম মন সফল হয়, তেওঁৰ আয়ুস আৰু বচন সাৰ্থক হয়। হৰিয়েই মাত্ৰ সকলোকে জন্ম দিছে, গতিকে হৰিসেৱা কৰিব লাগে।

"হৰিসেৱা বিনে ব্যৰ্থ এতেকে সকল।।"

প্ৰহলাদে বিষ্ণুপুৰাণত কৈছে -

"তাহাকে উত্তম কৰ্ম বুলি স্বৰূপত।
যিটো কৰ্মে সংসাৰত বন্ধ নোহোৱয়।।
সেহি মহা বিদ্যা যিটো মুকুত কৰয়।
আন কৰ্ম যত মানে শ্ৰমসে কেৱল।।"

যি কৰ্মৰ দ্বাৰা সংসাৰত আৱদ্ধ হ'ব নালাগে, তেনেবোৰ কৰ্মহে উত্তম কৰ্ম। হৰি সেৱাৰ বাদে আনবোৰ কৰ্মত লিপ্ত হ'লে সংসাৰৰ বন্ধনত পৰিব লগীয়া হয়। গতিকে হৰিৰ হকে কৰা কৰ্ম কৰিলে সংসাৰ বন্ধনত আৱদ্ধ হ'ব লগা নহয়।

প্ৰথম স্কন্ধত নাৰদে কৈছে - " তপ-জপ, যাগ-যোগ, মন্ত্ৰ, জ্ঞান-দান, বেদ-পাঠ, আদিৰ ফল হৰিনামহে হৰিনাম অবিনাশী ফল। অবিনাশী বস্তু হৰিনাম এৰি তপ-জপাদি কৰা কেৱল শ্ৰমহে। প্ৰথম স্কন্ধৰ দ্বিতীয় অধ্যায়ত সুতে শৌনকাদিক কৈছে - ঐকান্তিক শ্ৰেয়সৰ বিষয়ত। তেওঁ কৈছে যে ধৰ্ম দুবিধ, এবিধ হৈছে প্ৰবৃত্তি লক্ষণ।

অৰ্থাদিৰ অৰ্থে যত কৰে ধৰ্মগণ।
সেহি ধৰ্ম জানিবাহা প্ৰবৃতি লক্ষণ।।
যিটো ধৰ্মে মাধৱৰ ভকতি হোৱয়।।
তাকেসে পৰমধৰ্ম বুলিয় নিশ্চয়।।

অৰ্থ আৰু সম্পদ লাভৰ আশায়ে যি ধৰ্ম কৰা হয়, সি ইন্দ্ৰিয় সুখ ভোগৰ বাবেহে; গতিকে এনে ধৰ্ম প্ৰবৃত্তি লক্ষণ যুক্ত। যি ধৰ্মই কেৱল মাধৱৰ বাবে কৰা হয়। সি পৰম ধৰ্ম। মাধৱৰ বাবে কৰা ধৰ্মত নিষ্কাম ভাব নিহিত থাকে। এই ধৰ্ম বিঘ্নি হীন আৰু ইয়াক ঐকান্তিক শ্ৰেয়স বুলি কোৱা হয়। সেইবাৰে ই নিবৃত্তি লক্ষণ যুক্ত। হৰি ভক্তিয়েই সমস্ত ধৰ্মৰ মূল। ধৰ্ম উদ্দেশ্যে অৰ্থ আৰু কাম পৰিপূৰণ

নহয়, ধৰ্মৰ মহাফললাভ হৈছে- হৰিভক্তি।

বিষ্ণুপুৰাণত আছে -

“জীয়ে পঞ্চদিন মাত্ৰ বিষ্ণুভক্তজন।
তথাপি তাৰেসে মাত্ৰ সম্ফল জীৱন।।
পৰম দুৰ্ন্নতি হৰিভক্তি হীন নৰ।
জীৱয় বিস্তৰ কাল সহস্ৰ ব্যৎসৰ।।”

বিষ্ণুভক্ত জীৱন কাল কাম হ’লেও হৰিভক্তি কৰি জীৱন সম্ফল কৰিব পাৰে। বিপৰীতে দুৰ্ন্নতি সকল সহস্ৰবৎসৰ জীয়াই থাকিলেও জীৱন সম্ফল কৰিবলৈ অসমৰ্থ হয়। তেওঁলোকৰ জীৱন ব্যৰ্থ, অপাত্ৰ, বহুকাল থাকি দুঃখ ভূঞ্জি মৰে।

দ্বিতীয় স্কন্ধৰ প্ৰথম অধ্যায়ত শুকে পৰীক্ষিতক কৈছে- “তুমি হয়তো ভাৱিব পাৰা যে তোমাৰ মৃত্যুকাল সমাগত, গতিকে ইমান কম সময়তে কেনেকৈ হৰিভক্তি কৰি মুক্তি পাবা।” এই কথা কদাচিতো মনলৈ নানিবা, প্ৰমত্ত জনে বহু বছৰ জীয়াই থাকিব পাৰে, তেওঁ মাধৱৰ পদ-পঙ্কজত যদি নভজে, তেওঁৰ জীৱন অৰ্থহীন। কিন্তু দুই দণ্ড সময় হৰিক ভজি মুক্তি পাব পাৰে। তেওঁ কম সময় জীয়াই থাকিয়ো জীৱন শ্ৰেষ্ঠতম কৰি তোলে।

দশমস্কন্ধৰ আঠত্ৰিশ অধ্যায়ত অক্ৰূৰে ৰাম-কৃষ্ণক মথুৰালৈ লৈ যাঁওতে কৃষ্ণৰ জন্ম-গুণ কৰ্ম ৰাজিৰ বিষয়ে কৈ গৈছিল। মাধৱৰ এই জন্ম-গুণ কৰ্মৰ কথা শুনিলে জগতৰ সকলোনৰ শুদ্ধ হ’ব, মুক্তি লাভ কৰিব।

‘যিটো বচনত নাহি কৃষ্ণ গুণ-গায়।
নানা অলঙ্কৃত বাক্য কৰয় শোভন।।
তথাপিতো শৱসম অপৱিত্ৰ আতি।
মহাজনে তাক নুশুনয় কৰ্ণ পাতি।।
শৱয় শোভন কৰে বস্ত্ৰ অলঙ্কাৰে।
অপৱিত্ৰ সিটো যেন অস্পৃশ্য সবাৰে।।
হৰিগুণ- নামহীন বাক্য সেহিমতে।
মহন্তৰ মত ইটো জানা স্বৰূপত।।”

যিবোৰ কথা বা বাক্যত কৃষ্ণনাম নাথাকে, নানা অলঙ্কৃত বাক্য, আদিবোৰ শল সদৃশ, অপৱিত্ৰ। এনে কথা মহন্তই কেতিয়াও নুশুনে। হৰি কথা বিনা অলঙ্কাৰে সুশোভন, পৱিত্ৰ, তৃপ্তিদায়ক। মহন্তৰ মুখত হৰিকথা বিনে আন কথা নাথাকে। গতিকে কৃষ্ণত বাক্য মন-শৰীৰ অৰ্পণ কৰি, একশৰণ গ্ৰহণ হৰিনাম ল’ব, হৰিকথা ক’ব, হৰি গীত গাব লাগে, কৃষ্ণত ভকতি কৰিব। তেতিয়াহে মানব জন্ম, কৰ্ম সম্ফল হ’ব।

‘কৰা কৃষ্ণ গুণ-নাম মহিমা কীৰ্তন।।
জন্মৰো সফল হৈব তৰিবা সংসাৰ।।
কৃষ্ণত ভক্তি বিনে মহাফল নাহি আৰ।।

০০০

## ।। সপ্তবিংশ অধ্যায় বা মাহাত্ম্য।।

### ।। হৰি-ভক্তি বিহীনৰ জন্ম-কৰ্ম নিন্দা।।

জগতত মানবীজন্ম লাভ কৰাটো ভগৱন্তৰ পৰম কৃপা। অমূল্য মানবী জন্ম ল’লে হৰি সেৱা কৰিবলৈ সুবিধা ঘটে। ভগৱন্তই এই মহান উদ্দেশ্যে সাধনৰ বাবে মানৱক জন্ম দিয়াইছে। মানৱী জন্ম লৈ হৰিভক্তি নকৰাটো মহাপাপ আৰু ঈশ্বৰৰ লক্ষ্যক নেওচা দিয়া হয়। হৰি ভক্তি বিহীন জনে জন্ম ল’লেও জন্ম ব্যৰ্থ হয় আৰু হৰি কৰ্ম নকৰি অন্যকৰ্ম কৰিলেও সেইবোৰ কৰ্ম অথলে যায়। হৰি ভক্তি বিহীন সকলৰ জন্ম কৰ্মক নিন্দা কৰা হয়। ঈশ্বৰে ভকতক ইমান প্ৰীতি কৰে যে তেওঁ নিজকে ভকতক প্ৰদান কৰে।

এনে ঈশ্বৰক যি সেৱা নকৰে, তেনেলোকে উত্তম জন্ম লাভ কৰিলো বোলা নিৰৰ্থক। তেনেলোকে দেবতাৰ সমান দীৰ্ঘআয়ু পালেও তাৰ আয়ু ব্যৰ্থ।

“নানা শাস্ত্ৰ শুনয় কৰয় তপস্যাক।
অতি চতুৰালি কৰি বোলে যত বাক।।
বল-বুদ্ধি যতেক চিত্তৰ বৃৰ্ত্তিচয়।
যোগ সংখ্যা সন্ন্যাসে বা কি কাৰ্য্য সাধয়।।
বেদ পাঠ ব্ৰত দান তীৰ্থস্থান কৰে।
আনো নানা শ্ৰেয়সৰ সাধন আচৰে।।
হৰিক নাজানে যিটো সবে ব্যৰ্থ তাৰ।
হৰি ভক্তিবিনে মহাফল নাহি আৰ।।”

হৰিভক্তিহীন জনে নানা শাস্ত্ৰ শুনিলেও, তপস্যা কৰিলেও, চতুৰ বাক্যবানক মোহিলেও, বল বুদ্ধি-চিত্তৰ প্ৰাবল্য থাকিলেও, যোগ সংখ্যা সন্ন্যাস সাধন কৰিলেও সকলো ব্যৰ্থ প্ৰয়াস। তেওঁলোক বেদপাঠ কৰিলেও, ব্ৰত দান তীৰ্থ পৰ্য্যতন কৰিলেও, অন্যান্য কঠোৰ সাধন কৰিলেও হৰিক নজনাজনৰ সকলো কৰ্মই ব্যৰ্থ। হৰি সাধনৰ মহাফল তেওঁলোক লাভ কৰিবলৈ অসমৰ্থ হয়।

দশম স্কন্ধৰ তেইশ অধ্যায়ত ব্ৰাহ্মণ সকলে আত্ম-সমালোচনা কৰি কৈছিল- “আমি যজ্ঞ কৰি হৰি বিমুখ হ’লো। আমি উত্তম জন্ম লৈ শাস্ত্ৰ জানিও

হৰিক পিঠিদিলো, আমাৰ জন্ম আৰু জ্ঞান ধিক ধিক। ব্ৰাহ্মণৰ কুল কৰ্ম যজ্ঞ তপ দান ধিক ধিক।” বেদস্তুতি বেদে কৈছে - “অগ্নি ৰৌদ্ৰ তাপে দুঃখ দিয়ে, পৰ্ব্বতৰ পৰা অধোমুখে খহি পৰি যান্ত্ৰনা ভোগে, তীৰ্থসমূহ ভ্ৰমণ কৰি নানা দুঃখ কষ্ট পোৱা যায়, আগম-নিগম শাস্ত্ৰ অধ্যয়ন কৰা যায়, যজ্ঞ সমস্ত আৰু যোগ সাধন কৰা হয়। এইবোৰৰ পৰা যি ফল হয় সেইফল ব্যৰ্থ হয়, যদিহে হৰিভক্তি হীন হয়। মৃত্যুক জয় কৰিবৰ কাৰণে হৰি ভক্তিহে উপাদেয় পন্থা। দশমত ব্ৰহ্মাই হৰিত শৰণ লৈ কৈছে যে হৰি ভক্তি বিনে আন সকলোৰে নিষ্ফল। মুকুতি সুখকো হৰিৰ ভক্তিয়েহে দিব পাৰে। মুক্তিকো দিব পৰা হৰিভক্তি এৰি আনপথ লোৱা নিৰৰ্থক। ধান এৰি পতানক কোনেও নলয়, সেইদৰে হৰিভক্তি এৰি অন্য পন্থা কোনেও গ্ৰহণ কৰিব নালাগে। সুতে শৌন কাদিক কয় যে অতি শ্ৰদ্ধাৰে হৰিকথা আচৰণ কৰিলেহে হৰিৰ কৃপা পাব পাৰি। কৃষ্ণৰ কথাত ৰতি নুপজিলে ধৰ্ম কৰ্ম সকলো বিফলে যায়।

প্ৰথম স্কন্ধৰ পঞ্চম অধ্যায়ত নাৰদে ব্যাসক কোৱা কথামতে

“নিত্য নৈমিত্তিক আদি ধৰ্ম নিৰন্তৰ।
তাকো অনাদৰি এক ভকতি কৃষ্ণৰ।।
দিব্য উপদেশ মাত্ৰ কৈলো নিষ্ঠ কৰি।
যেবে তুমি ইটো মোৰ বচন নকৰি।।
কৃষ্ণৰ চৰিত্ৰ বিনে কৰিয়া পৃথক।
শাস্ত্ৰত বিপক্ষে কৰা অন্যত্ৰ অৰ্থক।।
কদাচিতো সতী মতি নুহিবে তোমাৰ।।

কৃষ্ণৰ ভকতি কৰিলে সকলো সাধন হয়। এই বিদ্যা উপদেশ গ্ৰহণ কৰি কৃষ্ণৰ চৰিত্ৰৰ বাহিৰে আন তত্ব শাস্ত্ৰত প্ৰকাশ নকৰিবলৈ নাৰদে ব্যাসক পৰামৰ্শ দিছিল। কৃষ্ণ-বিপক্ষ কথা শাস্ত্ৰত সন্নিবিষ্ট কৰিলে ব্যাসৰ অমঙ্গল হ'ব বুলি নাৰদে দৃঢ়ভাৱে কৈছে। বায়ুৰে সাগৰত চলা নৌকা যেনি তেনি ঘূৰাই ফুৰাৰ দৰে ব্যাসৰ মনকো ঘূৰাই ফুৰাৰ। হৰিৰ ভকতিহীন কৰ্মসমূহে জীৱক সংসাৰ বান্ধোনত বান্ধি পেলায়। যিজনে ব্ৰহ্মৰ লগত জীৱক একাকাৰ কৰিব পাৰে তেওঁক লাভ কৰিব পাৰিলে কৰ্মবন্ধনৰ পৰিসমাপ্তি ঘটে।

একাদশ স্কন্ধত মাধৱে কৈছে যে যি জনে বুদ্ধিক সন্ত্ৰস্ত কৰি কৃষ্ণত মন স্থিত নাৰাখি তপ-ধ্যান ব্ৰত দান কৰে তেওঁ বিফল হয়। ভক্তি বিনে কৰ্ম নিষ্ফল। পদ্ম পুৰাণত যমৰ বচন -

“বোলন্ত কৃষ্ণত ভৈল বিমুখ যিজন।।
একো কালে তাৰ আৰ সিদ্ধি নাহি কয়।।
বিষ যেন কদাচিতো অমৃত নোহয়।।
যদি লোহা পোৰে শত বৰিষ বহ্নিত।
সিটো যেন সুবৰ্ণ নুহিকে কদাচিতে।।

কৃষ্ণত বিমুখ জন কাহানিও সিদ্ধিক বিচাৰি নাপায়। লোহা পোৰিলেও সেলাহাই হৈ থাকে, সুবৰ্ণক অগ্নিয়ে পৱিত্ৰ কৰে; সেইদৰে কৃষ্ণভক্তক হে ঈশ্বৰে অনুগ্ৰহ কৰি বৈষ্ণৱানন্দত কৃষ্ণই অৰ্জ্জুনক কৈছিল - “অভক্ত জনৰ মুখত হৰিনাম নোলায়। অজ্ঞতাৰ বাবে মোক আৰু মোৰ নামৰ মহিমা তেওঁলোকে নুবুজে।” বৃহৎ নাৰদীয় পুৰাণত নাৰদে কয় -

“হৰিনাম থাকন্তেও ইটো লোক যত।
পুনু পুনু প্ৰবৰ্ত্তয় ঘোৰ সংসাৰত।।
কিনো মুৰ্খ কিনোমুৰ্খ কিনো মুৰ্খনৰ।
থাকন্ত মাধৱ হৃদি পদ্মৰ ভিতৰ।।
হেন মাধৱ নভজয় সৰ্ব্বদায়।
মদগৰ্ব্বে নভজয় ঈশ্বৰৰ পায়।।”

হৰিনাম নোলোৱাৰ বাবেই নৰে দুৰ্ঘোৰ সংসাৰত পুনঃপুনঃ জন্ম পায়। হৃদয় পদ্মত থকা কৃষ্ণক চিনি নোপোৱাৰ দোষতে এনে হয়। ধৰ্ম-চিত্ত জনে কৃষ্ণক ভজা দেখি নিন্দা কৰাজন আত্মঘাতী হয়। গতিকে কৃষ্ণত একশৰণ হৈ কৃষ্ণ নাম কীৰ্তন কৰি সুখে সংসাৰ তৰা উচিত।

০০০

## ।। অষ্টোবিংশ অধ্যায় বা মাহাত্ম্য।।

### ।। বৃথা-বাক্য কথনত দোষ।।

শৰীৰ মন বাক্যৰ দ্বাৰা ভগৱন্তক ভক্তি কৰিব লাগে। বাক্য শব্দব্ৰহ্ম। মনৰ কথা বচনত প্ৰকাশ পায়। হৃদয়ত থকা ভগৱানক বাক্যৰ দ্বাৰা ভজা হয়। ব্যক্ত কৰা বাক্যবোৰ অথলে যায়, প্ৰথম স্কন্ধখ পঞ্চম অধ্যায়ত নাৰদে ব্যাসৰ আগত এই সম্পকে কয় হৰিগুণ যশে জগত পবিত্ৰ কৰে। অন্যৰহন সনা বাক্য যিমান ৰমনীয় নহওক, হৰিগুণ যশ হীন বাক্য কেতিয়াও মহন্ত সকলে আদৰ নকৰে। মহন্তসকলে কৃষ্ণ পাদ পদ্মতহে ৰতি কৰে। তেওঁলোকে সদায়ে কৃষ্ণ-কথাহে ব্যক্ত কৰে, শুনে আৰু আদৰ কৰে। ৰাজহংস সমূহে পদ্ম সুবাসিত হ্ৰদতহে চৰে আৰু পদুমৰ সৌৰভ পান কৰে, তেনেকৈ কৃষ্ণ ৰসযুক্ত কথাতেহে

মগ্ন হৈ থাকে। হৰিগুণ যশহীন বাক্য সাধুৱে পৰিত্যাগ কৰে।

প্ৰথম স্কন্ধৰ যোল্ল অধ্যায়ত শৌনকে সুতৰ আগত কোৱা কথা মতে কৃষ্ণ কথা বৈষ্ণৱৰ অতি আদৰৰ। গতিকে তেনেকথা কবলৈ শৌনকে সুতক আহ্বান জনাইছে -

বিষ্ণু বৈষ্ণৱৰ কথা নুহিকয় যাত।
নকহিবা তেবে তাক তুমি আমাসত।।
অসন্ত আপাপে হোৱে ব্যৰ্থ আয়ুক্ষয়।
এতেকে কহিবা মাত্ৰ কৃষ্ণ কথাচয়।।
অল্প আয়ু মনুষ্যৰ বৃথা আন কথা।
কৃষ্ণৰ চৰিত্ৰ মাত্ৰ শুনিবা সৰ্ব্বথা।।"

যি কথাত বিষ্ণু বৈষ্ণৱৰ কথা নাথাকে তেনে কথা শুনা অনুচিত। অনন্ত কথা শুনি সময় নিয়াব নালাগে। মানুহৰ জীৱন কাল তেনেই কম। কমসময়ৰ ভিতৰতে কৃষ্ণকথা শুনি জীৱন সাৰ্থক কৰিব লাগে। যি সকলে মুক্তিখ ইচ্ছা কৰে, তেনেলোকে কেতিয়াও কু-কথা পৰিহাৰ কৰি কেৱল কৃষ্ণ কথাহে কয়। দ্বাদশ স্কন্ধত সুতে কৈছিল -

"হৰিগুণ-কীৰ্তন কেৱল মহাফল।
তাত পৰে মিছা আন প্ৰলাপ সকল।
অসন্তৰ কথা মাত্ৰ কহয় সতত।
সেহি মিছা বচন অসতী সেহি হয়।।"

হৰিগুণ কীৰ্তনৰ পৰা মহাফল লাভ হয়। তাৰ বাহিৰে অন্যকথাৰ পৰা কুফল পোৱা যায়, পাপ সঞ্চয় হয়, ঈশ্বৰো পৰম ঈশ্বৰ নাৰায়ণ। তেনে ঈশ্বৰক নভজাজন জগতত পৰম নিন্দনীয়। শান্তি শতকত এই কথাৰ কোৱা হৈছে। তিনিলোকৰ পৰম ঈশ্বৰ শ্ৰীমন্ত পুৰুযোত্তম। তেওঁক সেৱা কৰিলেও তেওঁ নিজকে উৎসৰ্গা কৰে, তেনে ঈশ্বৰক এৰি মূঢ়জনে অন্যক সেৱা কৰে। অলপ ক্ষমতাশালী জনক সেৱা কৰি অধম সকল অধোগতি যায়। এইবোৰ কথা জানি বুজি অন্য আলাপ ত্যাগ কৰি কৃষ্ণ-কথাত মনোনিবেশ কৰিব লাগে। তেতিয়া ঘোৰ সংসাৰত সুখ শান্তিৰে থাকিব পাৰে আৰু পৰম পৱিত্ৰ হৈ মুক্তি লাভ কৰিব পাৰে।

০০০

## ।। উনত্ৰিংশ অধ্যায় বা মাহাত্ম্য।।

### ।। অভক্তৰ অঙ্গ-নিন্দা।।

পৰম ঈশ্বৰ কৃষ্ণক যি নভজে তেনে অভক্তৰ অঙ্গ নিন্দা তলত উল্লেখ কৰা হ'ল। শৰীৰৰ সমস্ত অঙ্গ ভগৱন্তই নৰক দান কৰিছে ঈশ্বৰক সেৱা কৰিবৰ বাবেহে। প্ৰাণী-ৰূপত থকা ঈশ্বৰক সেৱা কৰাই অঙ্গ সমূহৰ প্ৰধান উদ্দেশ্যে আৰু কৰ্তব্য। তাকে নকৰিলে তেনে অঙ্গসমূহ বৃথা।

দ্বিতীয় স্কন্ধৰ তৃতীয় অধ্যায়ত শৌনকাদিয়ে কয় যে কৃষ্ণৰ চৰিত্ৰ কৰ্ণভৰি যি নুশুনে তেওঁৰ কান থাকিলেও কানৰ মূল্য নাই। যি জিভাৰে কৃষ্ণ কথা কীৰ্তন নকৰে তেওঁ লোকৰ জিভা বেঙৰ জিভাৰ দৰে আৰু তেনে জিভা নিৰৰ্থক। শিৰেৰে মাধৱক সেৱা নজনালে সেই শিৰ কিৰীটি সহিতে শৰীৰৰ বোজাহে মাত্ৰ। সোণৰ খাৰুৰে সুশোভিত হস্ত দ্বয় কৃষ্ণৰ সেৱাত ব্যৱহাৰ নকৰিলে মৃতকৰ হস্তৰ দৰে অসাৰ। হৰিৰ মধুৰ মুৰুতিক দুটি নয়নেৰে নাচালে তেওঁৰ চকু ময়ুৰৰ পুচ্ছৰ দৰে। যি জনে বৈষ্ণৱৰ পদ-ধূলি শিৰত তুলি নলয়, তেওঁৰ দুই পদ নিষ্ফল।

বিষ্ণু পদৰ তুলসীৰ ঘ্ৰাণ যি পুৰুষে নাকেৰে নলয়, তেওঁৰ ঘ্ৰাণেন্দ্ৰিয় নিৰখৰ্থক। হৰিগুণ নাম-কীৰ্তন শুনিলে যাৰ হৃদয় নগ'লে তেওঁৰ হৃদয় বজ্ৰৰ দৰে কঠোৰ।

"কায় বাক্য মনে কৃষ্ণকেসে এক
শৰণ কৰিয়া সাৰ।
কৃষ্ণ ভক্ত চয়, সুখে নিস্তৰয়
কহিলো কৰি নিশ্চিত।।
যিটো অভকত বিষয়ত মাত্ৰ
নিমৰ্জ্জিল সদা চিত্ত।
সিটো মন্দমতি যাইবে অধোগতি
জানি যেন সৰ্ব্বজন।
কায় বাক্য মন্যে কৃষ্ণৰ চৰণে
লৌয়োক এক শৰণ।।"

কৃষ্ণ-ভক্ত হৈ, কৃষ্ণত একান্ত শৰণ হৈ, বিষয় ত্যাগ কৰি কায়-বাক্য-মনে কৃষ্ণৰ চৰণত ভক্তি কৰিব লাগে। অভকতে ইয়াৰ বিপৰীতে সংসাৰত মগ্ন হৈ অধোগতি যায়। তেনে অভকতৰ অঙ্গ নিন্দাৰ যোগ্য।

০০০

।। ত্ৰিংশ অধ্যায় বা মাহাত্ম্য।।

।। প্ৰবৃত্তি পথৰ নিন্দা।।

ভাগৱতৰ একাদশ স্কন্ধৰ অকবিংশ অধ্যায়ত কৃষ্ণই উদ্ধবক কৈছে- "বেদে প্ৰবৃত্তি পক্ষক নিবাৰণ কৰিছে। কাৰণ প্ৰবৃতিৰ পথ অনৰ্থক হেতু। বিষয়ৰ গুণে পুৰুষক আসক্ত কৰি বুদ্ধি ভ্ৰষ্ট কৰে প্ৰবৃত্তি পন্থাই। প্ৰবৃত্তি পথত কামে পুৰুষক অতি বিকল কৰি তোলে। নানা কামনা-বাসনা পৰিপূৰণৰ বাবে লোকে অশান্ত হৈ শান্তি আৰু সুখ হেৰুৱাই পেলায়; ক্ষনেকো মন স্থিৰ হৈ নাথাকে। কামৰ লোভ, মোহ বৃদ্ধি হয়, নানা কলহত লিপ্ত হয়, মনত ক্ৰোধৰ সৃষ্টি হয়, জ্ঞান-বিবেক লোপ পায়, অজ্ঞানতাই আগুৰি ধৰে, কাৰ্য্য অকাৰ্য্য, ভাল মন্দজ্ঞানৰ বিলোপ ঘটে। ফল স্বৰূপে পুৰুষক পুৰুষত্ব হানি হয়। মৃত্যু তুল্য অৱস্থাত উপনীত হয়।

"বিষয়ত আতিশয় নিমৰ্জ্জিল মন যাৰ
সিটো আৰু একো নজানয়।
বৃক্ষৰ জীৱন যেন মৃতকৰ তুল্য সিটো
ভাথী যেন নিশ্বাস কাঢ়য়।।"

বিষয়ত মন মগ্ন হোৱাৰ বাবে তেওঁ বিষয়ৰ ভোগৰ বাহিৰে আন একো নজনা হয়। কমাৰৰ ভাথীয়ে উশাহ লোৱাৰ দৰে কামীয়ে নিশ্বাস লয়। প্ৰাণহীন নিশ্বাস লোৱাত বিষয়ী প্ৰাণ থাকিও নিষ্পন হয়। স্বৰ্গাদি লাভ, ফলাকাঙক্ষাত কেৱল মন ব্যস্ত হৈ থাকে। স্বৰ্গলাভেই পৰম পুৰুষাৰ্থ বুলি তেনে লোকে জ্ঞান কৰে।

প্ৰবৃতিয়ে মানুহক বৰ্হিমুখী কৰি নানা ফল লাভৰ বাসনা বঢ়াই কৰ্ম্মত মনক বান্ধি ৰাখে। পিতৃয়ে বালকক ঔষধ খোৱাবৰ বাবে ঘিউ আৰু সন্দেশ দিয়াৰ দৰে মানুহকো প্ৰবৃতিপন্থই সোৱাদ দিয়াৰ চলেৰে তিতা দিয়ে। পুৰুষে এইবোৰকে লাভ কৰি গৰ্ব কৰে, নম্ৰভাৱে নোহোৱা হয়। তেওঁলোকে ঈশ্বৰক গণ্য নকৰি নিজকেই সৰ্ব্বময় কৰ্তা জ্ঞান কৰে।

প্ৰবৃতি পথত থকা সকলে কেতিয়াও মুক্তি লাভ কৰিব নোৱাৰে, ঘূৰি ঘূৰি জন্মলৈ সংসাৰত নিকাৰ ভূগি থাকিব লগা হয়। প্ৰবৃতি পথত থাকিলে ভগৱন্তক পোৱা টান, নিবৃত্তিৰ দ্বাৰাহে ভগৱানক পাব পাৰি। গতিকে প্ৰবৃত্তি পথ ঈশ্বৰ বিমুখী। ঈশ্বৰত একশৰণ হৈ ভক্তি কৰিবলৈ প্ৰবৃত্তি পথৰ শোক সকলক আহবান জনোৱা হৈছে। প্ৰবৃত্তি পথ ঈশ্বৰ বিমুখী হোৱাৰ বাবে প্ৰবৃত্তি পথক নিন্দা কৰা হয়।

০০০

।। এক ত্ৰিংশ অধ্যায় বা মাহাত্ম্য।।

।। স্বৰ্গাদি সুখৰ নিন্দা।।

স্বৰ্গীয় সুখ-সম্ভোগক সৰ্ব্বসাধাৰণ লোকে বাঞ্চা কৰে। কিন্তু স্বৰ্গাদি সুখ চিৰস্থায়ী সুখ নহয়। স্বৰ্গাদি সুখক নিন্দা কৰা হয়, কাৰণ এনেসুখ পৰমম সুখ হ'ব নোৱাৰে। পুণ্য শেষ হোৱাৰ লগে লগে এনে সুখৰ পৰিসমাপ্তি ঘটে, কিন্তু পাৰমাথিক সুখৰ সমাপ্তি নঘটে। একাদশ স্বন্ধ ভাগৱতত কৃষ্ণই উদ্ধৱৰ আগত ব্যক্ত কৰিছে স্বৰ্গাদি সুখৰ তুচ্চতাক।

"ইহলোকে সুখ নাহি কহিলোহো তাক।
স্বৰ্গাদিতো নাহি সুখ জানা নিষ্ঠে আক।।

এওঁলোকে ইহলোকতো সুখ নাপায় আৰু স্বৰ্গলাভ হ'লেও সুখ লাভ কৰিব নোৱাৰে। এজনে আনজনৰ লগত অসূয়া কৰে, পৰৰ সুখ সহিব নোৱাৰে। অন্যৰ অতিশয় সুখ দেখি নিজেও তেনে সুখ পাবলৈ যতন কৰে, কিন্তু নাপালে অত্যন্ত দুঃখ কৰে। স্বৰ্গৰ সুখত অনেক বিঘিনি নিহিত হৈ থাকে। সেইবাবে স্বৰ্গসুখ নিষ্ফল। স্বৰ্গসুখৰ পাচত স্বৰ্গৰ পৰা খহি পৰিব লগীয়া হয়। সুনিশ্চিত ভাবে কৰ্ম আচৰণ কৰিলেও, ইষ্টদেৱ ইন্দ্ৰাদিক যজ্ঞত যাজনা কৰিলেও নিজ পুণ্যবলে স্বৰ্গপ্ৰাপ্তি হ'লেও, দেব ভোগ কৰিবলৈ পালেও, সৰ্ব্ব ভোগ কৰি বিমানত উৰি ফুৰিলেও, গন্ধৰ্ব সকলে তালধৰি গীতৰ ৰাগিনী শুনিলেও দেবাঙ্গনা সকলৰ লগত বিহাৰ কৰিলেও, নন্দন কাননত ক্ৰীড়া কৰিলেও পুণ্য শেষ হোৱাৰ লগে লগে মহাদুঃখেৰে স্বৰ্গএৰি ঘূৰি আহিব লগা হয়।

"ভৈলা ক্ষয় যেৱে সিটো নিজপুণ্যচয়।
মহা দুঃখে স্বৰ্গ সুখ এৰিয়া পৰয়।।
নাহিকয় ইচ্ছা স্বৰ্গ সুখ এৰিবাক।
তথাপিতো কালে আনি পেলাৱয় তাক।।"

স্বৰ্গসুখ এৰিবলৈ মন নকৰিলেও কালে সেই সুখৰ পৰা খহাই আনে। অন্যান্য ভাবে পশুবধ কৰাৰ বাবে তেওঁ নৰকত পৰিব লগা হয়। বিধি উলঙঘা নকৰি স্বৰ্গ সুখত থাকিলেও স্বৰ্গত থাকি সুখ নাপায়। স্বৰ্গলাভৰ নিমিত্তে কৰা কৰ্ম বিফল হয়। গতিকে স্বৰ্গলাভৰ আশাৰে সদায় কৰ্মত ৰত হৈ থাকিলে কোনো সুফল লাভ নহয়।

তাৰ পৰিবৰ্তে কৃষ্ণৰ চৰণ পদ্মত শৰণ লৈ, কৃষ্ণক ভক্তি কৰিলে আত্যন্তিক ভক্তিৰ অধিকাৰী হয়। সেই হেতুকে স্বৰ্গাদিক নিন্দা কৰা হয়।

০০০

।। দ্বাত্রিংশ ত্রিংশ অধ্যায় বা মাহাত্ম্য।।

।। ভাৰতৰ প্ৰশংসা।।

স্বৰ্গ কাল্পনিক সুখৰ ঠাই আৰু ভাৰত পৃথিৱীৰ পুন্যক্ষেত্ৰ। ভাৰতবৰ্ষ বাস্তৱ এখন মানৱৰ স্থান। পৃথিৱীৰ অন্যান্য দেশত স্থান সমূহত ভাৰতৰ দৰে আধ্যাত্মিক আৰু পাৰমাৰ্থিক জ্ঞান লাভ নহয়। গতিকে স্বৰ্গত থকাতকৈ ভাৰতত কলি কালত যি নৰে বাস কৰি ভগৱানক আৰাধনা কৰে, তেওঁলোক পৰম ভাগ্যৱান আৰু সুখী।

পঞ্চম স্কন্ধৰ উনৈশ অধ্যায়ত পৰীক্ষিত ৰজাৰ আগত শুকে ভাৰতৰফ প্ৰশংসা কৰিছে। স্বৰ্গসুখতকৈ ভাৰতক অধিক সুখক ঠাই বুলি শুকে কৈছে। কাৰণ স্বৰ্গত থকা দেৱগণেও পুন্যভূমি ভাৰতত মনুষ্যজনম পাবলৈ ইচ্ছা কৰে। ভাৰতত জন্ম গ্ৰহণ কৰা সকলে কি পুন্য কৰিছে, তাৰ বাবে দেবগণে-আক্ষেপ কৰে। কাৰণে ভাৰতত জন্ম গ্ৰহণম কৰাসকলৰ ওপৰত শ্ৰীহৰি সহজে প্ৰসন্ন হয়। নৰ কলেবৰ লাভ কৰিব পাৰিলে মুকুন্দৰ সেৱাৰ যোগ্য হয়। দেৱসবে কৈছে- “আমিনো কি দুষ্কৰ্ম কৰিলো, যাৰ কাৰণে ভাৰতত মনুষ্য হৈ জন্ম লাভ কৰিব নোৱাৰিলো। তপ, ব্ৰত, দান আদি কৰি আমি স্বৰ্গ সুখ লাভ কৰিলো। কৃষ্ণৰ চৰণ-সেৱা কৰিবলৈ নাপালো।” স্বৰ্গত ইন্দ্ৰিয়ৰ ভোগ হে আছে, সংসাৰৰ দুৰ্ঘোৰ দুখৰ পৰা তৰণৰ উপায় ইন্দ্ৰিয় সুখত নাই। স্বৰ্গবাসীয়ে ব্ৰহ্মাৰ সমান আয়ু লাভ কৰিলেও মৃত্যুৰ পাচত পুনৰ জন্ম গ্ৰহণ কৰিব লগা হয়।

‘ভাৰতে জন্মিয়া যোগী অল্প আয়ু হয়।
সমস্ততে কৰি শ্ৰেষ্ঠ তথাপি হোৱয়।।
এক ক্ষণ কালমাত্ৰ হৰি-সেৱা কৰি।
হৰিৰ পদক যায় সংসাৰক তৰি।।”

ভাৰতত জন্মলৈ অল্প আয়ুস পালেও একক্ষণ মাত্ৰ হৰি-সেৱা কৰি ভগৱন্ত লীলা হ’ব পাৰে। দেবসবে কৈছে-“আমি পুন্যকৰি স্বৰ্গসুখ পাইছো, বাকী যিখিনি সঞ্চিত পুন্য আছে, সেইখিনিৰ দ্বাৰা ভাৰতত মনুষ্যজন্ম পাবৰ কাৰণে ঈশ্বৰক প্ৰাৰ্থনা জনাইছো।” ভাৰতত জন্মি হৰি-সেৱা কৰিবলৈ দেবগণে স্তুতি কৰিছে। হৰিসেৱা কৰিলে যে পৰমসুখ পোৱা যায়, তাক দেবগণে ব্যক্ত কৰিছে।

বিষ্ণু পুৰাণত চতুৰ্থ অধ্যায়ৰ দ্বিতীয় অংশত মৈত্ৰেয়ৰ আগত পৰাশৰে কৈছে- “জম্বুদ্বীপৰ ভিতৰত ভাৰত শ্ৰেষ্ঠক্ষেত্ৰ।”

“যিবা হেতু ভাৰতেসে পুন্যভূমি হয়।
আত হৰি-সেৱা কৰি সংসাৰ তৰয়।।
আত বিনে আন ভূমি যতেক আছয়।
ভোগবেসে ভূমি সিটো জানিবা নিশ্চয়।।

ভাৰত পুন্যভূমি, হৰি সেৱাৰ শ্ৰেষ্ঠস্থান। ভাৰতৰ বাহিৰে পৃথিৱীৰ অন্যাবাৰ স্থান ভোগ বিলাসৰ বাবে।

একে কথাকে দেৱেসবে ইয়াত প্ৰকাশ কৰিছে। ভাৰতভূমিত যি জন্ম লৈছে তেওঁলোক ধন্য। ভাৰতত যাৰ যি প্ৰয়োজন আছে- সেইবোৰ অনায়াসে সাধন কৰিব পাৰে। ভাৰতত হৰি-সেৱা কৰি স্বৰ্গলাভ, মোক্ষলাভ, বৈকুণ্ঠলাভ, কৰিব পাৰে। ভাৰতৰ দৰে কৰ্মভূমি আন কতো নাই। স্বৰ্গত থাকি দেৱগণে ইয়াৰ পিছত কি জন্মে লাভ কৰিব, তাকো নিশ্চয়তা নাই। ভাৰতত সাধন-সম্পূৰ্ণ হয়।

সহস্ৰ বছৰ পুন্য সাধন কৰিলেহে ভাৰতত মানৱী দেহা পায়। ভাৰতত জন্মলোৱা সকলে পুনৰজন্ম ল’ব লগা নহয়। এনে নৰদেহা অযথা বিনষ্ট নকৰি হৰি-সেৱা কৰিব লাগে। হৰি-সেৱা নকৰাজন অধোগতি যায়। ভাৰতত সেইবোৰ দেবগণে জন্মল’বলৈ বৰ হাবিয়াস কৰে। গতিকে ভাৰতত মনুষ্য জন্ম লাভ কৰি, কৃষ্ণত একান্ত শৰণ লৈ কৃষ্ণক ভজি ঘোৰ সংসাৰৰ পৰা উদ্ধাৰ হ’বলৈ যত্ন কৰা উচিত।

ত্ৰয়োত্ৰিংশ অধ্যায় বা মাহাত্ম্য

প্ৰায়শ্চিত্ত নিন্দা

কোনো বিধৰ পাপকৰি পাপীয়ে শুধৰণি হোৱা ব্যৱস্থাকে প্ৰায়শ্চিত্ত বোলা হয়। এজন পাপীৰ পাপৰ শুধৰণি কৰাৰ উত্তম পন্থা কি, তাক ইয়াত বৰ্ণনা কৰা হৈছে।

ভাগৱতৰ ষষ্ঠ স্কন্ধৰ প্ৰথম অধ্যায়ত শুকে পৰীক্ষিতক কৈছে যে আন সাধনৰ যোগেদি পাপ মোচন কেতিয়াও নহয়, কেৱল ভক্তি সাধনৰ যোগেদিও পাপমোচন হয়।

“কৃচ্ছ ছান্দ্ৰায়ন আদি যত প্ৰায়শ্চিত্ত।
ভক্তিবিনে পাতকীক নকৰে পবিত্ৰ।।

কৃচ্ছসাধনা, চান্দ্ৰায়ন আদি নানা কঠোৰ উপায়েৰে প্ৰায়শ্চিত কৰাটো অতি দুষ্কৰ, কিন্তু হৰিভক্তিৰ দ্বাৰা ভগৱন্তৰ নামল’লে নামে অচিৰে শুদ্ধকৰে। হৰিৰ বিমুখ হৈ যি প্ৰায়শ্চিত্তই কৰা যায়, সি কদাপি পবিত্ৰ কৰিব নোৱাৰে।

“সুৰাৰ পাত্ৰক যেন তীৰ্থতো ধোৱয়।
তেবে আৰু কত সিটো পবিত্ৰ হোৱয়।।
হৰিত বিমুখ সৱে কৰে প্ৰায়শ্চিত্ত।

সেহিমতে পবিত্ৰ নুহিকে কদাচিত।।”

ৰাজণ্ডাদি কৰিলেও পাতকীক পাপ দূৰ নহয়। পাপীয়েও পুনঃ পুনঃ পাপ কৰি ৰাজদণ্ড দিয়েই থাকিব। পাপীয়ে কৰা পাপৰ বাবে অনুতাপ কৰিলে মনত পবিত্ৰতাৰ উদয় হয়। কিন্তু মনত পাপৰ অনুশোচনা নাহিলে পুনঃ পুনঃ পাপ কৰিয়েই থাকিব।

“হস্তী যেন স্নান কৰে নদীৰ জলত।।
দুনাই ধূলা লৈয়া দেহা মলিন কৰয়।
কৰ্ম প্ৰায়শ্চিত্তে পাতকৰ বীৰ্য্য নগুচয়।।
পাপৰ বাসনাচয় থাকয় চিত্তত।।
সেহি সংস্কাৰে প্ৰবৰ্ত্তাৱে পাতকত।।”

হাতীয়ে স্নান কৰিলেও পুনৰ ধুলি লোৱাৰ দৰে, কৰ্ম প্ৰায়শ্চিত কৰিলেও পাপৰ শিপা নুঘলে। চিত্তৰ পৰা পাপ-বাসনা দূৰ নহ'লে পুনঃ পুনঃ সংঘটিত হয়। গুৰু পাপৰ বাবে গুৰু আৰু অল্প পাপৰ বাবে অল্প প্ৰায়শ্চিত মহাধন যি সকলে তপ দান ব্ৰতৰ বিধান দিছে। পাপীৰ চিত এইবোৰে সাধন নকৰে। কিন্তু হৰিনাম উচ্চাৰণ কৰিলে তৎক্ষণাতে পাপীৰ হৃদয় পৱিত্ৰ কৰে।

“ঈশ্বৰ কৃষ্ণৰ এক শৰণ ভকতি।
সৰ্ব্ব পাপ উন্মুলন প্ৰায়শ্চিত্ত আতি।।
মুকুতিকো পাৱে কৰি ভকতি কৃষ্ণত।
ভক্তিবিনে আন প্ৰায়শ্চিত যত যত।।
নকৰে পবিত্ৰ পাতকীক কদাচিত।
ইসৱ বাক্যত ভৈল হেনয় নিৰ্নীত।।”

সৰ্ব্বপাপ বিনাশৰ একমাত্ৰ উপায়- এক শৰণ হৰি ভকতি আৰু কৃষ্ণৰ নাম উচাচৰণ। ভক্তি বিনে আন প্ৰকাৰৰ প্ৰায়শ্চিতই কাকো শোধন কৰিব নোৱাৰে। গতিকে ভক্তিৰ বাহিৰে আন প্ৰায়শ্চিত বিধি সমূহক নিন্দা কৰা হয়।

০০০

## চতুত্ৰিংশ অধ্যায় বা মাহাত্ম্য

## বৈৰাগ্য মাহাত্ম

জগতৰ সকলো বস্তুৱেই অনিত্য। ব্ৰহ্মা আদি সমস্ত লোকেই ক্ষণস্থায়ী। ঈশ্বৰৰ ভকতিক জ্ঞানযুক্ত মনেৰে অনুধাৱন কৰিবলৈ সমস্ত প্ৰাণী-পদাৰ্থৰ প্ৰতি বৈৰাগ্য আনিব লাগে। বৈৰাগ্যভাব নহালৈকে ভকতি অৰ্থপূৰ্ণ হ'ব নোৱাৰে। একাদশ স্কন্ধৰ উনবিংশ অধ্যায়ত ভগৱন্তই উদ্ধৱক এই বিষয়ে জ্ঞান দিছে। কৃষ্ণই কৈছে -

“মই সত্য আত্মতত্ব মিছা সবে আন।
বেদে ব্যক্ত কৰিয়া কহয় এহিনাম।।”

“মই সত্য, মই আত্ম তত্ব, আন সকলোবোৰ অসত্য। বেদে এই পৰম সত্য তত্ব প্ৰকাশ কৰিছে।” এখন বস্ত্ৰত আলোক প্ৰকাৰৰ ফুল চিত্ৰাদি থাকিলেও তাৰ মূলবস্তু সুতাহে। তেনেকৈ ঈশ্বৰহে মূল সত্যবস্তু; তাৰ বাহিৰে জগতৰ আন সকলো বস্তু ঈশ্বৰৰ বৰ্হি আবৰণহে। মহন্তৰ পৰা তত্ব জ্ঞান লভি ঈশ্বৰক ভজিব লাগে। মুক্তাকে ৰজত বুলি ভাবি ভুল কৰাৰ দৰে মানুহে মায়াত পৰি ঈশ্বৰক উপলব্ধি কৰিব নোৱাৰে। ৰৰ্জ্জুত সৰ্প, মুক্তাত ৰজত ভ্ৰম হোৱাৰ বাবে দেহজ্ঞানকে আত্মতত্ব বুলি ভাবি লোকে মায়াত মজি থাকে। প্ৰকৃত আত্ম-তত্ব উপলব্ কৰিবলৈ সাংসাৰিক বৈভৱৰ প্ৰতি বৈৰাগ্য। ভাব আনিব পাৰিলেহে ঈশ্বৰভাব সক্ৰিয় হয়। এই ক্ষেত্ৰত চাৰিবিধ প্ৰমান আছে- ভগৱন্তই সত্য, বাকীবোৰ মিছা বুলি সৰ্ব্বত্ৰতে বিৰকতি উদ্ভৱ হোৱাত মহামহোদয় হ'ব, বেদে ব্যক্ত কৰা স্বগাদি সুখৰ প্ৰতি স্পৃহা নাথাকে, ব্ৰহ্মালোক পৰ্য্যন্ত থকা কৰ্মৰ মলিৰ পৰা উদ্ভৱ হোৱা দুঃখৰ অন্ত পৰে। এই সমস্ত যে বিনাশী, তাক বুজিব পৰা হয়।

এই স্কন্ৰ তৃতীয় অধ্যায়ত প্ৰবুদ্ধই কৈছিল যে -

“গুচিবেক দুঃখ সুখ হৈবে অতিশয়।
হেন মনে মানিয়া কৰ্ম্মক আৰম্ভয়।।
দুঃখেসে হোৱয় সুখ হোৱয় কিঞ্চিত।
দেখিব কৰ্ম্মৰ হেন ফল বিপৰীত।।”

কৰ্ম্মৰ ফল -দুখঃ লাভহে। কৰ্ম্মকৰি বিত্তাদি অৰ্জ্জন কৰিলে, সেই বিত্ত সুখৰ কাৰণ নহৈ দুঃখৰ কাৰণ হৈ উঠে। ধনে লোকক দুঃখৰ উপৰি দুঃখহে দিয়ে, ধন মৃত্যুৰ হেতু হৈ উঠে।

“কৰ্ম্মকৰি সাধয় বিত্তাদি যত যত।
নুহিকে সুখৰ হেতু জানা স্বৰূপত।।
ধনে পুৰুষক দুখঃ দেই নিৰন্তৰ।
আপোনাৰ মৃত্যু ধন জানা সাৰত্তৰ।।”

ধনৰ দৰে পুত্ৰ নাতিয়েও সুখ সাধিব নোৱাৰে। তেওঁলোকো অনিত্য, তেওঁলোক আতৰি গ'ল মহাদুঃখ পাব লগা হয়। ধনৰ মোহত পৰি ধনক ৰক্ষনা বেক্ষন দিয়ে, ধন আৰ্জ্জন কৰোতেও মহাকষ্ট পোৱা যায়। ধনৰ মোহত পৰি ধন দান কৰিব নোৱাৰে আৰু ধন হাতৰ পৰা গুচি গ'লেও মহা দুঃখ পাব লগীয়া হয়। ধনে কোনো কালে কাকো সুখ দিব পৰা নাই।

একাদশ স্কন্ধৰ দশম অধ্যায়ত মাধবে উদ্ধবৰ আগত কৈছিল- যে ব্ৰহ্মাৰো সুখ নাই। ঈশ্বৰে সকলোৰে কাল ভঙ্গ কৰে। ব্ৰহ্মাৰো কালৰ প্ৰতি ভয় আছে, মানুহৰতো কথাই নাই। গতিকে ভগৱানৰ হাতৰ পুতলা হৈ নিজকে অজৰ-অমৰ ভাবি সংসাৰৰ উপভোগত মন নিদি বৈৰাগ্যৰ দ্বাৰা তাক ত্যাগ কৰিব পাৰিলেহে প্ৰকৃত শান্তি লাভ হয়। শুকে দশমত চাৰিবিধ বৈৰাগ্যৰ কথা কৈছে- কৃষ্ণক ভকতি কৰিলে এই চাৰিবিধ বৈৰাগ্য আহি পৰে।

১। বিষয় ভোগত বৈৰাগ্য আহে।
২। সৰ্বত্ৰ ত্যাগ আহে।
৩। মনৰ বিষয় ভোগৰ পৰা আতৰাই আনে।
৪। বাহিৰে ভিতৰে বিষয় ত্যাগ হয়।

"বিষয়-ভোগক ত্যজিয়োক ইচ্ছা হয়।
অনায়াসে হোৱে আসি বৈৰাগ্য বিষয়।।"

কৃশ্ণ-ভক্তিয়ে লোকৰ বিষয় সংসাৰ ভোগৰ প্ৰতি অনিহা আনে। বিষয় ভোগৰ পৰেতি ত্যাগ বা বৈৰাগ্য আহিলে পৰমাৰ্থ লাভ কৰিবলৈ পুৰুষ সমৰ্থ হয়। সকলো ত্যাগ কৰি কৃষ্ণৰ কথাত ৰতি হ'লে বিষয় বৈৰাগ্য আহে। বিষয়ৰ ভোগৰ পৰা মনক আতৰাই আনিব লাগে। ইন্দ্ৰিয় গণে বাহিৰত ভোগ কৰিলেও মনত কৃষ্ণকথাও ৰতি খাকিলে ইন্দ্ৰিয় ভোগ অৰ্থহীন হয়।

শান্তি শতকত কৈছে-

"দেবতাৰ ইন্দ্ৰ আৰু অশুচি শূকৰ।
দুইৰে। সুখে দুখে কিছু নাহিকে অন্তৰ।।
অমৃতক ভূঞ্জি যেন সন্তুষ্টি ইন্দ্ৰৰ।
সেহিমতে তুষ্টি বিষ্ঠা ভূজি শূকৰৰ।।
ইন্দ্ৰৰ পৰম প্ৰেম ৰম্ভা কামিনীত।
শূকৰৰো সেহিমত প্ৰীতি শূকৰীত।"

জগতত কোনো সুখীহ'ব নোৱাৰে। স্বৰ্গত থাকিলেও একে কথা। স্বৰ্গত ইন্দ্ৰাদি দেবগণে বাস কৰে আৰু তেওঁলোক উত্তম জীৱ আৰু পৃথিৱীত থকা অতি নিকৃষ্টতম পশু হৈছে গাহৰি। ইন্দ্ৰ পবিত্ৰ কিন্তু গাহৰি অশুচি ইন্দ্ৰই অমৃত খাই আৰু শূকৰে বিষ্ঠা খাই তৃপ্তি পায়। অমৃতত ইন্দ্ৰই যি তৃপ্তি পায়, শূকৰে বিষ্ঠা ভক্ষণ কৰি একেই তৃপ্তি পায়। ৰম্ভাৰ প্ৰতি ইন্দ্ৰৰ যি প্ৰেম, শূকৰীৰ প্ৰতিও শূকৰৰ একে প্ৰেম।

"দুয়ো স্বেচ্ছাচাৰী দুইৰো সমমৃত্যু ভয়।
নিজ কৰ্ম্মগতি ইন্দ্ৰ শূকৰো হোৱয়।।
শূকৰে ইন্দ্ৰৰে সমান ভাব জানি।
তেজি সবে বিষয় ভজিয়ো চক্ৰপানি।।

ইন্দ্ৰ আৰু শূকৰ দুয়ো স্বেচ্চাচাৰী, দুয়োৰে মৃত্যুভয় আছে। -

নিজৰ নিজক কৰ্মঅনুসৰি নিজে নিজে ফল পায়। দুয়োৰে একে অৱস্থা জানি স্বৰ্গত থকা যি, মৰ্ত্যত থকাও সি। গতিকে স্বৰ্গ আশা এৰি ভগৱন্তক ভজাই উচিত।

শিহলানে কয় যে অমূল্য মানবী জীৱন লাভ কৰিয়ে। সংসাৰী বিষয়ে ভোগত অযথা ব্যৰ্থ কৰা হ'ল। চিন্তামনি জন্মক বিক্ৰি কৰা হ'ল। সোণ বিক্ৰি কৰি কাচ ক্ৰয় কৰা হ'ল। বিষয়ত ভোলগৈ কৃষ্ণ সেৱা কৰা নহ'ল।

প্ৰবোধ চন্দ্ৰত কোৱা হৈছে যে -

"নাহি সুখ কিঞ্চিত লক্ষ্মীৰ সম্পদত।
সদায় চঞ্চল যাতো নুহিকে শ্বাশ্বত।।"

লক্ষ্মী প্ৰদত্ত সম্পদ বৈভৱ লাভ কৰিও কোনো সুখী হ'ব নোৱাৰে; যিহেতু এইবোৰ অশ্বশ্বত। গতিকে সম্পদত দুখ মিহলি হৈ থাকে।

"বিষয়ৰ সুখযত দুঃখতে অন্তত।
মহা আপদৰ ঘৰ ইটো দেহ যত।।"

বিষয়ৰ সুখে সুখ দিব নোৱাৰে; কাৰণ বিষয় সুখ সদায় নাথাকে, সুখৰ পাচতে দুখ আহে।-

"বহু ধন ভৈলে হোৱে মৃত্যুতে বিস্তৰ।
আছয় আগতে সুখ সমস্ত লোকৰ।।"

ধনেও সুখ দিব নোৱাৰে। অফুৰন্ত ধন লাভ হোৱাৰ পাচতে নানা অশান্তি আৰু দুঃখ আহি পৰে। জগতত লোকক ধনে সুখ শান্তি দিব পৰা নাই।

"পৰম অনৰ্থকাৰী নাৰী সমস্তয়।
নাৰী সঙ্গে বহু দুঃখে পুৰুষে পাৱয়।।"

নাৰী পুৰুষৰ বাবে দুঃখৰ ভঁৰাল। নানা সংঘাট, দুখ কষ্ট, নিকাৰ পুৰুষে নাৰীৰ বাবে ভোগ কৰিব লগা হয়। গতিকে সম্পদ, বিষয় ধন আৰু নাৰী দুঃখৰ কাৰণ হৈ পৰে। এই চাৰিবিধ ত্যাগ কৰিব পাৰিলে দুখ ভূগিব নালাগে। এই বোৰত বৈৰাগ্য আহিলেহে কৃষ্ণত ভকতি হয়।

এইবোৰ মন নিহিত হৈ থাকিলে কৃষ্ণ ভক্তি অসম্ভৱ। এইবোৰ তত্ত্ব উপলব্ধি কৰি কৃষ্ণত শৰণ ল'ব লাগে। ঈশ্বৰে তেতিয়া লোকক দয়া কৰি এইবোৰৰ প্ৰতি বিৰাগ ভাব মনলৈ আনিদিয়ে। কৃষ্ণৰ কৃপা হ'লেহে বিষয়ৰ মলি দূৰ হয় আৰু বিষয়ৰ প্ৰতি বিৰকতি আহে। তেতিয়া তেওঁ মহামুক্তি সাধন কৰি কৃতাৰ্থ হ'ব।

## পঞ্চত্ৰিংশ অধ্যায় বা মাহাত্ম

### মায়া-তৰণৰ উপায়

সত্যলোকৰ পৰা তলাতল পৰ্য্যন্ত চৈধ্য ব্ৰহ্মাণ্ডক প্ৰপঞ্চ বোলে। প্ৰপঞ্চৰ উৰ্দ্ধত বৈকুণ্ঠ অৱস্থিত। প্ৰবঞ্চই বিশ্ব-ব্ৰহ্মাণ্ড। বিশ্ব ব্ৰহ্মাণ্ড ভগৱন্তৰ মায়াৰে আবৃত। ব্ৰহ্মাণ্ডত ব্ৰহ্মাকে আদি কৰি, সকলো জীৱ মায়াত আবদ্ধ। মায়াৰে আবৰা জীৱ সমস্তৰ জন্ম-বৃদ্ধি-মৃত্যু আছে, অৰ্থাৎ জীৱ বিনাশপ্ৰাপ্ত অস্তায়ী, অশ্বাশ্বত। মায়াৰ দ্বাৰা ভগৱন্তই জীব-জগত সৃষ্টি কৰিছে, মায়াৰ দ্বাৰা পালন কৰি আছে আৰু মায়াৰ যোগে সংহাৰ কৰিছে। মায়া ভগৱন্তৰ দ্বাৰা সৃষ্ট অঘটন-ঘটন চালিকা শক্তি। মায়া দুবিধ আবৰণ আৰু বিক্ষেপন। সত্য বস্তুক মায়াৰে ঢাকি ৰাখে আৰু এয়ে আবৰণ। সত্যকে সত্য বুলি ধৰাটোৱেই বিক্ষেপন। জগত অসন্ত, তাকে সত্যবুলি ধৰা আৰু ভগৱানতে প্ৰকাশ পোৱা জগত অসত্য, ভগৱন্তহে সত্য বস্তু। সত্ব-ৰজ তম এই ত্ৰিগু নাত্মিকা মায়াই ন-ন ৰূপত জীৱক পৰিচালনা কৰিছে। গুৰুজনাই শাস্ত্ৰত কৈছে- "তুমি সত্য ব্ৰহ্ম/ তোমাত প্ৰকাশে/ জগত ইটো অসন্ত" অসন্ত জগতখন তোমাত বিদিত ভৈলা/সত্য হেন প্ৰকাশক ৰয়"।

মায়াৰ পৰা অব্যাহতি পোৱাটো অতি দুৰূহ। আনকি মহাযোগী শিৱ,মহামুনি পৰাশৰ, বিশ্বামিত্ৰ, ব্ৰহ্মা, মাৰ্কণ্ডেয় ঋষি, আদি মহন্ত সকলেও মায়াৰ প্ৰচণ্ড শক্তিত লালায়িত হ'ব লগা হৈছিল। গীতাত কৃষ্ণই নিজে কৈছে- "মম মায়া দুৰতয়া" বুলি। মহাশাস্ত্ৰ ভাগৱতত আৰু অন্যান্য নিগম শাস্ত্ৰত মায়াৰ পৰা কেনেকৈ উদ্ধাৰ হ'ব পাৰি-তাৰ উপায় দিছে। তলত শাস্ত্ৰৰ ভিত্তিত মায়া তৰুণৰ উপায় সম্পৰ্কত চমু আলোচনা কৰা হ'ল- যাতে নৰ-নাৰীয়েদুস্ত্যজ মায়াৰ পৰা উদ্ধাৰ হ'ব পাৰে। ভক্তি পথত মায়া প্ৰধান কন্টক। কৃষ্ণ- ভক্তই স্বৰূপতে মায়া দূৰ কৰিবই লাগিব।

ভাগৱতৰ চতুৰ্থ স্কন্ধত নাৰদে প্ৰাচীন বৰ্হিৰ আগত কৈছে- যে মানুহে দেববশে সুখ-দুঃখ লাভ কৰে। নাৰদে উদাহৰণ দি বুজাই কৈছে যে ভোকাতুৰ কুকুৰে ঘৰে ঘৰে আহাৰ বিচাৰি ফুৰে আৰু কোনো ঘৰত অল্প খাবলৈ পায়, কোনো ঘৰত টাঙোনৰ মাৰ খায়। নিজৰ অদৃষ্টৰ কৰ্ম্মফলত যিটো আছে, তাকবে লাভ কৰে। এইদৰে জীৱনলৈ সুখ-দুঃখ আহে। সংসাৰত তিনিবিধ দুঃখ আছে- তিনিবিধৰ ভিতৰত এবিধ নহয় এবিধ মানুহৰ লগত প্ৰায়ে থাকে। মহাভাৰ শিৰৰ পৰা নমাই কান্ধত থ'লেও মহাভাৰ শৰীৰৰ কোনো এটা অঙ্গত থাকিবই তাক দেহৰপৰা আতৰ কৰিব পৰা নাযায়। দুঃখ মনতেই সৃষ্টি হয়। মনেই সুখ-দুঃখৰ কাৰণ। অজ্ঞানতাৰ বাবেই সংসাৰত দুঃখ পোৱা যায়। দুখ নানা প্ৰকাৰৰ কৃষ্ণত ভকতি কৰিলে সংসাৰৰ দুঃখ মোচন হয়। প্ৰৱদ্ধ জ্ঞানৰ বাবেই মনলৈ বৈৰাগ্য আহে। ঈশ্বৰত ভকতি কৰিলে জ্ঞান-বিৰকতি আহে। সংসাৰ উত্তৰণৰ বাবে ভক্তিযোগ উত্তম উপায়।

ভক্তিযোগৰ মহাফল কেনেকৈ লাভ কৰিব পাৰি, তাক তলত উল্লেখ কৰা হ'ল, ভক্তি বাবে প্ৰথমে হৃদয়ত এক ঈশ্বৰৰ প্ৰতি শ্ৰদ্ধা আহিব লাগিব। অচ্যুতৰ কথাৰ প্ৰতি শ্ৰদ্ধা আহিব লাগিব। মাধবৰ কথা শুনি জগত আনন্ উপজিব, কৃষ্ণৰ ললিত গুণ-কথনত তৃপ্তিৰ উদয় হ'ব।

হৰি ভক্তিৰ বাবে মহন্তৰ সঙ্গ ল'ব লাগে। মহন্তৰ সঙ্গত হৰি কথা শ্ৰৱণ-কীৰ্তন কৰি, কথন-মথন কৰিলে হৰিভক্তি পৰিপক্ক হয়, ভক্তিত ৰতি বাঢ়ে।

"মহন্তৰ সঙ্গক এৰিয়া যিটো নৰে।  
হৰি কথা-চিন্তনাদি আপুনিয়ে কৰে।।"

মহন্ত সকলে হৰি কথা অমৃতৰ নদী বুৱাই দিয়ে।

"হৰিৰ চৰিত্ৰ কহে মহন্ত সকলে।  
অতি মহাশুদ্ধ, চিত্তে অমৃত কেৰলে।।  
নদীৰূপে বহে যিটো সকল দিশত।  
সাবধানে পীয়ে কৰ্ণে সিটো অমৃতক।।  
শ্ৰদ্ধায়ে কৰন্ত পান মহন্ত সঙ্গত।  
নোহন্তে তাহাৰ ক্ষুধা তৃষ্ণা আদি যজ্ঞ।।  
ইটো ক্ষুধা তৃষ্ণা শোক মেহ মহভয়-  
সমস্ত শোকক সদা সহজে পীড়য়।।" ডঃ ৰত্নাকৰ।

মহন্ত বা ভক্তৰ সঙ্গললে মনৰ মহাভয়, ক্ষুধা, তৃষ্ণা শোক, মোহ দূৰ হয়। শ্ৰদ্ধাৰে হৰি কথা পান কৰি মানুহে পৰমান্দ লাভ কৰে। এনে মহন্তৰ সঙ্গ নোলোৱা জন আত্ম-ঘাটী হৈ সংসাৰত থাকি নানা নিপ্ৰীড়ন ভোগ কৰে। গতিকে মায়া তৰুণৰ দ্বিতীয়টো উপায় সাধুসঙ্গ লাভ কৰা।

মাধবৰ অনুগ্ৰহ নহ'লে কোনেও জ্ঞান বিৰকতি লাভ কৰিব নোৱাৰে। মাধৱে কৈছে -যে ব্ৰহ্মা, শিব, মনু পুনস্তি পুলহ ভৃগু, অঙ্গিৰা, মৰীচি, বশিষ্ঠ, দক্ষ, আদিয়ে তপ, বিদ্যা,সাধন আদিৰ কৰ্মকাণ্ডৰ আশ্ৰয় কৰি নানাদেৱতাক পূজা সেৱা কৰাৰ বাবে, তপ-জপ সোম দান যজ্ঞাদিৰে বহু দেৱতাক সন্তোষ্টি কৰাৰ বাবে, এক ঈশ্বৰক নিৰূপন কৰিব নোৱাৰা বাবে ঈশ্বৰক কেতিয়াও পাব নোৱাৰে। মহা প্ৰপঞ্চতে তেওঁলোক বুৰ গৈ থাকি মায়া-নিস্তৰণৰ পৰা বঞ্চিত হৈ থাকে। এক ঈশ্বৰক ভক্তি কৰিলে তেনে ভক্তক কৃষ্ণই কৃপা কৰি দৰ্শন দিয়ে আৰু মায়া সাগৰৰ পৰা তুলি আনে। লৌকিক আৰু বৌদিক ত্যাগ কৰি সৰ্ব্বজয়

কৰ্ত্তাক শ্ৰদ্ধাৰে ভক্তি কৰিলে মায়া-তৰণ সম্ভৱ হয়।

ভাগৱতৰ দ্বিতীয় স্কন্ধৰ সাত অধ্যায়ত কোৱা হৈছে যে যি সকলে ঈশ্বৰ কৃষ্ণক নিচিনে, তেওঁৰ চৰণ পদ্মত সেৱা নজনায়, তেওঁক ভকতি নকৰে, তেনেলোকে বিষয় সংসাৰত থাকি জীৱন ব্যৰ্থ কৰে। কায়-বাক্য, মনে ঈশ্বৰক পৰম শ্ৰদ্ধাৰে ভক্তি কৰা সকলক তেওঁ জনৰ পৰা মুক্তকৰি মুক্তি দিয়ে। ভগৱন্ত কৃষ্ণক আশ্ৰয় কৰিলে মায়াকে ভগৱন্তই নিচ্ছিন্ন কৰেছ

"ঈশ্বৰ কৃষ্ণৱ মহা চৰিত্ৰ অদ্ভুত।
শ্ৰদ্দ সত্ৰাকে হোৱে পাপীও মুবুত।

এক কৃষ্ণ দেবক ধেৰ্য্যেৰে যি সেৱা কৰে তেওঁ মায়া সিন্ধুৰ পৰা উদ্ধাৰ হয়। ভগৱন্তক ভক্তি কৰিবৰ কাৰণে চিত্ত বিষয়ৰ পৰা মুক্ত হ'ব লাগিব। তাৰ বাবে বিষয়ত বৈৰাগ্য আহিব লাগিব। বিষয় বুলিলে ঐশ্বৰ্য বিভূতি সম্পদৰ প্ৰতি বীতশ্ৰদ্ধ হব লাগিব। দ্বিতীয়তে পুত্ৰ ভাৰ্য্যা দিৰ প্ৰতি অনুৰক্তি ভাব কমাব লাগিব, ধন আৰু নাৰীৰ প্ৰতি অনাসক্ত হ'ব লাগিব। এই সমস্ত মোহৰ পৰা আনিব পাৰিলেহে হৃদয় ভগৱন্ত ভক্তিৰ বাবে উপযুক্ত হ'ব।

এই বৈৰাগ্যও আহে মহন্তৰ সঙ্গ লাভ হ'লে। আনকি পশু -পক্ষী আদি নষ্ট জীৱও মহন্তৰ সঙ্গ লাভত উত্তৰণ হয়। সকলো জীৱকে ভগৱন্তৰ ৰূপ বুলি ধৰিব পাৰিলেহে শীল শিক্ষালাভ হয়। এই সমস্ত উপদেশ ব্ৰহ্মাদেবৰ। ব্ৰহ্মাই ভগৱন্তক স্তুতি কৰি ভগৱন্তৰ মহিমা প্ৰকাশ কৰিছে।

সপ্তম স্কন্ধত প্ৰহলাদে নৃসিংহৰ আগত কৈছিল-যে ভগৱানৰ দাস হ'লে পূৰ্বজন্মৰ দুঃখ দূৰ হয়। প্ৰহলাদে কৈছিল যে ভগৱানৰ লীলা কথা শুনিলে পূৰ্বজন্মৰ দুঃখ দূৰ হয়। এই কথা প্ৰহলাদে ব্ৰহ্মাৰ মুখৰ পৰাই শুনিছিল। প্ৰহলাদৰ প্ৰবৃত্তি মাগৰ দোষ এৰাবৰ কাৰণে ভগৱানৰ লীলা কথা কীৰ্তন কৰিছে ভগৱানৰ দাসৰো দাসভাবে ঈশ্বৰৰ গুণ গান কৰি তেওঁ ভগৱানৰ কৃপা লাভ কৰিছে। কৃষ্ণ-ভকতৰ সঙ্গহে প্ৰহলাদে বিচাৰিছে। ভকতৰ সঙ্গত তেওঁৰ ৰাগাদি বিষয় দূৰ হ'ব। মৈত্ৰেয় মুনিয়েও কৈছে-

'কৃষ্ণৱ কীৰ্তন কৰে যাৰ যেন মতি।
শুনে কৃষ্ণ-কথা যাৰ যিমান শকতি।।
এতেকে অৱশ্যে মুক্ত হোৱে সংসাৰত

কৃষ্ণ ভক্তসবৰ মুক্তিদাতা। কৃষ্ণৱ গুণ বৰ্ণেৰে সদায় শ্ৰৱণ কৰিলে মুক্তি অনায়াসে লাভ কৰিব পাৰে। মৈত্ৰেয়হি বিদুৰক পুণৰ কৈছে যে- মাধৱৰ চৰণত একশৰণ ল'লে, ভকতৰ লগত কৃষ্ণকথা, গুণ-লীলা শ্ৰৱণ কৰিলে ভগৱন্তই নিশ্চয় দয়া কৰিব।

মায়া উপায় শাস্ত্ৰই নিৰূপণ কৰি কৈছে যে প্ৰথমে ঈশ্বৰ কৃষ্ণক সুদৃঢ় বিশ্বাসে হৃদয়ত একাগ্ৰভাবে হৃদয়ত স্থানপন কৰিব লাগিব। দেহৰ তত্বসমূহক উপলব্ধি কৰি দেহ-ভাব ত্যাগ কৰিব লাগিব। দেহস্থ ইন্দ্ৰিয় গণে সদায় প্ৰবৃত্তিৰ ফালে মন-বুদ্ধি চিত্তক আকৰ্ষণ কৰিববলৈ বিচাৰে। বিষয়-ভোগৰ বাবে ইন্দ্ৰিয় গণ সদায় আতুৰ আৰু সবল হৈ থাকে। সেইবাবে ইন্দ্ৰিয় গণক দমন কৰিববলৈ সাধুসঙ্গৰ আশ্ৰয় ল'ব লাগে। আত্ম-তত্ব জ্ঞান লাভ হ'লে ইন্দ্ৰিয়ৰ প্ৰতি জীৱ অনাসক্ত হয়। তাৰ বাবে গুৰুৰ আৱশ্যক। গুৰুৰ সান্নিধ্যা লাভ হ'লে গুৰুৱে পৰমাত্মাক চিনাই দিব, ভগৱন্তৰ চতুবিধি লাভৰ জ্ঞান দিব, পৰমাৰ্থ লাভৰ উপায় দিব। ভগবানৰ 'নাম'ৰ মাহাত্ম্য বুজাই দিব আৰু সাধন মাৰ্গৰ পৰামৰ্শ দিব। গুৰুৱে ভকতক চিনাব আৰু ভকতৰ সান্নিধ্যত ভগৱানক বিচাৰি পাব। তেওঁক পোৱাৰ পথ ভক্তি-যোগ। ভক্তি যোগৰ দ্বাৰা জীৱই সংসাৰৰ পৰা, মায়াৰ পৰা মুক্ত হ'ব। অবিদ্যা বা মায়া দূৰ হ'লে দেহতেই আত্মাৰূপী ভগৱন্তক বিচাৰি পাব।

মানুহৰ দেহ-মনত থকা শত্ৰু সমূহক চিনি পালে আৰু সিহঁতক নিয়ন্ত্ৰণ কৰিলে অনায়াসে জীৱ তৰিযাব। কাম ক্ৰোধ লোভ-মোহ মদ-মৎসৰ্য্য, দম্ভ দ্বেষ্য অহঙ্কাৰ পৰম শত্ৰু। কৃষ্ণত শৰণ ল'লে-শত্ৰুসমূহ নিষ্ক্ৰিয় হয়। হস্তে ভগৱন্তৰ কৰ্ম, কৰ্ণ, ভগৱন্তৰ নাম শ্ৰৱণ, জিভাৰে কীৰ্তন পদেৰে হৰিৰ স্থান ও ভকতৰ ওচৰলৈ গমন, শাস্ত্ৰত তত্ব অনুধাবন, সদাচাৰ অনুশীলন জীৱৰ প্ৰতি দয়াবান, হ'ব পাৰিলে- মায়াৰ প্ৰভাব কমি যাব আৰু ভগৱন্তই দয়া-কৰুণাৰে তেনেজনক মায়াৰ পৰা মুক্ত কৰি পৰম পুৰুষাৰ্থ লাভ কৰাব।

ঈশ্বৰৰ মায়া ঈশ্বৰেই নাইকীয়া কৰি জীৱক দুঃখ সাগৰৰ পৰা উদ্ধাৰ কৰিব। পৰম-দুস্তৰা মায়া দূৰকৰাৰ একমাত্ৰ উপায় এক ঈশ্বৰত একশৰণ আৰু অনন্যভক্তি সাধন।

০০০০

## হৰিচৰণ কৃত পদসমূহ
## (ওপৰৱিঞ্চি)
## অষ্টত্ৰিংশ মাহাত্ম্য বা অধ্যায়
### অধিকাৰী সমস্তৰ ভকতি-যোগ

একাদশ স্কন্ধৰ বিংশতি অধ্যায়ত মাধবে ভক্ত উদ্ধৱক কৈছে -"হে

উদ্ধৱ, যিজনে মোক শ্ৰদ্ধাৰে হৃদয়ত লৈ মোৰ কথা, মোৰ গুণ গান শ্ৰৱণ কীৰ্ত্তন কৰে, তেওঁক কৰ্ম্মদোষে স্পৰ্শ কৰিব নোৱাৰে। মোক একনিষ্ঠভাৱে বিশ্বাস কৰিলে, মহা প্ৰীতিৰে মোক ভজিলে, তেওঁ বিজয়ী হ'লেও মই উদ্ধাৰ কৰো। মোক কোন প্ৰকাৰে ভজিব আৰু তাৰ পৰা তেওঁৰ কি লাভ হ'ব, তাৰ কথা শুনা। মই যিটো পথ নিৰ্দ্দেশনা দিছো সেইমতে মোক ভজিব। অৰ্থাৎ সদায় মোৰ গুণ গান শ্ৰৱণ কীৰ্ত্তন কৰিব, মন মোত নিৰ্বিষ্ট কৰিব, তেতিয়া মনৰ অন্ধকাৰ দূৰ হয়। হৃদয়ৰ গ্ৰন্থি গলিযায়, মনৰ সংশয় দূৰ হয়, অনাৰব্ধ-আৰব্ধ কৰ্মফল দূৰ হয়, নিৰন্তৰে চিত্ত দ্ৰবীভূত হয়। তেতিয়া ভকতি যোগত অভ্যস্ত হয়।

তপ-জপ যোগ যাগ জ্ঞান বৈৰাগ্য-দান ধৰ্ম, তীৰ্থস স্নান আদি সাধন মাৰ্গৰ দ্বাৰা যি ফল লাভ হয়, ভক্তি যোগৰ দ্বাৰা সেইফল লাভ হোৱাৰ উপৰিও স্বৰ্গ আৰু বৈকুণ্ঠ লাভ হয়। মোৰ ভক্তই মোৰ পৰা একো নিবিচাৰে, তথাপি মই তেওঁক সকলোবোৰ দিওঁ। তেওঁলোকে মোক ভক্তি কৰি মোক বশ্যকৰে আৰু পৰম পুৰুষাৰ্থ লাভ কৰে। মোৰ ভক্তক পাপ-পুন্যয়েও স্পৰ্শ কৰিব নোৱাৰে। কাল আৰু মায়াই মোৰ ভক্তক প্ৰভাৱিত কৰিব নোৱাৰে। সংসাৰৰ যাতনা ভক্তই ভূগিব নালাগে।”

যি সকল লোক ভগৱন্তৰ একান্ত ভক্ত, তেনেলোকেহে ভগৱানক ভক্তি কৰাৰ অধিকাৰ থাকে। অভক্তই সেই অধিকাৰৰ অংশীদাৰ হ'ব নোৱাৰে। ভক্তিৰ অধিকাৰী হ'বলৈ হ'লে প্ৰথমেই এক ঈশ্বৰক সুদৃঢ় বিশ্বাসে গ্ৰহণ কৰি তেওঁত একান্তভাৱে শৰণ ল'ব লাগিব। তেওঁৰ নাম গুণ, চৰিত্ৰ, লীলাৰ প্ৰশংসা কৰিব লাগিব। কৃষ্ণ ভক্তৰ সান্নিধ্য লাভ কৰি কৃষ্ণ কথাত আনন্দ লাভ কৰিব লাগিব। ভগৱন্তৰ প্ৰকৃত ভক্ত হ'ব পাৰিলেহে ভক্তিৰ মাধ্যমেৰে ভগৱান আৰু ভক্তৰ যোগ সাধন ফলপ্ৰসু হ'ব।

সপ্তত্ৰিংশ মাহাত্ম্য বা অধ্যায়

মদ্ভাগৱত মাহাত্ম

ভাগৱত শাস্ত্ৰ পৰম গধূৰ শাস্ত্ৰ। এইশাস্ত্ৰ সকলোতকৈ উত্তম আৰু ভগবৎ তত্বেৰে ভৰপূৰ। ব্ৰহ্ম বা পৰম ঈশ্বৰৰ পৰা প্ৰথমে প্ৰণবৰ সৃষ্টি হয়। সেইবাবে ব্ৰহ্ম এই বৃক্ষৰ বীজ প্ৰণৱ গজালি। এই বৃক্ষৰ বাৰটা ডাল বাৰস্কন্ধ আৰু বৃক্ষজোপা বাঢ়ি সকলো বৃক্ষৰ ওপৰত বিৰাজকৰে। অৰ্থাৎ সব শাস্ত্ৰৰ ওপৰচ জিলিকি উঠে। ইয়াৰ ডাল ৩৩৫হৈছে অধ্যায়। তদুপৰি বহুত শাখা প্ৰশাখাৰে বৃক্ষই চৌদিশ ব্যাপি আছে। ১৮০০০পত্ৰ ১৮০০০শোক। এই মহাবৃক্ষ কল্পতৰু হৈ চতুবৰ্গ সাধন কৰাৰ উপৰি ভক্তিদান কৰি আহিছে। এই বৃক্ষৰ শৰীৰ পৰমাত্মা আৰু সকলো ধৰ্মৰ শিৰোৰত্ন স্বৰূপ। ইয়াৰ ফল মুক্তিৰ উদ্ধত। হৰি আৰাধনাৰে আগুৰি আছে। সমস্ত কৰ্ম কাণ্ডী শাস্ত্ৰৰ ওপৰত মহাভাগৱত শাস্ত্ৰই বিৰাজ কৰি আছে। জ্ঞান কাণ্ডকো ছেৰ পেলাই মদ্ভাগৱতে ভক্তিৰ জয়গান গাইছে।

“ব্ৰহ্মাৰেসে অংশ ইটো যত জীৱচয়।
মায়ায়ো পৰম শক্তি তাহান দুৰ্জ্জয়।।
ব্ৰহ্মৰেসে কাৰ্য্য ইটো যত চৰাচৰ।
সমস্ত ব্ৰহ্মসে তাত নাহিকে অপৰ।।
ই শাস্ত্ৰত যেন জ্ঞান অযত্নে হোৱয়।
পৰম সুখদ তিনি তাপ নিবাৰয়।।
জ্ঞান প্ৰতিপাদ্য শাস্ত্ৰ যতেক আছন্ত।
তাতো কৰি শ্ৰেষ্ঠ দেখাইলোহো অতি শান্ত।।

সকলো জীৱ ব্ৰহ্মৰ অংশ মাত্ৰ। দুৰ্জ্জয় মায়াই জীৱক পৰিচালিত কৰিছে। ব্ৰহ্মৰ ইচ্ছামতে জীৱ আৰু জগতৰ সৃষ্টি হৈছে। সমস্ত জীৱ-জগত ব্ৰহ্মময়। মদ্ভাগৱত শাস্ত্ৰত এই ব্ৰহ্ম বা পৰমাত্মা বা ভগৱন্তৰ সৃষ্টি, পালন সংহাৰ লীলাৰ বিৱৰণ সম্বলিত তত্ব স্থপীকৃত হৈ আছে। সংসাৰৰ তিনি তাপত দগ্ধজীৱই তাপ নিৰসনৰ উপায় এই শাস্ত্ৰত বিৰাজমান হৈ আছে। জ্ঞান-প্ৰতিপাদ্য যিমানবোৰ শাস্ত্ৰ আছে, তাৰ ভিতৰত ভাগৱত সৰ্ব্বশ্ৰেষ্ঠ। ভাগৱততে স্বয়ং ঈশ্বৰ কৃষ্ণ নিহিত হৈ আছে। দেৱতা কাণ্ডতকৈয়ো ভাগৱত শ্ৰেষ্ঠতৰ। ভাগৱতৰ সাধন-মাৰ্গ জগতৰ অন্যান্য সাধন মাৰ্গৰ ভিতৰতে অনন্য।

অনন্ত কালৰ সঞ্চিত পাপ ভাগৱত শুনা মাত্ৰেই ধ্বংস হয়। এই শাস্ত্ৰ শুনিবলৈ ইচ্ছা কৰা মাত্ৰে হৃদয়ত হৰিয়ে প্ৰবেশ কৰে। যাৰ পূৰ্বজনমৰ পুণ্য আছে, তেওঁহে ইয়াক শ্ৰৱণ কৰিবলৈ ইচ্ছা কৰে। সমস্ত শ্ৰীস্ত্ৰৰ ফলৰূপী ভাগৱত পান কৰিলে জীৱ শিৱ হয়।

“চাৰিবেদ ভৈল কল্পতৰু সমসৰ।
ভাগৱত নামে তাৰ ফল শ্ৰেষ্ঠতৰ।”

ভাগৱত কল্পতৰু বেদৰ সাৰ। এই শাস্ত্ৰ আদিতে বৈকুণ্ঠত আছিল। কৃষ্ণই পদ্মকল্পত এই শাস্ত্ৰ বিৰিঞ্চিক দিলে, তেওঁ দিলে নাৰদক, নাৰদে দিলে ব্যাসৰ্ক ব্যাসে প্ৰদান কৰিলে শুকদেৱক শুকদেৱে শুনালে পৰীক্ষিতৰ আগত। ৰসিক সকলে ভাগৱত পান কৰি মুক্তি লভিলেষ এই পৰম দুল্লৱ অমৃত কোনেও পান নকৰাকৈ থাকিব নেলাগে। ইৰসেৰে ভৰপূৰ, স্বাদত আনন্দ, ইয়াৰ সিঠা-ছাল নাই, কেৱল আনন্দময় ৰসাল অমৃত।

ভাগৱত শ্ৰৱণ-কীৰ্তন কৰিলে বিষয়ৰ অশান্তি দূৰ হয় ইন্দ্ৰিয়গণ সংযত হয়, মনলৈ শান্তি নামি আহে। ভাগৱতৰ কাহিনী আৰু তত্ব সমূহৰ যোগে শৰীৰৰ ৰিপুসমূহৰ প্ৰভাব কমি যায়। সংসাৰৰ প্ৰতি, মায়াৰ প্ৰতি অনাসক্তি আহে, আত্ম তত্ব জ্ঞান হয় আৰু জীব জগতৰ প্ৰকৃত স্বৰূপ উপলব্ধি হয়, অবিদ্যাৰ অহঙ্কাৰ সমূহ দূৰ হয় আৰু ভগৱৎ জ্ঞানৰ প্ৰদীপ জ্বলি উঠে। কলিৰ কলুষিত লোকৰ উদ্ধাৰৰ বাবে ভগৱন্তই তৰণৰ উপায় হিচাবে এই মহাশাস্ত্ৰ এৰি থৈ গৈছে।

এই অপূৰ্ব শাস্ত্ৰৰ মহিমাৰ অন্ত নাই। দ্বাপৰত ব্যাস অৱতাৰ হৈ নাৰদৰ কথামতে এই মহাশাস্ত্ৰ প্ৰণয়ন কৰে আৰু তেওঁৰ পুত্ৰ শুকে ব্যাসৰ পৰা এই শাস্ত্ৰ শুনে। শুকে ব্ৰহ্মক সাক্ষাত কৰিব পাৰিছিল, তেওঁ জ্ঞান মাগী হৈয়ো কিয় ভক্তিমাৰ্গৰ ভাগৱতৰ প্ৰতি আকৃষ্ট হ'ল- তাৰ উত্তৰো তেওঁ ব্যক্ত কৰিছে।

"যদি মই ব্ৰহ্মতেসে ৰতি নিৰন্তৰ।
তথাপিতো উত্তম শ্লোকৰ লীলাচয়।।"

মহাৰসত আপ্লুত হৈ শুকে ভাগৱতৰ ৰস সৰ্ব্বস্বতাত মগ্ন হয়। মুক্তিৰসৰ নিজৰাৰ জল পান কৰি মহাসুখ অনুভৱ কৰিলে মহামুনি শুকে। কৃষ্ণ দেৱৰ বৈকুণ্ঠ প্ৰয়ানত জগতত কলিয়ে প্ৰসাৰ লাভ কৰি জীবক পাপ সাগৰত পেলালে।

"কলিত সবাৰো জ্ঞান-দৃষ্টি নষ্ট গৈল।
ইদানিক ভাগৱত সূৰ্য্যোদয় ভৈল।।"

কলিত পাষণ্ড আৰু ধৰ্মধ্বজী লোকে ব্যভিচাৰ আৰম্ভ কৰিলে। এনে সময়তে শ্ৰীমন্ত শঙ্কৰদেৱে আবিভাব হৈ কৃষ্ণভক্তি প্ৰচাৰ কৰি, ভাগৱত ধৰ্ম প্ৰচাৰ কৰি জনগণক মুক্তি সন্ধান দিলে।

পদ্ম পুৰাণৰ স্বৰ্গখণ্ডত উল্লেখ থকা মতে কৃষ্ণদেৱে বৈকুণ্ঠ প্ৰয়ানৰ সময়ত উদ্ধৱে ক'লে- "হে প্ৰভূ আপুনি গুচি যোৱাৰ পাছত লোকে কেনেকৈ তৰিব ? " তৎ বিয়োগেন তে ভক্তাঃ কথং তিষ্ঠতি ভূতলে" কৃষ্ণই উত্তৰ দিলে- "মহাশাস্ত্ৰ ভাগবতে কলিৰ লোকক তৰাব।" কাৰণ ভাগৱত ভগবানৰ বাঙ্ময়ী মূৰ্তি। ইয়াক যি শ্ৰৱণ কৰিব, দৰ্শন কৰিব, সেৱা, পাঠ কৰিব; তেতিয়া সৰ্ব্ব পাপৰ পৰা মুক্তি পাব।"

"তেনয়ং বাঙ্ময় মূৰ্ত্তি প্ৰত্যক্ষাবতে হৰে -
শ্ৰৱনাং, সেবনাং, পাঠ্য, দৰ্শনাৎ সাক্ষাত পাপবিনাশিনী"

মৎস্য পুৰাণত, পদ্মপুৰাণত অন্যান পুৰানত ভাগৱতৰ মহিমাৰ বিষয়ে ব্যক্ত হৈছে। গায়ত্ৰী মন্ত্ৰয়েও ভাগৱতৰ পুন্য শ্লোকক ছেৰ পেলাব নোৱাৰে। কোটি সূৰ্য্য সম পোহৰে ভাগৱতক প্ৰোজ্জ্বল কৰি তুলিছে।

---------------o------------

## অষ্টত্ৰিংশ মাহাত্ম্য বা অধ্যায়

### যম-নিয়ম মহিমা

লিখকে যম আৰু নিয়মৰ বিষয়ে ক'বলৈ গৈ প্ৰথমে ভগৱানক স্মৰণ কৰিছে। সংসাৰ যাতনা দেখি তেওঁ আক্ষেপ কৰি কৈছে -

"অসাৰক কৰি সাৰ সংসাৰ পথত পৰি
আছো মই প্ৰভূ নাৰায়ন।
পুত্ৰ ভাৰ্য্যাগণ ভৈলা বান্ধৰ গহন দ্বাৰ
কৰিবাক নোৱাৰো গমন।।
তিনি তাপ বনজুই সঘনে পোৰয় মোক
কাম ক্ৰোধগ্নিয়ে গৰ্ত প্ৰায়।
সেহি গহৰত কতো পৰিথাকো চিৰকাল
শ্ৰুতিবুদ্ধি কিছু কো নাপায়"

অৰ্থাৎ- "অসাৰকে সাৰবুলি ভাবি সংসাৰ পথত মই পৰি আছো। পুত্ৰ ভাৰ্য্যা সকলে এহি দুৰ্গম পথৰ পৰা আঁতৰি যাবলৈ দুৱাৰ বন্ধ কৰি ৰাখিছে। কাঁইটে আবৰা সংসাৰ ৰূপী পথতে পুত্ৰভাৰ্য্যাদি বান্ধব সকলক এৰি আগবাঢ়িব নোৱাৰো। তদুপৰি অধিদৈবিক, আবিভৌতিক, আধ্যাত্মিক এই তিনি তাপৰ বনজুয়ে অহৰহগ মোক দগ্ধ কৰিব লাগিছে। কাম ক্ৰোধ আদি গাঁতৰূপী ৰিপু সমূহ আগুৰি ধৰি আছে। এনে সংসাৰ গৰ্তত পৰি চিৰকাল কটাব লগীয়া হোৱাত শ্ৰুতি বুদ্ধি হেৰাই গৈছে।" মায়া-মৰীচিকা খেদি সংসাৰত নানা দুখকষ্ট ভোগ কৰি থাকিব লগা হৈছে। সেই বাবে জনাৰ্দ্দনক তেওঁ স্তুতি কৰি কৈছে যে ভগৱন্তই দয়া কৰি, হৃদয়ত স্থিত হৈ দুখ সাগৰৰ পৰা উদ্ধাৰ কৰিব লাগে।

ভাগৱৰতৰ একাদশ স্কন্ধৰ উনবিংশ অধ্যায়ত মাধবে উদ্ধৱক কৈছে যম-নিয়মৰ সম্পৰ্কত।

যম ঃ- "ভূত দ্ৰোহ হীন হৈবে যথাৰ্থ ভাষন।
মনেও নুহিবে পৰ বস্তুক গ্ৰহণ।।
হৈবে সজশূন্য সজ্জা অপৰিগ্ৰহণ।
ধৰ্ম্মত বিশ্বাস ব্ৰহ্মচৰ্য্য আচৰণ।।
ব্যৰ্থ কথা হীন হৈবে স্থিখ স্বধৰ্ম্মত।
ক্ষমাশীল ভূতদায়া কৰিবে সতত।।
এহিবাৰ গোটা যম কহিলো তোমাক।।"

ভূতদ্ৰোহ হীন, যথাৰ্থভাষণ, পৰবস্তু গ্ৰহণ নকৰা, সঙ্গশূন্য, সজ্জা অপৰিগ্ৰহণ, ধৰ্মত বিশ্বাস, ব্ৰহ্মচৰ্য্য, আচৰণ, ব্যৰ্থ কথাহীন, স্বধৰ্মতস্থিৰ, ক্ষমাশীল, ভূতদায়া

এই বাৰটা যম।

প্ৰাণী হিংসা নকৰাই ভূতদ্ৰোহ হীন, প্ৰয়োজনীয় কথাকোৱাই যথাৰ্থভাষণ, পবৰ দ্ৰব্যগ্ৰহণ নকৰা নিঃসঙ্গ জীৱন কটোৱা, আড়ম্বৰপূৰ্ণ পোছাক ত্যাগ, ধৰ্মত বিশ্বাস, ব্ৰহ্মচৰ্য্য সাধন, সদাচাৰপালন, অমূলক কথা নোকোৱা, নিজধৰ্মত অচল-অতল ক্ষমাশীল, প্ৰাণীপ্ৰেম হৈছে যম। নিয়ম ১২ বিধ -

“পূজিবে মোহোক কৰিবেক তীৰ্থাতন।
যাৰ অৰ্থে ইচ্ছা পক্তি আচাৰ্য্য সেৱন।
এহি বাৰ নিয়মক কহিলো নিশ্চয়।।”
বাহ্য অভ্যন্তৰ দুই শৌচক কৰিব।
তপ জপ হোম শ্ৰাদ্ধ অতিথি অৰ্চ্চিব।।”

অৰ্থাৎ বাহ্য শৌচ, অভ্যন্তৰ শৌচ, তপ, জপ, হোম, শ্ৰাদ্ধ অতিথি সেৱা, অৰ্চ্চনা,ঈশ্বৰ পূজা, তীৰ্থপৰ্য্যতন আৰু আচাৰ্য্য সেব এই বাভ বিধ নিয়ম। মুক্তিকামী সকলেও এই নিয়ম পালন কৰিব লাগে।

সকলো প্ৰাণীয়ে সমভাাবি বিষ্ণু বুদ্ধি কৰিব লাগে আৰু ইয়াকে শম, ইন্দ্ৰিয়ক দমন কৰাই দম। জাৰ-জহ, শীত-উষ্ম দুয়োকে সহ্য কৰিব পৰাটোৱেই তিতিক্ষা, জিভা আৰু উপস্থক সংযত কৰাটোৱেই ধৃতি বা ধৈৰ্য্য, প্ৰাণীহিংসা নকৰাই দান, বাসনাক বাধা দিব পৰাটোৱেই শৌয্য বুলি কোৱা হয়। ব্ৰহ্মকে সত্য বোলা হয়, মনক দমন কৰাকে মহাবল বোলে। পুত্ৰ-ধন-জন পোৱাটোক লাভ নোবোলে ভগৱন্ত ভকতি লাভ হোৱাকে প্ৰকৃত লাভ বোলা হয়। অকৰ্মক নিন্দা আৰু মহাসন্তত নিবৰ্ত্তিথকাই লজ্জা, নিৰপেক্ষ হৈ থকাই শ্ৰী, সুখ-দুখত আসকতি নোহোৱা টোৱেই সুখ, বিষয়ত থকাই দুঃখ মোক্ষক জনাটোৱেই পণ্ডিত, শ্ৰৱণ কীৰ্তনেই ভগৱানক পোৱাৰ পথ, চিত্ত স্থিৰ কৰি ৰখা, বিপথে চলাই মৰণ সত্ব গুণেই স্বৰ্গ তমো গুণেই নৰক। গুৰুৱেই প্ৰকৃত বন্ধু, জীৱাত্মাক উত্তম মন্দিৰ, অসন্তোষীজন দৰিদ্ৰ,।

“সবাৰো শোচনী যিটো ইন্দ্ৰি পৰাধীন।
নুহিকে শোচনী সিটো যিটো ধনহীন।।
সেহিসে স্বতন্ত্ৰ যাৰ চিত্ত নিৰ্বিষয়।।”

ইন্দ্ৰিয়ৰ পৰাধীন জন শোচনীয় আৰু বিষয়ত নথকা চিত্ত স্বতন্দ্ৰ। বিষয়ত সম্পূৰ্ণ অনাসস্থ পৰতন্ত্ৰ। সেইবাবে ধৰ্মকে গৰিষ্ঠ বুলি মনা সকলে কৃষঞ-কথাৰ শ্ৰবন-কীৰ্ত্তন কৰক।

০০০০